# মৌন বেদনা

শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা
পাঠশালা

STATE CENTRAL LIBRARY
ASSAM

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী : অসম

প্ৰকাশক :

শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা এম্. এ.
দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী-১
অসম

মূল্য : পাঁচ টকা মাথোন।

মুদ্ৰক :

শ্ৰীৰাধাৰমণ বসাক
শ্ৰীকান্ত প্ৰেছ
৭৫, বৈঠকখানা ৰোড
কলিকতা-৯

# ভূমিকা

'মৌন বেদনা' শ্ৰীমুনীন্দ্ৰনাথ শৰ্মাৰ এখনি সামাজিক উপন্যাস। শ্ৰীশৰ্মা পঢ়ুৱৈ সমাজৰ মাজত সম্পূৰ্ণ অপৰিচিতো নহয়। মহাকবি কালিদাসৰ 'মালৱিকাগ্নিমিত্ৰ' নাটকৰ কাহিনীৰ ভেঁটিত ৰচিত 'মালৱিকা' নামৰ পুথিখনিৰ জৰিয়তে তেওঁ ইতিমধ্যে পৰিচিত হৈছেই। মৌন বেদনাখনেও পঢ়ুৱৈ সমাজৰ আদৰ পাব বুলি বিশ্বাস। ৰচনা-শৈলী জতুৱা নোহোৱা স্বত্বেও উপন্যাসখন পঢ়ি আমনি নালাগে। কাহিনী বিন্যাস, পৰিস্থিতি আৰু পৰিবেশ ৰচনাতো প্ৰথম প্ৰয়াস হিচাবে (উপন্যাস ৰচনাত) তেওঁ বহু পৰিমাণে নিপুণতাৰ পৰিচয় দিছে বুলিয়েই কব পাৰি। অভিজ্ঞতা গাম্ভীৰ্য্যপূৰ্ণ হলে, আৰু সূক্ষ্ম উপলব্ধিৰে ৰচনা কৰিবলৈ অভ্যস্ত হলে শৰ্মাৰ কাপৰ পৰা হৃদয়সংবাদী গধুৰ আৰু মধুৰ উপন্যাসো হয়তো পাব পৰা যাব।

মৌন বেদনাৰ কাহিনীভাগ ঘৰুৱা জীৱনৰ ক্ষতি-নতি, ত্ৰুটি-বিচ্যুতি। পৰম্পৰাগত সমাজ বিশ্বাসক ইয়াত ঠাই দিয়া হৈছে। দাৰ্শনিক দাৰ্শনিক যেন লগা শিক্ষক ৰমেশ বৰুৱাক চলনা কৰি অন্তঃসত্বা মালতীক বিয়া দিয়াত আচৰিত হব লগা একো নাই। তেনেকৈ অতীত বৰ্ত্তমান বা ভবিষ্যতৰ কথা সমুলি চিন্তা নকৰি বা পৰিয়ালৰ কথালৈ মন-কাণ নকৰি মালতীৰ দৰে অসৎ কাৰ্য্যত গা-ঢালি দিয়া মাতৃও হয়তো দুই চাৰি গৰাকী ওলাব। মদনৰ ব্যভিচাৰ, অণুৰ নিৰ্য্যাতন, বেৰেকাৰ আত্ম-বিশ্লেষণ আৰু ভাস্কৰৰ উদাৰতাও বাস্তৱ মানুহৰে।

পৰিণতিত বেৰেকাই মাতৃ মেৰীৰ কোলাত দেৱশিশু যীশুৰ ছবি দেখি যি মানসিক ঔদাৰ্য্য আৰু মহত্বৰ নিদৰ্শন দিলে সি আদৰণীয়। কিন্তু অপমান-দগ্ধ মদনক বহল সমাজৰ বুকুত মানবীয় মহান আদৰ্শেৰে উদ্বুদ্ধ কৰি প্ৰতিষ্ঠা লভিবলৈ উদ্বুদ্ধ নকৰি পলায়নী নীতিৰ আশ্ৰয়

নোৱাৰ কাহিনী ভাগৰ আৰু চৰিত্ৰ বিশেষৰ দুৰ্বল মনৰ পৰিচয় সহজে অনুভৱ কৰিব পৰা হ'ল। আমি সততে সোঁৱৰিব লাগে যে সাহিত্য 'যি আছিল'ৰ লগতে 'যি হোৱা উচিত আছিলে'ও মহত্বপূৰ্ণ স্থান অধিকাৰ কৰা উচিত। এনে সাহিত্যইহে নতুন আদৰ্শেৰে সমাজ-জীৱনক উদ্বুদ্ধ কৰিবলৈ সমৰ্থ হয়। 'মূক-বেদনা'ত বেৰেকাৰ আত্ম-বিশ্লেষণৰ মাজেদি এনে দৃষ্টিৰ বিকাশ ঘটিল সঁচা, কিন্তু প্ৰতিকূলতাৰ বিৰুদ্ধে সাহসেৰে থিয় হব নোৱাৰাত ৰমেশ বৰুৱা, মালতী বা অণুই বৈচিত্ৰ্যপূৰ্ণ মহত্বৰ পৰিচয় দিব নোৱাৰাত কাহিনীভাগ গতানুগতিকতাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হব নোৱাৰিলে। বৈপ্লৱিক চৰিত্ৰ ৰূপায়ণৰ সহায়ত প্ৰগতিবাদী আদৰ্শ পৰিস্ফুট কৰি তুলিবলৈ ঔপন্যাসিক শ্ৰীশৰ্মা আগলৈ.যত্নপৰ হব বুলি আশা কৰিলো।

মানুহৰ যত্ন অজৰ-অমৰ। ইয়াকে সাৰোগত কৰি সাহিত্য-কৰ্মত লাগি থাকিলে হয়তো অনতি পলমে শ্ৰীশৰ্মাৰ কাপৰ পৰা সাৰ্বজনীন কালজয়ী সাহিত্যবো সৃষ্টি হ'ব। মৌন বেদনাৰ ৰচক শ্ৰীমুনীন্দ্ৰ শৰ্মাও সুখ্যাতি সম্পন্ন সুসাহিত্যিকৰূপে প্ৰতিষ্ঠাৰ পথত আগ বাঢ়ক, এয়ে কামনা। ধন্যবাদ।

ইতি—

লক্ষ্মীকুটীৰ

নলবাৰী

শ্ৰীশশী শৰ্মা

# আমাৰ এষাৰ

বিশ্ব-বিশ্ৰুত দাৰ্শনিক বানাৰ্ড বাছেলে আশীবছৰ বয়সত তেওঁৰ গল্পৰ কিতাপ Satan in the Suburs লিখি নিজে নিজে হেনো বিস্ময় মানিছিল। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱায়ো 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলি কবিতা লিখিছিল। তথাপি বাছেল গাল্পিক কিম্বা বেজবৰুৱা কবি হিচাবে প্ৰসিদ্ধ নহয়। তেওঁলোকৰ প্ৰতিভাৰ থলী সুকীয়া।

ময়ো ঔপন্যাসিক নহওঁ। মোৰ 'গুৰুভক্ত মাধৱদেৱ' নামৰ সৰু পুথিখন পঢ়ি এগৰাকী বন্ধুৱে এখন উপন্যাস লিখাৰ বাবে উদগনি দিছিল। উপন্যাসৰ কলা-কিটিপ মোৰ সিমান জনা নাই। তথাপি এদিন আৰম্ভ কৰি দিলোঁ লিখাৰ। নিজৰ লিখনিৰ ওপৰত আত্ম-বিশ্বাস নথকাৰ বাবে সন্দেহ হবলৈ ধৰিলে 'গণেশ গঢ়িবলৈ যাওঁতে বান্দৰ গঢ়া' হয় বুলি। সেইবাবে লিখি থাকোঁতে মাজে মাজে দুই এজন সাহিত্যানুৰাগী বন্ধুক একোটা দফা পঢ়ি শুনাব ধৰিলোঁ। সুখৰ কথা, তেওঁলোকে শ্ৰোতাৰ ভূমিকা লোৱাৰ উপৰি সাহসবো যোগান ধৰিলে। বৰপেটা বোড়ৰ সাহিত্য সভাৰ বিশিষ্ট কৰ্মী শ্ৰীমহেন্দ্ৰ পাঠক আৰু শ্ৰীহৰেণ দাস এই দুগৰাকী বন্ধুৱে উপন্যাসখন সম্পূৰ্ণ কৰি তোলাত যি সহায় কৰিলে তাক মই নিশ্চয় সুঁৱৰিব লাগিব।

নিজৰ অমূল্য সময় নষ্ট কৰি নলবাৰী কলেজৰ অধ্যাপক সু-সাহিত্যিক শ্ৰীশশী শৰ্মাদেৱে আৱশ্যকীয় পৰামৰ্শ দানৰ উপৰিও সাৰগৰ্ভ ভূমিকা এটি লিখি দি উপন্যাসখনক মধুৰ কৰি তুলিলে। তেখেতৰ প্ৰতি মই কৃতজ্ঞতা জনাইছোঁ। কিতাপখন প্ৰকাশ হৈ ওলোৱাত বিশেষভাৱে বাটকটীয়াৰ ভূমিকা ললে ভ্ৰাতৃপ্ৰতীম উদীয়মান নাট্যকাৰ শ্ৰীবিনোদ শৰ্মাই। তেওঁলৈও মোৰ মৰম যাচিলোঁ। লক্ষ-

প্ৰতিষ্ঠ প্ৰকাশন প্ৰতিষ্ঠান দত্তবৰুৱা এণ্ড কোম্পানীৰ সহৃদয় মেনেজাৰ শ্ৰীঅভয় চন্দ্ৰ দত্ত দেৱলৈ মই নিশ্চয় শ্ৰদ্ধা নিবেদন কৰিব লাগিব। কাৰণ তেখেতে আগ্ৰহ কৰি উপন্যাসখনৰ প্ৰকাশৰ দায়িত্ব নললে ক'ৰবাৰ বাকচৰ তলিতে ভেকুৰি থাকিলহেঁতেন।

অসমীয়া উপন্যাস-সাহিত্যৰ ভঁড়ালটো একেবাৰে সুদা বুলি আজি আৰু কব নোৱাৰি। এই গ্ৰন্থখনেও তাৰ একাংশ পূৰণ কৰিলে লিখনী সাৰ্থক হৈছে বুলি অনুভৱ কৰিব পাৰিম।

পাঠশালা

শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মা

৬।৭।৭৫ ইং

# ॥ মৌন বেদনা ॥

চিঠি কোনে দিব পাৰে বাক? আখৰ কেইটা ৰমেশ বৰুৱাৰ চিনা চিনা যেন লাগিলেও সঠিককৈ অনুমান কৰিব নোৱাৰিলে ইয়াৰ লিখক কোন হব পাৰে। মদন? মদনেতো আজি কালি নিলিখে। লিখিবই বা কিয়? তাৰ বাবে পিতৃ হৈ একো কৰ্ত্তব্য তেওঁ কৰিব পৰা নাই। লিখা-পঢ়া বেছিকৈ শিকাব নোৱাৰিলে। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শেষ পৰীক্ষাত মদন দুবাৰো অকৃতকাৰ্য্য হ'ল। কৃতকাৰ্য্য হলে হয়তো গুচৰৰে কলেজখনতে যি কোনো প্ৰকাৰে নাম লগাই দিব পাৰিলেহেঁতেন। বাহিৰত পঢ়োৱাৰ সামৰ্থ্য তেওঁৰ নাই।

এই কথা মদনেও বুজি পাইছিল। মাক মালতীয়েও বুজি পাইছিল। ভনীয়েক অনুপমায়ো সুবুজাকৈ থকা নাছিল। ফলত মদনে নিজেই নিজৰ পথৰ সন্ধান বিচাৰি উলিয়াইছিল। সামৰিক বাহিনীত মানুহ ল'ব বুলি জানি দৰ্খাস্ত এখন কৰিছিল। খবৰটো দিছিল তেওঁলোকৰ ঘৰতে এসময়ত থাকি গড়কাপ্তানী বিভাগত ঠিকাৰ কাম কৰি যোৱা অনিল দাসে।

মালতী-অণুহঁতৰ প্ৰস্তুতিৰ কথা বৰুৱাই একো গম পোৱা নাছিল। যোৱাৰ আগ মুহূৰ্ত্তত মাথোন মালতীয়ে বৰুৱাক কাণ চুৱাইছিল—

'মদনক ইণ্টাৰভিউলৈ মাতিছে।'

বৰুৱাই ভেতিয়া হেলনীয়া চকীখনত বহি আছিল। মনত পৰিছিল গীতাৰ দ্বিতীয় অধ্যায়ৰ শ্লোকটোলৈ:

'বাসাংসি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্নাতি নৰোপৰাণি॥
তথা শৰীৰাণি বিহায় জীৰ্ণা—
ন্যন্যানি সংযাতি নবানি দেহী॥'

'ভগৱানে সচা কথাকে কৈছে'—বৰুৱাই ভ'বিবলৈ ধৰিলে। 'আত্মাৰ বিনাশ নাই। ক্ষণভঙ্গুৰ এই দেহাটোকে অহং জ্ঞান কৰি জীৱই সংসাৰৰ মায়া-মোহত আবদ্ধ থাকে। ধন-জন পুত্ৰ-পৰিবাৰ সকলো অনিত্য। জীৱন-যৌৱন দুদিনীয়া। মৃত্যুৰ পিচত এই দেহ গেলি-পচি পঞ্চভূতত বিলীন হৈ যাব। তেনেহলে ক্ষণস্থায়ী সংসাৰত অত কামনা-বাসনা, আশা-আকাঙ্ক্ষাৰ সাৰ্থকতা ক'ত ? ..

'বোলো শুনিছেনে নাই ?' বোধহয় বিৰক্তিৰ সুৰতেই মালতীয়ে বৰুৱাক পুনৰ মাতিছিল।

ইমান সময় বৰুৱাই ভাবৰাজ্যত বিচৰণ কৰি আছিল। মালতীৰ কৰ্কশ মাতত ভাবৰ যতি পৰিল।

'কি হ'ল ?'

'মদনক ইণ্টাৰভিউলৈ মাতিছে। আমি আহিলোঁ।'

মদনক ইণ্টাৰভিউলৈ মতাৰ কথা বৰুৱাই আগতেই গম পাইছিল। কিন্তু তাৰ ইণ্টাৰভিউৰ বাবে মাক-জীয়েকৰ অত সাজোন-কাচোনৰ অৰ্থ কি ?

এটি অবুজ দৃষ্টিৰে বৰুৱাই তেওঁলোকলৈ নিৰীক্ষণ কৰিলে।

'মদনৰহে ইণ্টাৰভিউ, তুমি আৰু অণু যাব লাগিছে কিয় ?'

'অনিলে লিখিছে, ইণ্টাৰভিউ লোৱা অফিচাৰজন পঞ্জাৱী। হলেও ভদ্ৰলোক। অনিলৰ সৈতে বেছ জনাশুনা আছে। তেওঁ আৰু কৈছে ইণ্টাৰভিউৰ অ গেয়ে লগ ধৰি আহিব পাৰিলে ভাল হয়। যদি এবাৰ কথা ক'লেই চাকৰিটো হৈ যায়, এবাৰ অফিচাৰজনক দেখা কৰানো কি বেয়া হব। ঘৈণীয়েকৰ ভৱিষ্যতে কিছু জোৰকৈ ধৰিবও পৰা যাব।

'এই কথাৰ বাবে তুমি গলেইতো যথেষ্ট। অণু যোৱাৰ আৱশ্যক কি ?'

"'এনেয়ে ওলাইছে। গুৱাহাটীত বোলে ভাল নতুন চিনেমা

এখনো আছিছে। তাই চাবলৈ ইচ্ছা কৰিছে। নহলে এনে সুবিধা সততে ক'ত পাব ?'

'কিন্তু ?'

'অ'—খৰচৰ কথা আপুনি ভাবিব নালাগে। অনিলে মাতিছে যেতিয়া তেৱেঁই দেখুৱাব নিশ্চয়।'

'মই অকল খৰচৰ কথা ভবা নাই—'

'তেন্তে থকাৰ কথা ? কিয়, তাত অনিলৰ নিজা ঘৰ আছে নহয়। এটা ৰাতিহে, কোনোমতে থাকি আহিব পৰা যাব।'

'হলেও কথাটো মই পছন্দ কৰা নাই।'

'নকৰিব বুলি জানো। নিজৰটো একো সামৰ্থ্য নাই ; আনে কিবা সহায় আগ বঢ়ালেও হাত পাতি লব নোখোজে।'

'সেই বুলি আত্মসন্মান বিসৰ্জন দি…'

'আত্মসন্মানক সাবটি ধৰি থাকি ইমান দিনটো কটালেই। ইফালে এবাৰ লক্ষ্য কৰিছেনে, ঘৰখনৰ অৱস্থা কি হৈছে ? ডেকা ল'ৰা মদন, আৰু গাভৰু ছোৱালী অণু দুয়োৰো পিন্ধিবলৈ এযোৰ ভাল কাপোৰ পৰ্য্যন্ত নাই। আপুনি দেউতাক হৈ লাজ নিবাৰণৰ কাৰণে সেইখিনিও দিবলৈ অপাৰগ হৈছে।'

মালতীৰ কথাত বৰুৱাই একো নামাতিলে ; অৰ্থাৎ মাতিবলৈ একো সুযোগকে নাপালে। পদূলিমুখলৈ আগবাঢ়ি যোৱা মদনে মাকক চিঞৰি চিঞৰি মাতিলে 'মা, গুচি আহা ! নহলে গাড়ী নাপাবা। বুঢ়াৰ লগত কি পেংলাইখন পাতিছা ?'

মালতী গুচি গ'ল।

অণুৱে আগতেই মদনৰ লগত আগ বাঢ়িছিল। এটা ভ'ৰাক্ৰান্ত মন লৈ বৰুৱাই ডাৱৰে ঢকা নিস্তব্ধ আকাশখনলৈ লক্ষ্যহীন দৃষ্টিৰে চাই থাকিল।

পিচদিনা মালতী আৰু অণু গুৱাহাটীৰ পৰা উভতি আহিল। বৰুৱাই অণুলৈ এবাৰ চাইছিল—মুখখন দেখি তাইক অৱশ অৱশ যেন

লাগিছিল। চকু যোৰতো কিবা এক বেদনাৰ ছাঁ। হয়তো পৰৰ ঘৰত থাকি ৰাতি ভালকৈ টোপনি মাৰিব পৰা নাছিল। দেউতাকৰ চকুৰে চকুৰে পৰাত কিয় জানো তলমুৰ কৰি অণু কাষ-কাটি গ'ল। কাষ-কাটি গলেও অণুৰ পিঠি-ফালটো কিন্তু বৰুৱাৰ লক্ষ্য এৰাই যোৱা নাছিল। দেখিলে, অণুৰ গাত বেগুনীয়া ৰঙৰ এটি নতুন ব্লাউজ আৰু পাতল নীলা ৰঙৰ এখনি শাৰী।

'মদনে খুব সম্ভব চাকৰিটো পাব।' বৰুৱাৰ কাষত থিয় হৈ মালতীয়ে কলে। মালতীৰ কণ্ঠত যেন কিবা এটি বিজয়ৰ আত্মগৰিমা।

বৰুৱাই একো নকৈ অণুৰ নীলা ৰঙৰ শাৰী আৰু বেগুণীয়া ৰঙৰ হাত কটা ব্লাউজটোলৈ চাই থাকিল, 'যহে অণুৰ দেহটোৰ পূৰ্ণ অৱয়বটো পৰিস্ফুট কৰি তুলিছে।

মালতীয়ে বৰুৱাৰ মনৰ ভাব ধৰিব পাৰিছিল। কলে 'মদনক চৰকাৰে অহা-যোৱা খৰচটো দিছিল। তাৰেই অণুৱে কাপোৰযোৰ কিনি ল'লে। ময়েই লবলৈ ক'লোঁ। নহলে জানো ভদ্ৰ সমাজত ওলাব পাৰি?'

মদনে কিমান টকা অহা-যোৱাৰ বাবদ পালে, কিম্বা ব্লাউজ আৰু শাৰীৰ দামেই বা কিমান হব পাৰে বৰুৱাই তাৰ হিচাব গুণি নাচালে। তাহানিতে পঢ়া শুভংকৰী মৌখিক আজি তেওঁ পাহৰি গৈছে।

বৰুৱাই সিদিনা একো মন্তব্য দিয়া নাছিল। মাথোন বেৰত ওলমি থকা কেলেণ্ডাৰৰ ছবিখনৰ ৰঙচুৱা সুকযটোলৈ চাই থাকিল। শিল্পীয়ে সুকযটো মাৰ যোৱাকে বুজাইছে নে উদয় হোৱাকে বুজাইছে তেওঁৰ ক্ষীণ দৃষ্টিৰে অনুমান কৰিব নোৱাৰিলে।

তিনি দিন পিচত মদন গুৱাহাটীৰ পৰা উভতি আহিল। আহিয়েই দেউতাকৰ আগত মেলি দেখুৱালে নিয়োগ-পত্ৰখন।

'মই কৈছিলোঁ নহয় অণু, অফিচাৰজনে নিশ্চয় কথা ৰাখিব। তুইহে সন্দেহ কৰিছিলি। চা এতিয়া!' বিজয় গৰ্বত মালতীয়ে বৰুৱাই শুনা-শুনাকৈ কৈ উঠিল।

চাৰিদিন পিচত টালি-টোপোলা বান্ধি মদন নতুন চাকৰিলৈ বুলি যাত্ৰা কৰিলে। যোৱাৰ সময়ত দেউতাকক সেৱা এটি জনাবৰো প্ৰয়োজন বোধ নকৰিলে। মাথোন ক'লে 'যাওঁ দেউতা।'

বকৰাই তেতিয়া বাৰান্দাতে হেলনীয়া চকীখনত ভাব-লেশহীন দৃষ্টিৰে বহি আছিল। মাল পীয়ে উলাহেৰে পদূলিলৈ পুতেকক আগবঢ়াই থবলৈ গৈছিল হঠাৎ বকৰাই পিচৰ ফালে কাৰোবাৰ উচুপনি শুনি ফিৰি চাই দেখে অণুৰ দুচকুৰ পৰা দুধাৰি চকুলো বৈ আহিছে।

'তই কান্দিছ অণু।' বকৰাই সুধি পেলালে। ভাবিলে, বেচেৰীয়ে ককায়েকক বিদায় দিবলৈ বেজাৰ পাইছে।

দেউতাকৰ সম্মুখত বৈ থাকিবলৈ অণুৱে আৰু সাহস গোটাব নোৱাৰিলে। ভিতৰলৈ সোমাই গৈ বিছনাত পৰি বেছিকৈ উচুপিবহে ধৰিলে।

এক খহটা বস্তুৰ পৰশত বকৰাৰ ভাবৰ অঁত হেৰাই যায়। দুচকুৰে ওলাই খোজা চকুলোখিনি জোৰেৰে বাধা দি চিঠিখন আকৌ সম্মুখত তুলি ললে।

বকৰাই লাহে লাহে খামটো খুলি পেলালে। কেবা পৃষ্ঠাৰো এখন দীঘলীয়া চিঠি। যেন কোনো সাহিত্যিকে আলোচনীৰ সম্পাদকলৈ সুদীৰ্ঘ গল্প বা প্ৰবন্ধ এটিহে ক্ৰমশঃ প্ৰকাশ কৰিবলৈ পঠাইছে।

চিনাকি চিনাকি লগা আখৰবোৰ। প্ৰথমে আছে 'পূজনীয় দেউতা—'

'দেউতা·· !' আজি বহুদিন ধৰি দেউতা সম্বোধনেৰে কোনেও তেওঁলৈ চিঠি লিখা মনত নপৰে। মদন! এবা, মদন ঠিক পাচ বছৰ আগতেই গৈছিল মাজতে মাথোন এবাৰ ঘৰলৈ আহিছিল— অকলে নহয় লগতে, লগত ধুনীয়া পেছোৱাৰী ছোৱালী এজনী লৈ। উঠি আহিছিল স্কুটাৰ এখনত। পিচৰ ছিটত আছিল ছোৱালীজনী। আহি সিদিনাও মদনে দেউতাকক সেৱা কৰা নাছিল, কিম্বা কুশল বাতৰি সোধা নাছিল। পোনেই ঘৰৰ ভিতৰলৈ সোমাই গৈছিল দুয়োজনে।

বহু সময়ৰ পিচত মাথোন মালতীয়ে এবাৰ আহি চাহ একাপ দিয়াৰ চলেৰে কাষও ছোৱালীজনীক লৈ বৰুৱাৰ কাণত সৰু সৰুকৈ কৈছিল—

'দিল্লীত থাকোঁতে মদনে এই ছোৱালীটী হেনো বিয়া কৰালে।'

বৰুৱাই চকু তুলি ছোৱালীজনীৰ কপালত থকা সেন্দুৰৰ ফোটটোলৈ এবাৰ চাই আকৌ তলমূৰ কৰিলে।

ছোৱালীজনীয়ে বৰুৱাৰ ভৰি চুই সেৱা কৰিলে। অজ্ঞাতসাৰে বৰুৱাৰ হাতখন ছোৱালীজনীৰ মূৰত ব'ল।

'অ' আপুনি দেখোন একো নকলে।' মালতীয়ে সুধিলে।

'কি কম ?'

'বিয়াৰ কথাটো।'

'এবাৰ বিয়া কৰাই আনিছে যেতিয়া মোৰ কব লগাই বা আছে কিটো !'

বৰুৱাই এটা হুমুনিয়াহ পেলালে।

'দেউতা !' আধাভঙা অসমীয়াত ছোৱালীজনীয়ে কিবা যেন কব খুজিছিল।

'ভিতৰলৈ যোৱা আই !'

বৰুৱাই এষাৰ কথাৰেই দ্বন্দ্ব-ধুৰ বিষয় এটা এনেদৰে সমাধান কৰি দিয়াত মালতীয়েও কম আচৰিত নোহোৱাকৈ থকা নাছিল।

বৰুৱাই এনেয়ে এবাৰ চিঠিখনৰ পাতকেইটা লুটিয়াই চালে। কোনো লিখকৰ নাম নাই। বোধহয় আধা লিখা হৈয়ে ব'ল। আখৰবোৰ বিশৃঙ্খল। হয়তো অতি খৰখেদা গতিত লিখা। তথাপি বৰুৱাৰ বুজাত পলম নহল যে এয়া অণুৰেই আখৰ।

বৰুৱাৰ মানস-পটত ভাহি উঠিল অণুৰ মৰম-সনা তাহানিৰ সেই মুখখনি। হাজাৰ হলে অণু তেওঁৰ ছোৱালী। অভিমান কৰি তাই ঘৰৰ পৰা ওলাই যোৱা নাই। গৈছে, ঘৰত থকা প্ৰাণী কেইটাক জীয়াই ৰখাৰ এটি পথ বিচাৰি। এজনী ছোৱালীৰ আয়ৰ ওপৰত নিৰ্ভৰ কৰি এখন ঘৰ বৰ্ত্তি থকাটো সহজ কথা নহয়। আৰু আয়েই

বা কিটো ? কোনো প্ৰাইভেট কোম্পানীৰ ফাৰ্ম এখনত কাম কৰে। কেতিয়াবা অকস্মাতে উৰণীয়া পখীৰ দৰে ঘৰলৈ আহে অকণমান জিৰণিৰ বাবে। তাইৰ ক্লান্ত মুখখনলৈ চাবলৈ সাহস নহয়। এৰাত্ৰি বা এবেলা থাকি আকৌ গুলাই যায়। বৰুৱাই নিজৰ দুৰ্বল আৰু দুৰ্বহ শৰীৰটোৰে কোনো দিনে এইবোৰ পৰ্য্যালোচনা কৰি চোৱা নাই। অণুৰ দুখত সমবেদনা জনাবলৈ যেন তেওঁ অক্ষম। মাতৃহীনা এই ছোৱালীজনীৰ বাবে তেওঁ একো কৰিব নোৱাৰিলে। অগত্যা নিজৰ পথ নিজেই বাচি লৈছে। তাৰ বাবে তাইৰে বা দোষ কি ?— বৰুৱাৰ নিজকে নিজে দোষী দোষী যেন লাগে।

চচমাযোৰ উলিয়াই বৰুৱাই চিঠিখনৰ বিশৃঙ্খল আখৰবোৰ যুকিয়াই লৈ পঢ়িবলৈ চেষ্টা কৰিলে।

নাই—চকুৰ আগত আখৰবোৰ জিলিমিলি কৰিব ধৰিছে। পুৰণি চচমাযোৰেও চকুৰ হেৰোৱা দৃষ্টিশক্তিখিনি ঘূৰাই আনিব পৰা নাই।

'আপুনি আখৰবোৰ পঢ়াত কিবা অসুবিধা পাইছে নেকি ?"

কাৰোবাৰ কোমল মাতত বৰুৱা যেন অলপ চক খাই উঠিল। তেতিয়াহে অনুভব কৰিলে যে, এগৰাকী ভদ্ৰমহিলাই এই চিঠিখন বৈ আনিছিল আৰু ইমান সময় তেওঁ তেওঁৰ কাষতে বৈ আছে।

'এৰা, চচমা পিন্ধিও যে পঢ়িব নোৱাৰা অৱস্থা হৈছে। ইমান দিন মনেই কৰা নাছিলোঁ।' বৰুৱাই হতাশৰ সুৰত ক'লে 'যদি আপুনিয়ে অনুগ্ৰহ কৰি মাতি শুনায়—'

ভদ্ৰমহিলা গৰাকীয়ে প্ৰথমে ব্যক্তিগত চিঠি বুলি পঢ়িবলৈ আপত্তি কৰিলে। কিন্তু বৰুৱাৰ অনুৰোধ এৰাব নোৱাৰিলে। পঢ়িব ধৰিলে—

'পূজনীয় দেউতা,

প্ৰথমেই অভাগিনীৰ সেৱা গ্ৰহণ কৰিব। মোৰ এই ক্ষুদ্ৰ জীৱনৰ কালছোৱাত আপোনালৈ লিখা এইখনেই প্ৰথম চিঠি—হয়তো শেষো। নাজানো আপোনাক দেউতা বুলি সম্বোধন কৰিব পৰা মোৰ কিবা অধিকাৰ আছে নে নাই। তথাপি আপোনাৰ কন্যা বুলি স্বীকৃতি

দি এই চিঠিখন এবাৰ পঢ়ি চাবলৈ অনুৰোধ কৰিলোঁ।' যেনে-তেনে পঢ়িব বুলি দাবী কৰিব মই নোখোজোঁ।

আপুনি আমাক আধুনিক সভ্য সমাজৰ লগত খাপ খুৱাই লব পৰাকৈ উপযুক্ত কৰি গঢ়ি তুলিব নোৱাৰা বুলি মাই মাজে মাজে আপোনাৰ প্ৰতি কৰা বক্ৰোক্তিবোৰ কেবাদিনো বেৰৰ আঁৰৰ পৰা শুনিছিলোঁ। ককাইদেৱেও মাৰ সুৰতে সুৰ মিলাই আপোনাক কঢ় ব্যৱহাৰ কৰিছিল। আপুনি কিন্তু কোনো বাদ-প্ৰতিবাদ কৰা নাছিল। মাই আমাৰ আগত কৈছিল, আপুনি হেনো অকামিলা অসমৰ্থ। মই কিন্তু জানিছিলোঁ, পেন্সনৰ সামান্য দুশ টকাৰে পৰিয়াল এটিৰ ভৰণ-পোষণ দিয়াতো কেতিয়াও সম্ভৱ নহয় আৰু জানিছিলোঁ, প্ৰকৃতপক্ষে আপুনি সংসাৰী মানুহ নাছিল। পৰিস্থিতিয়ে আপোনাক সংসাৰৰ প্ৰতি টান নিছিল। ফলত আপোনাৰ বাবে ই হৈ পৰিছিল এখন ভালুকৰ সাঙী।

দেউতা, আপোনাক কোৱা কথাবোৰ দৰ্শনৰ কথা যেন লাগিব পাৰে। গাৰ্গী কিম্বা মৈত্ৰেয়ীৰ দৰে মই ব্ৰহ্মবাদিনী নহওঁ। কিম্বা খনাৰ দৰে ভূত ভৱিষ্যৎ নিৰ্ণয় কৰিব পৰা ক্ষমতাও মোৰ নাই। তথাপি কেনেকৈ মোৰ জন্মৰ পূৰ্বৰ কথবোৰ জানিলোঁ সেইবোৰ কোৱাতো সমীচীন বুলি মই নাভাবোঁ ‥ ‥।'

সচা কথা, অণু গাৰ্গী, মৈত্ৰেয়ী কিম্বা খনা নহয়। গাৰ্গীৰ দৰে ব্ৰহ্মৰ ওপৰত কি আছে তাক জনাৰ মানস তাইৰ নাই। মৈত্ৰেয়ীৰ দৰে য'ত অমৃত নাই তেনে অনিত্য সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধা দেখুৱাবলৈও তাই বাজি নহয়। আকো তাই খনাও নহয় যে জ্যোতিষ বিদ্যাৰ বলত আকাশৰ নক্ষত্ৰ গণনা কৰিব, অথবা কোনজনী গাইৰ কোনটো দামুৰী তাক নিৰ্ণয় কৰিব পাৰিব। ই যে জীয়া সত্যৰ কাহিনী।— বহু কথাই হয়তো তাই নাজানে—'

ৰমেশ বৰুৱাৰ মনটো বিগত পঁচিশ বছৰৰ কোনো এক ভাব-ৰাজ্যলৈ হঠাতে ৰকেটৰ দৰে উৰি গ'ল।

অণুৱে ঠিকেই কৈছে। ৰমেশৰ দৰে মানুহে বিয়া কৰোৱাই উচিত হোৱা নাছিল। সৰুৰে পৰাই সি আছিল সংসাৰৰ প্ৰতি উদাসীন। পৰাপক্ষত জন-সমাবেশৰ পৰা এৰাই ফুৰিব বিচাৰিছিল। লগৰ বন্ধু সকলে দাৰ্শনিক বুলি জোকাইছিল। কলেজতো দৰ্শন পঢ়িছিল। তাৰ দাৰ্শনিক মনটোৱে আজিও গম নাপায় সংসাৰ কেনেকৈ চলে।

চাকৰিত সোমোৱাৰ পিচত কেবাবাৰো তাৰ বিয়াৰ কথা উঠিছিল। সি সকলোবোৰ প্ৰস্তাব উৰাই দিছিল। কৈছিল 'মই বিয়া কৰালে কোনোবাদিনাখন ছোৱালীয়েই মোক পৰিত্যাগ কৰি গুচি যাব।' তথাপি মালতীৰ দৰে এজনী ছোৱালী তাৰ জীৱনলৈ কেনেকৈ আহিল এই কথা অনেকে নাজানে—অণুৱেও নাজানে।

ৰমেশে বিয়া নকৰোৱাৰ একেবাৰে স্থিৰ সিদ্ধান্ত লৈছিল। ঘৰৰ আপোন বুলিবলৈ কোনো নথকা বাবে এই সিদ্ধান্তই আত্মীয়-স্বজনক হতাশ কৰিছিল। আক্ষেপ কৰিছিল বৰুৱা-পৰিয়ালৰ বংশ লোপ পাব বুলি।

এনেতে এজন ডেকা শিক্ষক সেই একেখন স্কুললৈ আহিল চাকৰি কৰিবলৈ। মানুহজন সৰবৰহী আছিল। অলপ দিনৰ ভিতৰতে দুয়োৰো ভিতৰত বন্ধুত্ব গঢ়ি উঠিল। বন্ধুৱে এদিন ঘৰলৈ ভাত খাবলৈ মাতিলে ৰমেশক। বন্ধুত্বৰ খাতিৰত এবাৰ নোৱাৰি ৰমেশ বন্ধুৰ আলহী হল গৈ। বন্ধুৰ ঘৰ তেওঁলোকৰ পৰা প্ৰায় তিনি মাইল দূৰত। বন্ধু-পৰিয়ালে ৰমেশক আদৰ-অভ্যৰ্থনা জনালে। ভাত-পানী খাওঁতে কিছু ৰাতি হ'ল। গতিকে আহিবলৈ নিদি তেওঁলোকৰ ঘৰতে শোৱাৰ ব্যৱস্থা কৰি দিলে। সহজ সৰল ভাবে ৰমেশেও ৰাতিটো কটোৱাটোকে থিৰাং কৰিলে। যথা সময়ত তাৰ বাবে নিৰ্দিষ্ট কৰি থোৱা বিছনালৈ গ'ল।

'টক্ টক্' দুৱাৰত কোনোবাই টুকুৰিয়াইছে।

'কোন?' ৰমেশে সুধিলে।

'শুলেই নেকি? দুৱাৰখন খোলকচোন!'

নাৰীৰ কণ্ঠস্বৰ যেন লাগিল ৰমেশৰ।

এই ৰাতি নাৰী!

ৰমেশে গৈ দুৱাৰখন খুলি দিলে।

সচাকৈয়ে এটি নাৰীমূৰ্ত্তি সোমাই আহিল।

ৰমেশে নিষ্প্ৰভ লেমটো পুনঃ জ্বলাই দিলে। কোঠাটো পোহৰ হৈ উঠিল। দেখিলে এজনী গাভৰু ছোৱালী। বোধহয় কাষৰ কোঠালিটোত এৱেঁই পড়ি আছিল। প্ৰসাধনৰে আৱৰা মুখখনৰ আচল বৰণটো কি ধৰিব পৰা হোৱা নাছিল। দেহৰ গঠনটো সিমান বেয়া নহয়—লাহী। মুখখন দীঘল, কমনীয়তা আছে। ধেনুভিৰীয়া চেলাউৰিৰে চকুযুৰিও মোহলগা।

'তুমি!'......অপ্ৰস্তুত হৈ ৰমেশে কলে।

'লেমটো ইমানকৈ জ্বলাই দিলে কিয়? পোহৰ এতিয়া ভাল নালাগে।' ছোৱালীজনীয়ে নিজেই লেমটোৰ ফিটাদাল কোচাই দিলে।

'মই ৰাতি ইয়াতে থাকিলে আপোনাৰ কিবা অসুবিধা হব নেকি দুৱাৰৰ খিলিটো আকৌ লগাই দি ছোৱালীজনীয়ে ক'লে।

'মানে?'

চমকি উঠিল বকুৱা। ছোৱালীজনীয়ে কয় কি? এজনী জীয়া গাভৰু, সিও অচিনা। ইফালে নিজম ৰাতি। তদুপৰি বিছনা একেখন। কৈছে ইয়াতে থাকিব। তেওঁ সপোন দেখা নাইতো? হতবাক হৈ ছোৱালীজনীৰ মুখখনলৈ আকৌ এবাৰ চালে। ছঁয়াময়া আন্ধাৰত দেখা পালে তাইৰ চকুৰ কোণত কিবা যেন এক আদিম আসক্তি।

গল্প উপন্যাসত বহুতো কাহিনী পঢ়িছে। থিয়েটাৰ চিনেমাতো দেখিছে যিবোৰ সমাজৰ বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি। কিন্তু আজিৰ দৰে উকা-বাস্তৱ ঘটনা শুনা নাই, পঢ়া নাই, কিম্বা দেখা নাই সন্মুখীন হোৱাতো দূৰৰ কথা।

ছোৱালীজনীয়ে দুৱাৰখন জপাই দিলত ৰমেশৰ বুকুখন কিবা যেন.

এক অজান আশংকাত কঁপিব ধৰিলে। এতিয়া যদি ঘৰৰ কোনোবাই কথাটো গম পায় তেওঁৰ সন্মানেই বা থাকিব ক'ত ?

ৰমেশে লেমটো আকৌ জ্বলাই দিলে।

'তুমি নিজৰ বিছনা এৰি আহিলা কিয় ?'

'ভয় লাগে।'

'আনদিনাখন তেনেহলে ক'ত থাকা ?'

'লগত সৰু ভনীজনী থাকে। তাই আজি ভিনিহীদেউৰ ঘৰলৈ গৈছে '

'ভয় লগা কথা ঘৰৰ মানুহৰ আগতে নকলা কিয় ?'

'তেতিয়া মন কৰা নাছিলোঁ। ৰাতি বেছি হৈ অহাৰ লগে লগেহে অনুভব কৰিলোঁ কথাটো।'

'তেনেহলে মাৰাক জগাই সিটো কোঠালৈ যোৱাগৈ।'

'আপোনাৰ ইয়াতেই বা অসুবিধাটো কি ? বিছনাখনটো একেবাৰে সৰু নহয়। কেতিয়াবা ভিনিহী আৰু বাইদেউ একেলগে আহিলে দেখোন এইখনতে থাকে।' কথাৰ লগে লগে ছোৱালীজনী বিছনাত বহি পৰিল।

কি কব ৰমেশে ভাবি আছিল। কিন্তু তাৰ আগতে ছোৱালী জনীয়েই কলে।

'আপুনি বৰ ভীৰু। এজনী গাভৰু ছোৱালীক এৰাতিৰ বাবেও লগত ৰাখিবলৈ সাহস কৰিব নোৱাৰে। ভয় নাই। মই বাঘ নহওঁ যে খাই পেলাম।—ৰবকৈ টোপনি ধৰিছে, মই শুলোঁ।

ছোৱালীজনী সচাঁকৈয়ে শুই পৰিল। একেবাৰে চিত হৈ।

তাইৰ ওফন্দি উঠা উন্নত যৌৱনটোৱে ৰমেশক প্ৰলুব্ধ কৰিব নোৱাৰিলে। সি অন্তৰত সাহস গোটাই ললে।

'নহয়, তুমি ইয়াত থাকিব নোৱাৰা। ৰাতিপুৱা মানুহে দেখিলে মোৰ সন্মানটোৱে বা থাকিব ক'ত ?'

'ৰাতি পুৱালৈ ভয় নকৰিব। কাউৰীয়ে কা কৰাৰ আগতেই ইয়াৰ পৰা গৈ মোৰ বিছনাত শুই থাকিম।'

'নহয়, তুমি যোৱা মোক বিৰক্ত নকৰিবা।'

'একো বিৰক্ত নকৰোঁ আপোনাক। আহক, শান্ত লবাৰ দৰে আপুনিও শুই থাকক।'

ছোৱালীজনীয়ে ৰমেশক হাতখনত ধৰি বিছনালৈ আকৰ্ষণ কৰিব খুজিলে। চকু-মুখত তাইৰ আত্মসমৰ্পনৰ আকুলতা।

'হাত এৰি দিয়া। মই এতিয়াই ককায়েৰাক মাতি দিম।' ৰমেশে হাতখন আজুৰি আনিলে।

'আপুনি মোক নিৰাশ নকৰিব।' এৰাই যোৱা ৰমেশৰ হাতখনত ধৰি ছোৱালীজনীয়ে ৰমেশক কলে।

ছোৱালীজনীৰ হাতৰ পৰশত ৰমেশে অনুভৱ কৰিলে, তীব্ৰ বাসনাত তাইৰ মাতত এক জড়তা, চকুত আকুলতা আৰু দেহত এক কম্পনৰ সৃষ্টি হৈছে।

ছোৱালীজনীৰ বুকুৰ পৰা চাদৰখন লাহে লাহে সুলকি পৰিল। ব্লাউজটোও আধাখোলা হৈ গ'ল।

'আঁতৰি যোৱা ইয়াৰ পৰা।' ডিঙিত সাবটি ধৰিবলৈ উদ্যত হোৱা ছোৱালীজনীৰ দেহটো জোৰেৰে ঠেলা মাৰি দিলে ৰমেশে। ছোৱালীজনী টেবুলৰ খুৰা এটাত খুন্দা খাই উফৰি পৰি গ'ল।

'আই ঔ'—হঠাতে এক চিঞৰ!

অলপ পিচতে কোনোবাই দুৱাৰত ঢকিয়াব ধৰিলে।

'কি হৈছে মালতী, কি হৈছে? দুৱাৰ খোল!' বাহিৰত কাৰোবাৰ ব্যগ্ৰ কণ্ঠস্বৰ শুনা গ'ল।

ৰমেশেই দুৱাৰখন খুলি দিলে। লগে লগে ঘৰৰ কেবাজনো লোক কোঠাটোৰ ভিতৰলৈ সোমাই আহিল।

নিষ্প্ৰভ পোহৰৰ মাজত এজনী আবৰণহীনা ছোৱালী। সকলোৱে দেখিলে, ছোৱালীজনীৰ কপালৰ পৰা তেজ বৈ আহিছে। ব্লাউজটোও ফটা পৰি গৈছে।

ৰমেশ ইমানে অপ্ৰস্তুত আৰু কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছিল যে,

মুহূৰ্ত্ততে কি ঘটি গ'ল সি কবই নোৱাৰিলে। মাথোন মনত পৰে, ছোৱালীজনীৰ মাক আৰু দেউতাকে তৎক্ষণাৎ হুৱা-হুৱা লগাই দি ওচৰ চুবুৰীয়াক মাতি আনি কলে—সি হেনো তেওঁলোকৰ আজলী ছোৱালীজনীক কোঠালৈ মাতি আনি পাশৱিকতা চলাবলৈ খুজিছিল।

সিদিনা কোনেও তেওঁৰ পৰা কৈফিয়ৎ নিবিচাৰিলে। পিচদিনা ছোৱালীজনীৰ লগত ৰমেশৰ বিবাহকাৰ্য্য সম্পাদন হ'ল—ৰমেশৰ অনিচ্ছা স্বত্বেও জোৰপূৰ্বক।

বহুদিন পিচত ৰমেশে বুজিব পাৰিছিল যে, ই বন্ধু গৰাকীৰ পূৰ্বকল্পিত ষড়যন্ত্ৰহে। কিন্তু তাৰ প্ৰতিষেধক ব্যৱস্থা তেতিয়া আৰু নাছিল।

মালতী নামৰ এই ছোৱালীজনীয়েই আজি অণুৰ মাক—তেওঁৰ সহধৰ্মিনী।

'আপুনি কিবা চিন্তা কৰিছে—'

'অ' কি পঢ়িছিলা আকৌ পঢ়াচোন।' হঠাতে আত্ম-সম্বিৎ ঘূৰাই পাই বৰুৱাই ভদ্ৰমহিলা গৰাকীক অনুৰোধৰ সুৰত কলে।

'আপুনি…'

'এৰা মাজতে কিবা-কিবি অতীতৰ স্মৃতিবোৰ আহি শুনাত ব্যাঘাত জন্মাই গ'ল।'

'কোনখিনিৰ পৰা, নে শুৰিৰে পৰাই আকৌ আৰম্ভ কৰিম?'

'শুৰিৰে পৰা নালাগে। কি যে সেই গাৰ্গী মৈত্ৰেয়ীৰ কথা আছে তাৰ পিচৰ পৰা পঢ়া।'

'শুনক!'

ভদ্ৰমহিলা গৰাকীয়ে পুনৰ পঢ়ি যাব ধৰিলে—

……

'…দেউতা জানো আপুনি ভোলানাথ পুৰুষ। সেয়েহে সকলো বিষ নীলকণ্ঠৰ দৰে হজম কৰি লব পাৰিছে।

স্কুলত পঢ়োঁতে শিক্ষকে উপদেশ দিছিল—পিতৃ-মাতৃৰ দোষ

সমালোচনা কৰা সন্তানৰ কৰ্ত্তব্য নহয়। কথাষাৰ হয়তো সচাঁ। কিন্তু আমাৰ মাৰ বাবেই মই তাৰ ব্যতিক্ৰম হব লগা হ'ল। বঙালী ভাষাৰ কোনো এখন কিতাপত পঢ়া এগৰাকী মহাপুৰুষৰ বাণী এটি আজিও মনত পৰে,—

'স্বামীৰ প্ৰতি টান যেমনি
ছেলেও জীৱন পায় তেমনি।'

স্বামীৰ প্ৰতি, অৰ্থাৎ আপোনাৰ প্ৰতি মাৰ কোনো টান বা ভক্তি নাছিল। তেওঁ আছিল আধুনিকতাৰ অনুসৰণৰ উৎকট সমৰ্থক। লাহ-বিলাহৰ খৰচ পূৰাবলৈ আনকি ধনী ঘৰৰ ডেকাৰ লগত অবাধে ঘূৰি ফুৰিছিল, চিনেমা চাইছিল, ৰেষ্টোৰাত চাহ খাইছিল। কেতিয়াবা কাৰ্বোবাৰ মটৰ গাড়ীত উঠি ক্লাবলৈ গৈছিল।

এইবোৰ কথা মই অৱশ্যে পিচত শুনা।

আপোনাৰ দৰে ৰক্ষণশীল মানুহ এজনৰ বা মধ্যবিত্ত পৰিয়ালৰ চাৰি শ টকা বেতনৰ চাকৰিয়াল এজনৰ আধুনিকা স্ত্ৰীয়ে নিজৰ স্বামীৰ প্ৰতি ভক্তি ৰাখিব নোৱাৰাতো একো আচৰিত নহয়।

এদিন কোনোবা চহৰীয়া ডেকাৰ লগত চিনেমা চাই উভতি অহাত আপুনি মাক আত্মসন্মানৰ দোহাই দি ভবিষ্যতে তেনেভাবে মুকলি-মূৰীয়াকৈ নুফুৰিবলৈ সাবধান কৰি দিছিল। মাই হেয়-জ্ঞানেৰে কৈছিল 'সাধাৰণ স্কুল মাষ্টৰৰ আত্ম-সন্মান একো নাই। যাৰ গোটেই মাহৰ বেতন লগ লগালেও ঘৈণীয়েকক এযোৰ ভাল কাপোৰ কিনি দিয়াৰ সামৰ্থ্য নাই, তেওঁৰ উপদেশ দিয়াৰো কোনো অধিকাৰ নাই।'

এইষাৰ কথা মই নিজ কাণেৰেই শুনিছিলোঁ। মোৰ বয়স তেতিয়া আঠ বছৰমান। মাই চিনেমা চাই উভতি অহাৰ সময়ত মই শুই আছিলোঁ আৰু আপোনালোকৰ কথা শুনিবলৈ পাইছিলোঁ।

আপুনি সিদিনা নিশা মনৰ বেজাৰত ভাত খোৱা নাছিল। ময়ো খোৱা নাছিলোঁ। মাই বোধহয় ৰেষ্টোৰাতে পেট পূৰাই খাই আহিছিল।

এনেকুৱা স্বামী-বিমুখা নাৰীৰ গৰ্ভত কি সন্তান জন্মিব পাৰে আপুনি নিশ্চয় জানে। সেইবাবে ককাইদেউৰ চৰিত্ৰত আচৰিত হ'ব লগা একো নাই। তেওঁ মাৰ সম্পূৰ্ণ প্ৰতিচ্ছবি। চেহেৰাতো মাৰ লগতে তেওঁৰ সাদৃশ্য আছে।

সেই সময়তে আমাৰ ওচৰৰে চৰকাৰী দলংখনৰ নিৰ্মাণৰ কাম চলিছিল। আপোনাৰ বোধহয় মনত আছে। আৰু মনত আছে নিশ্চয়, অনিল দাসেই আছিল সেই দলঙৰ ঠিকাদাৰ। ককাইদেউৰ লগত তেওঁ এদিন আমাৰ ঘৰলৈ আহিছিল। ককাইদেউতকৈ তেওঁ বয়সত বহুতো ডাঙৰ আছিল। ককাইদেউৱে দাসক আমাৰ আটাইৰে লগত চিনাকি কৰি দিছিল। সিদিনা তেওঁক চাহ একাপ দিবলৈ গাখীৰ অকণো যোগাৰ কৰিব নোৱাৰি নেমুটেঙাৰ চৰবত এগিলাচ যচা হৈছিল। মানুহজন আছিল সৰবৰহী। দেখা তা ধুনীয়া! টেৰেলিনৰ চাৰ্টৰ পকেটৰ ওপৰৰ ফাঁকেদি পাৰিব দৰে নোটৰ চুক এটা সদায় জিলিকি আছিল। আপোনাৰ সৈতেও দাসৰ চিনা পৰিচয় হৈছিল। কিন্তু অনুমান কৰিছিলোঁ আপোনাৰ সৈতে কথা পাতি তেওঁ যেন বৰ ভাল পোৱা না'ছিল। জুখি জুখি কোৱা আপোনাৰ কথাবোৰে তেওঁক আমনি দিছিল। ককাইদেৱে কথাটো লক্ষ্য কৰিছিল। চকুৰ ঠাৰেৰে মাক ভিতৰলৈ মাতি নি কৈছিল —'দাস নতুনকৈ ইয়ালৈ আহিছে। ধনী মানুহ। ঘৰ এটা লাগে। অন্ততঃ ছয় মাহৰ বাবে—দলংখন সম্পূৰ্ণ নোহোৱা পৰ্য্যন্ত। আমাৰ চ'ৰাঘৰটোকে দিয়া যাওক।'

আপোনাৰ সমুখতে অনিল দাসক এই প্ৰস্তাৱটো দিবলৈ মাই অলপ সংকোচ বোধ কৰিছিল, জানোচা আপুনি কিবা আপত্তি কৰে।

মাই সদায় আৰ্থিক লাভৰ ফালটো বিচাৰিছিল। সেইবাবে অনিল দাসক অকলশৰে লগ ধৰিবলৈ মন কৰিলে।

'অ' আপোনাৰ টিউচনলৈ যোৱাৰ সময় হ'ল নহয়। যাওক, আহকগৈ।'

মাই উপযাচি আপোনাক কৈছিল। কোৱাৰ কাৰণ আছিল আপোনাক এই পৰিবেশৰ পৰা আঁতৰাই ৰখা।

'আপুনি তেনেহলে টিউচনো কৰে?' অনিল দাসে সুধিছিল।

'কি কৰিব, পেন্সনৰ টকাৰে সংসাৰ নোযোৰে। ল'ৰা-ছোৱালী দুটিও ওলাব পৰা হোৱা নাই। খৰচৰ মাত্ৰা লাহে লাহে বাঢ়িহে গৈছে। গতিকে এটি টিউচন কৰিবলৈ লৈছোঁ।'

'কিমান পায়?'

অতি অভদ্র ভাবে অনিল দাসে এই প্রশ্নটো কৰিছিল। যেতিয়া আপুনি ত্রিশ টকা বুলি উত্তৰ দিছিল তেতিয়া তেওঁৰ মুখত এটি ভ্রূকুটিৰ হাঁহি ফুটি উঠিছিল। আপুনি লক্ষ্য কৰা নাছিল। মোৰ চকুত কিন্তু ধৰা পৰিছিল।

মা আৰু ককাইদেৱে চকু যোপাকৈ আপোনালৈ চাইছিল। নিজৰ অৱস্থাটো আনৰ আগত এনেকৈ উদঙাই দিয়াতো তেওঁলোকে পছন্দ কৰা নাছিল।

আপুনি বেয়া নাপাব দাস, এখেত টিউচনৰ পৰা আহক। পৰীক্ষাৰ সময় নহয়, ঠিক সময়ত টিউটৰ নগলে গৃহস্থই বেয়া পায়। এখেত যাওক। এদিনীয়াকৈ আহিছে, আপুনি বহক। আমাৰ ভিতৰতে কথা পাতোঁ।'

মাই কথাষাৰ এনেভাবে কৈছিল, যেন আপুনি বাধ্য হৈ তাৰ পৰা উঠি যায় আৰু দাসে নোযোৱাকৈ বহি থাকে।

মাৰ কথাষাৰ নিশ্চয় আপুনি সহজ ভাবেই লৈছিল। কৰ্ত্তব্য সোৱঁৰাই দিয়াৰ বাবে হয়তো মাক সিদিনা আপোনাৰ ভাল লাগি গৈছিল।

দাসক এষাৰ মাত দি আপুনি উঠি গৈছিল।

আপুনি যোৱাৰ পিচত মা, ককাইদেউ আৰু অনিল দাসৰ মাজত কিবোৰ আলোচনা হৈছিল মই শুনা নাছিলোঁ। বহু কথা ইঙ্গিতেৰেই চলিছিল। মই ভিতৰত আছিলোঁ। মানুহ জন বহু সময় বহি

আছিল। এবাৰ কি কাৰণত মই ওলাই আহোঁতে দেখিলোঁ তেওঁ যাবলৈ থিয় হৈছে।

'তেনেহলে কাইলৈ মোৰ বিছনাপত্ৰ লৈ আহিম।' যোৱাৰ সময়ত অনিল দাসে কোৱা এইষাৰ কথা আজিও মনত আছে।

'এওঁ ছয়মাহমান ইয়াতে থাকিব। আমাৰ চ'ৰাঘৰটোৰে এটি কোঠা ঠিক হ'ল। ত্ৰিশ টকাকৈ ভাৰা দিব।'

অনিল দাস যোৱাৰ পিচত মাই মোৰ আগত আলোচনাৰ বিষয়-বস্তুখিনি চমুকৈ ব্যাখ্যা কৰিছিল।

কথাষাৰ মই সিমান ভাল পোৱা নাছিলোঁ। মই কলোঁ 'এই ক্ষেত্ৰত দেউতাৰ এটা মতামত লোৱাৰ দৰ্কাৰ আছিল।'

'গুলি মাৰ দেউতাৰ মতামত।' ককাইদেউ গৰজি উঠিল।

মাই ক'লে দেউতাৰৰ অমত নিশ্চয় নহব। এনে ভিতৰুৱা গাওঁত ত্ৰিশ টকাকৈ ঘৰৰ ভাৰা লোৱা মানুহ ক'ত ওলাব? আকৌ আমিতো তেওঁক মূল ঘৰ ভাৰাত দিবলৈ ওলোৱা নাই। বাহিৰৰ ঘৰটোত পৰি থাকিব। কোনে কি কব? নেদেখিছ, টাউনবোৰত নিজৰ থকা ঘৰৰে একোটা অংশ ভাৰালৈ দি একোটা পৰিয়াল বৰ্ত্তি আছে।'

ৰাতি খোৱাৰ সময়ত মাই কথাষাৰ আপোনাৰ কাণ চুৱাইছিল। অনুমতিৰ বাবে নহয়। ঘৰৰ মানুহ, জনাব লাগে বুলি জনাই থৈছিল।

ৰাতি সিদিনা আমাৰ আহাৰ ভালেই হৈছিল। মাংসৰো যোগাৰ আছিল। আপুনি জনা নাছিল, আনকি ময়ো জনা নাছিলোঁ, ককাইদেৱে ইমানবোৰ বস্তু ক'ৰ পৰা সংগ্ৰহ কৰিলে। দোকানত যে বাকী নিদিয়ে এই কথাটো ঠিক। দোকানৰ আগৰ বাকীকে আমি শোধ কৰিব পৰা নাই। নতুনকৈ বাকী কৰিবলৈ যোৱাতো দুৰাশা। বাকী সাধিবলৈ অহা অনেকে চোতালতে কু-কথা কৈ গৈছিল। ত'ৰে বহু কথা আপুনিও শুনিছিল, ময়ো শুনিছিলোঁ। আনকি কাম কৰা ল'ৰা মধুৰেও শুনিব লগা হৈছিল। এদিন হেনো সি ভৰকৰ দোকানলৈ

কিবা আনিবলৈ যাওঁতে তাৰ আগৰ সেই পুৰণা বাকীৰ কথা উলিয়াইছিল।

মধুৱে কৈছিল 'মই সেইবোৰ নাজানো। দেউতাই ক'ব।'

'বাকী নিয়াৰ সময়ত সকলোৱে মালিক, ধাৰ শোধাবলৈ কোনো নাই। বাপেৰক কৈ দিবি, যদি টকা দিব নোৱাৰে জীয়েকক বন্ধক থৈ ধাৰ পৰিশোধ কৰকহি।'

ডম্বৰুই অতি নির্লজ্জ ভাবে এই কথাষাৰ কৈছিল।

মধু সাধাৰণ সৰু ল'ৰা। সংসাৰৰ মেৰপেচৰ কথা সি বুজি নাপায়। কথাষাৰ আহি মোক কৈছিল। আনৰ আগত এই কথা কৰলৈ মই তাক হ্মাক দিছিলোঁ।

পিচ দিনা ৰাতিপুৱা অনিল দাসৰ চাৰিজন মানুহ আহিল। চ'ৰাঘৰটো নতুনকৈ মেৰামত কৰোৱা হ'ল। ইকৰাৰ বেৰ হলেও অলপ-অচৰপ চুণ ঘহা হ'ল। আবেলি পালেং এখন, চকী-মেজ এযোৰ, সৰু আলনা এখন, চামৰাৰ চুটকেচ এটা আৰু আন আন আহিলাপাতি কিছুমান আহি ঘৰ সোমাল। লগত দাসো আহিছিল। বস্তুবোৰ ক'ত কিদৰে ৰাখিব তাৰ তদাৰক কৰিলে। মাই নিজেও ভিতৰলৈ গৈ বস্তু বাহানিবোৰ এবাৰ চাই ললে। আচবাববোৰ ঠিক-ঠাক কৰি দি মানুহ কেইজন গুচি গ'ল। দাসে বিছনা পৰা, টেবুল সজোৱা কামবোৰ অকলেই কৰি আছিল। মায়ো সহায় কৰি দিছিল।

মোৰ বেয়া লাগিছিল—বহু পৰ ধৰি মানুহজন পৰিশ্ৰম কৰি আছে, চাহ একাপ অন্ততঃ দিয়া দৰ্কাৰ। মই নিজে চাহ একাপ বনালোঁ।

'ছেঃ দিন দুপৰতে কিখন কৰে!' এই বুলি হঠাতে মাই কোঠাটোৰ পৰা বেগে ওলাই আহিছিল। ময়ো ঠিক সেই সময়তে চাহকাপ লৈ গৈছিলোঁ। দুৱাৰদলিত দুয়োৰো ভিতৰত খুন্দা লাগি চাহকাপ মোৰ হাতৰ পৰা পৰি গল। লগে লগে কাপটোও ভাগি থাকিল। মই

অপ্ৰস্তুত হৈ পৰিলোঁ। ভাবিলোঁ মাই ভালকৈয়ে বকিব ; কিন্তু একো নকলে। মাথোন কলে 'যা, নতুনকৈ বনাই আনগৈ।'

নতুনকৈ চাহ বনাবৰ বাবে গাধীৰ ঘৰত নাছিল। একো নকৈ মই থিয় হৈ ৰলোঁ। দাসে বোধহয় মোৰ মনৰ অৱস্থা উপলব্ধি কৰিব পাৰিছিল। হৰলিক্সৰ বটল এটা আগুৱাই দি কলে 'যোৱা ভালকৈ তিনি কাপ বনোৱাগৈ। মোৰ ইয়াত কাপ-প্লেট আছে। লাগিলে নিবা।'

'সকলো সময়তে সাবধানে চলা উচিত।'

মই ওলাই অহাৰ লগে লগে মাই কাবোবাক কোৱা শুনিলোঁ। কাক কলে ধৰিব নোৱাৰিলোঁ। মোক নে অনিল দাসক ?

দাসে পিচত বাহিৰ ওলাই গৈছিল। ৰাতি আমাৰ লগতে ভাত খালে।

দাস লাহে লাহে আমাৰ ঘৰৰে এজন হৈ পৰিল। ভাতো আমাৰ লগতে খাবলৈ ললে। মাথোন ভাতসাজ তেওঁৰ টেবুলত দি আহিব লাগে। কেতিয়াবা ৰাতি হলে মাই টেবুলতে ভাতৰ থালখন ঢাকি থৈ আহে।

মই লক্ষ্য কৰিছিলোঁ, আপুনি ঘৰত থকা সময়খিনিত অনিল দাসে প্ৰায়েই বাহিৰতে কটায়। আপুনি নথকা সময়ত আহে। মাৰ সৈতে হাঁহি-ধেমালি কৰি কিবোৰ যে কথা কয় কব নোৱাৰোঁ। কাৰণ মই দাসৰ কোঠালৈ নাযাওঁ। দাসেও কোনো দিনে তাৰ বাবে একো কোৱা নাই।

অনিল দাস অহাৰ পিচৰে পৰা মাই যেন লাহে লাহে বাংঢালীজনী হৈ পৰিল। ছুই এপদকৈ প্ৰসাধনৰ সামগ্ৰীও গোটাবলৈ ধৰিলে। মোকো মাজে মাজে দিয়ে। এবাৰ মাই নতুন পাটৰ ৰিহা-মেখেলা এযোৰ মোক দেখুৱালে।

'চাচোন, এইযোৰ দাসে দিছে। পছন্দ হব নে ?'

'মোৰ পছন্দৰ কথা কি আছে?'

'তথাপি—'

'বেয়া নহয় কাপোৰযোৰ। সেই বুলি আপুনি দাসৰ পৰা কাপোৰ লবলৈ গ'ল কিয়?'

'দিলে যেতিয়া ওভোতাই দিওঁৱেই বা কেনেকৈ? ইফালে দেখিছই, বাহিৰলৈ ওলাবলৈ হলে এযোৰ ভাল কাপোৰ নাই। সি যি কি নহওক, দেউতাৰক এই কথা নকবি।'

মই এই কথা আপোনাৰ আগত কোৱা নাছিলোঁ; কিন্তু ওচৰ-চুবুৰীয়াই হলে অতি সন্তর্পণে আমাৰ ঘৰৰ পৰিবৰ্ত্তনটো লক্ষ্য কৰি আছিল। লাহে লাহে সকলোৰে মাজত আমাক লৈ বু-বা লাগি পৰিছিল। এদিন মোৰ একে শ্ৰেণীতে পঢ়া কৰবীয়ে মোক তাইহঁতৰ ঘৰলৈ মাতি নি কৈছিলেই।

'তহঁতৰ ঘৰখন যে বাইজৰ মাজত এটা আলোচনাৰ বিষয় হৈছে কিবা গম পাৱ নে নাপাৱ?'

'কি হ'ল মই দেখোন একোকে নাজানো?'

'ঠিকাদাৰজনক তহঁতৰ ঘৰত থাকিবলৈ দিয়াতো উচিত হোৱা নাই। এইবোৰ কথা শুনি সিদিনা আমাৰ দেউতাই মাৰ আগত বৰ দুখ কৰিছে—হাজাৰ হওক, তহঁতৰ ঘৰখনৰ পুৰণা সম্ভ্ৰম এটা আছে। আজিও গাঁৱৰ প্ৰায়ভাগ মানুহে তহঁতৰ দেউতাৰৰ সন্মুখত মূৰ তুলি কথা ক'বলৈ সাহস নকৰে। সেয়ে কথাবোৰ খোলাকৈ প্ৰকাশ পোৱা নাই।'

'মোৰ কথাও কিবা ওলাইছে নেকি?'

'তোৰ কথা ওলোৱা নাই যদিও ওলাবলৈ কিমান পৰ।'

'তেনেহলে কিবোৰ তই ক'ব খুজিছ? খোলাকৈ কচোন কি কয় মানুহে।'

কৰবী অলপ বৈ গৈছিল। তাৰ পিচত লাহেকৈ কলে মাৰৰ বিষয়ে বহুতে বহুত কথাকে কয়।"

'মাৰ বিষয়ে······ ?

মই আৰু ভাবিব নোৱাৰিলোঁ। মুখটো আচল্লাই কৰিলে। ভৰিৰ পৰা মূৰলৈ অকস্মাতে গৰম হৈ আহিল। কপাল ঘামিব ধৰিলে। গোটেই পৃথিবীখন যেন ঘূৰিব ধৰিছে।

কিছু সময় পিচত অলপ সুস্থ অনুভব কৰিছিলোঁ। তথাপি গাটো বৰ দুৰ্বল দুৰ্বল যেন লাগি আছিল।

মই যাবলৈ উঠিলোঁ।

'বল, অলপ আগবঢ়াই থওঁগৈ ' কৰবীয়ে কলে।

দুয়ো পদূলিলৈ ওলাই আহিলোঁ।

'তই ভাই এইবোৰ কোৱাৰ বাবে বেয়া নাপাবি। নিজে অলপ সাবধানে চলিবি। হাজাৰ হওক, তোৰ এটা ভবিষ্যৎ আছে।'

এই বুলি সান্ত্বনা দি কৰবীয়ে মোক এৰা দিলে।

কৰবী যোৱাৰ অলপ পিচতে সিফালৰ পৰা ভাস্কৰ চাইকেলেৰে আহি সেইখিনি পালে। মোক নেদেখা ভাও ধৰি ভাস্কৰে কাষ-কাটি গুচি গ'ল। মোৰ বুকুখন ভাঙি যোৱা যেন লাগিল।

ভাস্কৰ কৰবীৰ ককায়েক। বি. এ. পঢ়ে। পূজাৰ বন্ধত ঘৰলৈ আহিছে। আগতে বন্ধত আহিলে আমাৰ ঘৰলৈ এবাৰ নহাকৈ নাছিল। ধীৰ-গম্ভীৰ ল'ৰা বুলি আপুনিও তেওঁক ভাল পাইছিল।

'এনে ল'ৰা এটা অণুৰ বাবে পোৱাহেঁতেন ···।' আপুনি হেনো এদিন মাৰ আগত এইষাৰ কথা কৈছিল। মাই কৈছিল কৰবীক। কৰবীয়ে এই কথা কৈ মোক ঠাট্টা কৰিছিল। মই খঙতে দুদিনমান কৰবীক মতা নাছিলোঁ। কৰবীয়ে জানিছিল, এইটো মোৰ মিছা ভেম। আচলতে মই ভাস্কৰক ভাল পাওঁ।

এই কথাটো প্ৰমাণিত হৈছিল ককায়েকৰ পকেটত কৰবীয়ে আবিষ্কাৰ কৰা মোৰ এখন চিঠিৰে। চিঠিখনত মোৰ নাম নাছিল। সাংকেতিক নাম দিছিলো 'শকুন্তলা'।

শকুন্তলা নামটোৰ এটা ৰহস্য আছে। এদিন মই আমাৰ শাক-

পাচলিৰ বাগিছা খনত লহপহকৈ বাঢ়ি অহা কবিৰ পুলি কেইটাত পানী দি আছিলোঁ। হঠাতে কাৰোবাৰ পদশব্দত ঘূৰি চাই দেখোঁ— ভাস্কৰ। এনে অৱস্থাত মই অলপ অপ্ৰস্তুত হৈ পৰিলোঁ।

'কণ্বমুনিৰ আশ্ৰমৰ একেবাৰে শকুন্তলাটো যেন দেখা গৈছে তোমাক।' ধেমালিতে ভাস্কৰে কৈ পেলালে।

সেই সূত্ৰতে চিঠিত মই শকুন্তলা উপনাম ব্যৱহাৰ কৰিছিলোঁ। হলেও শকুন্তলা কোন আবিষ্কাৰ কৰাত কৰবীৰ বেছি সময় নালাগিল। কাৰণ তাই মোৰ আখৰ চিনি পায়।

তাৰে দুদিনমান পিচত কৰবীয়ে মোক তাইহঁতৰ ঘৰলৈ মাতি নিছিল, আৰু ককায়েকৰ কোঠাতে মোক বহিবলৈ দি কিবা এটা ফাঁকি মাৰি ওলাই গৈছিল। বহু সময় গ'ল তাই অহা নাই। বৰ অস্বস্তি লাগিল। এনেতে ভাস্কৰ সোমাই আহিল। মোক দেখি তেৰোঁ অলপ অপ্ৰস্তুত হৈ পৰিল।

'অ অণু ··। কৰবী ক'লৈ গল?'

'আছে। এতিয়াই আহিম বুলি জানো ক'লৈ বা গ'ল?'

'তেনেহলে বহা। তোমালোকে কথা পাতা। মোৰ অলপ কাম আছে। চাহপানী নোখোৱাকৈ নাযাবা কিন্তু।'

ভাস্কৰৰ লংপেণ্টটো পিন্ধাই আছিল, হাৰাই চাৰ্টটো গাত সুমুৱাই ললে। মই লাজতে মৰি যোৱা যেন পালোঁ। টেবুলত পৰি থকা 'কোনো খেদ নাই' উপন্যাসখনৰ এনেয়ে পাত লুটিয়াব ধৰিলোঁ।

'কি, কিতাপ পঢ়াৰ অভ্যাস আছে নেকি?'

'পালে মাজে-সময়ে পঢ়োঁ।'

'তেনেহলে লৈ যোৱা বাৰু। পঢ়া হলে ওভোতাই দিবা। অ' নহয়, সেইখন নালাগে। অইন ভাল উপন্যাস এখন আছে, লৈ যাবা।' মই তলমূৰ কৰি থাকিলোঁ।

'কৰবী! কৰবী!' ভাস্কৰে ভিতৰলৈ চাই কৰবীক মাতিলে।

'গৈছোঁ ককাইদেউ!'

'বান্ধবীক অকলে বছৰাই থৈ ক'লৈ গলি? দুষাৰ কথাকেতো পাতিব পাৰ।'

'আপুনিতো আছে। আপুনিয়ে আলহীৰ লগত কথা পাতক। মই সোধ-পোচৰ ব্যৱস্থা কৰিছোঁ।'

'কি চাহ বনাব ধৰিছ নেকি? দে তেনেহলে মোকো একাপ।'

বুজিলোঁ ভাস্কৰে চাহ খাই যাব।

কোঠাটোত চকী এখন মাথোন আছিল। মই সেইখনতে বহি আছিলোঁ। তেওঁৰ সমুখত চকীত বহি থাকিবলৈ মোৰ বেয়াও লাগিল। এটা অস্বস্তি অনুভব কৰিলোঁ। মই থিয় হলোঁ।

ভাস্কৰে মোৰ মনৰ ভাব ধৰিব পাৰিছিল। কলে 'কোনো কথা নাই, বহি থাকা। মই বিছনাতে বহিছোঁ।'

ছুয়ো কিছু সময় কাৰো ফালে নোচোৱাকৈ মনে মনে ৰ'লোঁ। ভাস্কৰে আলমাৰীটো খুলি কিতাপ বিচাৰিব ধৰিলে।

তোমালোকে এতিয়া কেনেকৈ চলিছা? দেউতাৰাৰ অবসৰৰ পিচত নিশ্চয় অসুবিধাত পৰিছা। নহয় নে?' নিস্তব্ধতা ভঙ্গ কৰি ভাস্কৰে সুধিলে।

'অলপ অসুবিধা নোহোৱা নহয়।' চুটিকৈ মই উত্তৰ দিলোঁ।

'ছুবছৰমান হয়তো কষ্ট খাব লাগিব। পৰিস্থিতিৰ লগত খাপ খুৱাই চলিবলৈ চেষ্টা কৰিবা। ককায়েৰাৰ কিবা এটা সঙ্গতি লাগিলে নিশ্চয় কিছু সকাহ পাবা।'

'দেউতাই ভাবিছে, ককাইদেৱে কোনো ৰকমে হায়াৰ চেকেণ্ডাৰীটো পাছ কৰিলে ক'ৰবাত চাকৰিত সুমুৱাই দিব। তেতিয়া হলে চাকৰি কৰিও ৰাতিৰ কলেজত পঢ়িব পাৰিব; ইফালে আমাৰ ঘৰৰো সহায় হব।'

ভাস্কৰে আলমাৰীৰ পৰা এখন কিতাপ উলিয়াই মোলৈ আগ-বঢ়াই দিলে।

'লোৱা এইখন। সাহিত্য একাডেমীৰ পুৰস্কাৰ পোৱা কিতাপ। পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ কথা বঢ়িয়াকৈ প্ৰকাশ পাইছে।'

এনেতে কৰবীয়ে ছকাপ চাহ, লগত ছখনমানকৈ পিঠা আৰু নাৰিকলৰ লাৰু আনি টেবুলতে ৰাখিলে।

'চাহ দেখোন ছকাপহে। তই নাখাৱ নেকি?' মই কৰবীক সুধিলোঁ।

'আনিছোঁ বাৰু মোৰো। তইঁতে খাচোন।'

একাপ চাহ মই ভাস্কৰলৈ আগবঢ়াই দিলোঁ।

'খাওক।'

চাহ কাপ নিয়াৰ চলেৰে ভাস্কৰে এবাৰ মোৰ চকুলৈ চাইছিল। ময়ো চাইছিলোঁ। চাৰিচকুৰ মিলন হোৱাত নিজকে নিজকে লাজ লাগিল। তলমূৰ কৰিলোঁ।

'তুমি মাজে সময়ে আহি থাকিবা।' চাহৰ কাপত সোহা মাৰি ভাস্কৰে কলে।

'আগতে আপুনিয়ে এদিন গৈ বাটটো মোকোলাই দি আহিব চোন। অৱশ্যে আমি দুখীয়া মানুহ। অভ্যৰ্থনা জনাবলৈ একো নাই।'

'কিয়, মৰমৰ মাত আৰু জানো লাৰু-পিঠাতকৈ প্ৰীতিকৰ নহয়?'

এনেতে কৰবী পুনৰ সোমাই আহিল চাহ খাই খাই। হাতত আধা খোৱা পিঠা এটুকুৰা।

কৰবী অহাত ভাস্কৰ যাবলৈ উঠিল।

'মই যাওঁ, বেয়া নাপাবা। তোমালোকে কথা পাতা।' ভাস্কৰ গুচি গ'ল।

মই নথকাত তইঁতে কি প্ৰীতিৰ কথা পাতিছিলি অ'?' হাঁহি হাঁহি কৰবীয়ে মোক সুধি পেলালে।

'ধ্যেৎ। এই উপন্যাসখন মোক পঢ়িবলৈ দিছে। কৈছে, ইয়াত হেনো পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ কথা আছে।'

'চাওঁ চাওঁ কিতাপখন। সম্প্ৰীতিক কেন্দ্ৰ কৰি ইয়াৰ ভিতৰত কোনো প্ৰেম-প্ৰীতি ভৰাই নিয়া নাইতো?'

'আঃ কিবোৰ যে কয় ! চা ক'ত কি আছে ?'

কৃত্রিম খং দেখুৱাই কিতাপখন তাইলৈ দলিয়াই দিলোঁ। কৰবীয়ে অৱশ্যে কিতাপখন খুলি নাচালে। হাঁহি হাঁহি ওচৰলৈ আহি মোৰ চাদৰখন মুৰত ওৰণীৰ দৰে ঢাকি দি আয়নাখন মুখৰ আগত দাঙি ধৰি ক'লে 'কইনা হলে তোক সুন্দৰকৈ শুৱাবদেই।'

ইয়াৰ পোন্ধৰ দিনমান পিচত সচাকৈয়ে এদিন ভাস্কৰে আমাৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। ওভোতাৰ সময়ত তেওঁক তেওঁৰ পৰা অনা উপন্যাসখন ফিৰাই দিছিলোঁ।

'আপোনাৰ কিতাপখন লওক !'

'পঢ়ি কেনে পালা ?'

'ভাল লাগিছে। আছে যদি আন এখন আৰু দিবচোন !'

'কৰবীৰ লগত গৈ আনিবা। মই বেছিদিন ইয়াত নাথাকোঁ। কলেজ খোলাৰ সময় হৈ আহিছে। তুই এদিনতে যাবা'।

'যাম বাৰু।'

সিদিনাখন আপুনিও ঘৰতে আছিল। ভাস্কৰ যোৱাৰ পিচত মাৰ আগত আপুনি কৈছিল 'ভাস্কৰ বৰ ভাল ল'ৰা।'

ভাস্কৰ অৱশ্যে ভাল ল'ৰাই আছিল। মই কিন্তু কিমান দূৰ ভাল কৰিছোঁ আজিও মোৰ সন্দেহ বৈ গ'ল।

ভাস্কৰক ওভোতাই দিয়া উপন্যাস খনৰ পাতৰ মাজত সৰু চিঠি এখন ভৰাই দিছিলোঁ মই।

কথাটো আনে গম পোৱা নাছিল। গম পাইছিল কৰবীয়ে এই কথা লৈ পিচত তাই মোক ন-বোৱাৰী বুলি জোকাইছিল।

দেউতা, ইয়াৰ পিচত ভাস্কৰ কেবাবাৰো আমাৰ ঘৰলৈ আহিছিল। ময়ো তেওঁলোকৰ ঘৰলৈ গৈছিলোঁ। দুয়ো দুয়োকো ভাল পাইছিলোঁ। আমাৰ ভাল পোৱা আছিল অকৃত্রিম। কৰবীৰ অনুগ্রহত নিবিড় ভাবে কেবা দিনো ভাস্কৰক মই লগ পাইছিলোঁ। এখন সুখৰ সংসাৰ কল্পনা কৰি দুয়ো আপোন পাহৰা হৈছিলোঁ। আমাৰ ভিতৰত সামাজিক

বাধা একো নাছিল। মৰ্য্যাদাৰ ফালৰ পৰাও দুয়োটা পৰিয়ালৰ মিল আছিল। আপত্তিও দুয়োটা পক্ষৰ পৰা নহলহেঁতেন বুলিয়েই ধাৰণা। কিন্তু মোৰ এই পবিত্ৰ জীৱনটোৰ সকলো আউল লগাই দিলে আমাৰ মাই।

ভাস্কৰৰ সান্নিধ্যলৈ যোৱাটো পিচলৈ কিয় জানো মাই সিমান পছন্দ কৰা নাছিল। এদিন মোৰ সমুখতে ভাস্কৰক কৈ পেলাইছিল 'গাভৰু ছোৱালী থকা ঘৰ এখনলৈ সদায় ডেকা ল'ৰা আহি থকাতো ভাল নেদেখি। বুজি বাজি চলিবা।'

মাৰ কথাত ভাস্কৰে নিশ্চয় দুখ পাইছিল; কিন্তু একো প্ৰত্যুত্তৰ দিয়া নাছিল। ইচ্ছা কৰিলে ক'ব পাৰিলেহেঁতেন, 'জীয়াৰী গাভৰু এজনী থকা ঘৰত অচিন ঠিকাদাৰ এজনক থাকিবলৈ দিয়াতো জানো ভাল দেখি?'

সিদিনা নিৰ্বিকাৰে ভাস্কৰ গুচি গৈছিল। তেওঁ আৰু তাৰ পিচত কোনো দিনে আমাৰ ঘৰলৈ অহা নাছিল। তথাপি বাটে পথে লগ পালে মাতিছিল, হাঁহিছিল। কিন্তু যিদিনা কৰবীয়ে আগবঢ়াই যোৱাৰ পিচত মোক দেখিও তেওঁ কেৰাহিকৈ ঘূৰি নাচালে, সিদিনা বুজিলোঁ ক'ৰবাত কেণা লাগিছে।

ভাস্কৰৰ এনে আকস্মিক আচৰণত মই মৰ্মাহত হৈছিলোঁ। পিচদিনা ভাস্কৰলৈ এখন চিঠি লিখিছিলোঁ। উত্তৰো পাইছিলোঁ। বেছি একো লিখা নাছিল। অলপমান লিখিছিল।

মৰমৰ অণু,

তোমাক সিদিনা বাটত দেখিও নমতাৰ বাবে বেয়া পাইছা। সচা কথা, ইচ্ছা কৰিয়েই মই তোমাৰ পৰা আঁতৰি থাকিব খুজিছোঁ। এদিন তোমাক লৈ মই সুখৰ সপোন ৰচিছিলোঁ। আজি সেই সপোন ভাঙি গৈছে।

তুমি লিখিছা 'মাৰ ওপৰত অভিমান কৰি আপুনি মোক ত্যাগ নকৰিব।' তোমাৰ মাৰাৰ ওপৰত মোৰ একো অভিমান নাই। প্ৰেমৰ

পথ সদায় কাঁইটীয়া। মাৰাৰ কথাবোৰ এনেকুৱা এটি কাঁইটৰ খোচ বুলিহে ধৰি লৈছিলোঁ। যিদিনা শুনিলোঁ অনিল দাসৰ লৈতে তোমাৰ বিয়া, সিদিনা সঁচাকৈয়ে বেয়া লাগিল। এই কথাটো আৰু দৃঢ়ভাবে প্ৰতীয়মান হ'ল অনিল দাসৰ লগত তুমি আৰু মাৰাঁই 'চিকমিক বিজুলী' চিনেমা চোৱাৰ দিনাখন দেখি। আৰু···

আৰু মই চিঠিখন পঢ়িব পৰা নাছিলোঁ। হুক হুককৈ কান্দি পেলাইছিলোঁ।

অনিল দাসৰ লগত চিনেমা চাবলৈ যোৱা কথাটো অৱশ্যে সঁচা। চিনেমা চাবলৈ যোৱাৰ মোৰ সিমান আগ্ৰহ নাছিল। ককাইদেৱে ক'ব পৰা জানো দুটা বিশেষ শ্ৰেণীৰ টিকট আনি মোৰ হাতত দি কৈছিল 'তহঁত আহি থাক। মই তাতেই আছোঁ।'

মাৰ জোৰত পৰি ওলাইছিলোঁ চিনেমা চাবলৈ। চিনেমা হলৰ গেটৰ মুখত গৈ দেখোঁ ককাইদেউ নাই। বহু সময় ইফাল-সিফাল কৰি থকাৰ পিচত হঠাতে কৰ'বাৰ পৰা আহি কলে 'তহঁত সোমাই যা। মই পিচত সোমাম।'

টিকটত ছিটৰ নম্বৰ দিয়া আছিল। সেই মতে আমি বহি পৰিলোঁ। আমাৰ কাষৰ ছিটখন খালী হৈ থাকিল।

চিনেমা আৰম্ভ হ'ল। ডকুমেণ্টৰি চলিব ধৰিলে। ডকুমেণ্টৰিও শেষ হবলগীয়া হল। এনেতে অনুমান কৰিলোঁ আন্ধাৰৰ মাজেদি এটি ছায়ামূৰ্ত্তি আহি মোৰ কাষৰ ছিটখনত বহি পৰিল। ভালকৈ চাই দেখোঁ অনিল দাস।

'ককায়েৰাই হেনো চিনেমা নাচায়। টিকেটটো মোকেই দিলে।'

মুখত মিচিকি হাঁহি মাৰি আন্ধাৰৰ সুযোগতে মোৰ হাত এখনত ধৰিব খুজিছিল মই হাতখন আঁতৰাই আনিলোঁ। তাৰ পিচত বিশেষ কথা কোৱা নাছিল। জিৰণিৰ সময়ত মা আৰু মোৰ মাজত বহা আসন দুখন সাল-সলনি কৰি ললোঁ। মাই কোনো আপত্তি কৰা নাছিল।

চিনেমা শেষ হ'লত আমি বাহিৰ ওলাই আহিলোঁ।

'বলা একাপ একাপ চাহকে খাই যাওঁ।'—অনিল দাসে কলে।

'নালাগে। এতিয়াই ঘৰ পাম গৈ। দোকানৰ চাহ খাই মোৰ ভাল নালাগে।'—মই কলোঁ।

'ইয়াৰ পৰা গৈ ভাত ৰান্ধি খাওঁতে পলম হব। 'কবা খাই যোৱাতো বেয়া নহব।' মাই প্ৰকাৰান্তৰে অনিল দাসকে সমৰ্থন কৰিলে।

'বলা সৌ হ'টেলখনলৈকে। ভাত মাহলাৰ বাবে আচুতীয়াকৈ বহাৰ ব্যৱস্থা আছে।'—অনিল দাসে কলে।

আমি হ'টেলখনত সোমাই পৰিলোঁ। দোকানৰ ল'ৰা এটাই আদৰি ভিতৰলৈ লৈ গ'ল। চাহ খালোঁ। পইচা দাসেই দিলে।

ওলাই আহোঁতে চকুত পৰিল ভাস্কৰলৈ। তেওঁ বোধকৰো আগৰে পৰা আমাৰ গতি-বিধি নিৰীক্ষণ কৰি আছিল। তেওঁক দেখি মই তলমূৰ কৰিলোঁ।

আমি ঘৰ পাওঁতে কিছু ৰাতি হৈছিল। আপুনি যে ঘৰত অকলে আছিল সেই কথাটো কাৰো মনলৈ অহা নাছিল। ভাত ৰান্ধি খাওঁতে ৰাতি প্ৰায় এঘাৰমান বাজিছিল। সিদিনা ৰাতি আপুনি ভাত নাখালে। আমি খালোঁ। মাই অনিল দাসৰ কোঠাত ভাত দিবলৈ গৈ বহু সময় ধৰি উভতি অহা নাছিল। মোৰ টোপনি আহিছিল।

মাজতে আপুনি এবাৰ বাহিৰলৈ উঠিছিল—দেখিছিল ঘৰৰ দুৱাৰ-খনত খিল লগোৱা হোৱা নাই। এনেয়ে জপাই থোৱা আছে।

'ইমান অসাৱধান ইহঁত। দুৱাৰখনো বন্ধ কৰাৰ সময় নহয়।'

আপোনাৰ মাত শুনি মই সাৰ পালোঁ। খেপিয়াই চাওঁ মা বিছনাত নাই। ভয় লাগিল যদিও একো নকলোঁ। আপুনি খিলটো লগাই দি পুনৰ শুই পৰিছিল।

কিছু সময় পিছত দুৱাৰখনত সৰুকৈ কোনোবাই শব্দ কৰা মই শুনিবলৈ পালোঁ। সন্তৰ্পণে উঠি গৈ দুৱাৰখন খুলি দিলোঁ। মা সোমাই আহিল চুচুক-চামাককৈ।

পিচদিনা মাক মই বৰ বেয়াকৈ গালি-শপনি পাবিলোঁ। দাসকো কিবা-কিবি কলোঁ। ফল স্বৰূপে অনিল দাসে আমাৰ ঘৰৰ পৰা গুচি গৈছিল। অৱশ্যে এই চাৰি মাহত তেওঁৰ দলঙৰ কামো প্ৰায় শেষ হৈ আহিছিল।

ককাইদেৱে পৰীক্ষাত ফেল কৰিলে। পাছ যে তেওঁ কৰিব নোৱাৰে এই কথাটো আমি আগতেই অনুমান কৰিছিলোঁ। কাৰণ, ছাত্ৰৰ কোনো লক্ষণ তেওঁৰ গাত নাছিল। আগৰে পৰা তেওঁ আছিল উশৃঙ্খল। আপোনালোকৰ কাৰো কথাত গুৰুত্ব আৰোপ নকৰিছিল। শেষলৈ জুৱা আৰু মদতো ধৰিছিল। (মদ অনিল দাসৰ সঙ্গত পৰি খাবলৈ শিকিছিল।) ৰাতি ঘৰ পোৱাৰ কোনো নিৰ্দিষ্ট সময় নাই। পুৱা উঠে ৮/৯ বজাত। পঢ়াৰ সময়েবা ক'ত? এবাৰ হেনো কৰবীলৈ প্ৰেমৰ চিঠি এখনো লিখিছিল। অথচ কৰবীৰ লগত তেওঁৰ কোনো ঘনিষ্ঠতাই নাছিল। আমাৰ ঘৰলৈ আহিলে দুই এষাৰ কথা কৈছিল—ইমানেই।

কৰবীয়ে চিঠিখন মোক দেখুৱাইছিল। কৈছিল 'ককায়েৰক সাবধান কৰি দিবি। ককাইদেউ বা ঘৰৰ আন কোনোবাই গম পালে অনৰ্থ ঘটিব।'

চিঠিখনৰ কথাটো মই আপোনাক কোৱা নাছিলোঁ। কৈছিলোঁ মাৰ আগত। চিঠিখন মাই পঢ়ি চাইছিল। সিদিনা মাই যি খং দেখুৱালে আজিও মোৰ মনত আছে। মাতি আনি ককাইদেউক মোৰ সন্মুখতে দুটামান চৰ শোধাইছিল। মই লাজতে ভিতৰ সোমাইছিলোঁ।

ককাইদেৱে দুবাৰকৈ চেষ্টা কৰিও পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে। আপুনি নিৰ্বিকাৰে আছিল। মাই হতাশ হৈছিল। কাৰণ মাৰ আশা আছিল, ককাইদেউ কিবা চাকৰি এটাত সোমাব পাৰিলে ঘৰখনৰ কিছু অনাটন লাঘৱ হব।

সেইবাৰ ময়ো ক্লাছ টেনত পঢ়োঁ।

ভবিষ্যতলৈ পঢ়াৰ আশা এৰি ককাইদেৱে নানা ঠাইত দৰ্খাস্ত আদি কৰিবলৈ ধৰিলে। মাই নিজেও গুৱাহাটীত থকা জনা শুনা মানুহ-বোৰলৈ চিঠি-পত্ৰ লিখি এই বিষয়ে সহায় কৰিবলৈ অনুৰোধ কৰিছিল।

এনেতে এদিন অনিল দাসৰ পৰা চিঠি এখন পোৱা হ'ল। সামৰিক বাহিনীত কিছুমান মানুহ ল'ব। এখন দৰ্খাস্ত কৰিবলৈ দিছে।

দৰ্খাস্ত সময় মতেই কৰা হৈছিল। এদিন ইণ্টাৰভিউলৈ নিমন্ত্ৰণো আহিল।

অনিলে পুনৰ ককাইদেউলৈ লিখিলে—'সাধাৰণতে মেট্ৰিক বা সমপৰ্য্যায়ৰ প্ৰাৰ্থী নহলে বিবেচনা নকৰে। তথাপি মই চেষ্টা কৰি চাম। অফিচাৰজন পঞ্জাবী—ঘৈণীয়েক অসমীয়া। ব্যক্তিগত ভাবে মোৰ লগত জনা-শুনা আছে। গুৱাহাটীত জেমিনীৰ ভাল চিনেমা এখনো চলিছে। মাৰাক আৰু অণুক লৈ আহিবা। তেওঁলোক আহি ভদ্ৰমহিলা গৰাকীৰ সৈতে সাক্ষাৎ কৰিলে চাকৰিটো পোৱা হয়তো সহজ হব পাৰে।

মোৰ যাবলৈ ইচ্ছা নাছিল। অনিল দাসৰ ওপৰত মোৰ ভাল ধাৰণা নাই। তথাপি পেটৰ দায়ত পৰি আৰু লগতে মাৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি, বিশেষকৈ চাকৰিটোৰ বাবে গুৱাহাটীলৈ গলোঁ ইণ্টাৰভিউৰ আগদিনাখন। এই কথা আপুনি জানেই। উভতি অহাও জানে; কিন্তু মাজৰ কথাখিনি আপুনি নাজানে। কৈছোঁ—

আবেলি চাৰি বজাত আমি অনিল দাসৰ ঘৰ ওলালোঁ। সৰু ঘৰ। দুটা কোঠা। এটাত যাৱতীয় ঠিকাদাৰী সাজ-সৰঞ্জাম। এটাত এখন পালেং। তাত তেওঁ থাকে। পাক ঘৰ এটি আছে যদিও ৰন্ধা-বঢ়াৰ ব্যৱস্থা একো নাই। হোটেলতে খায়।

'তোমালোক আহিলা? ভালেই হ'ল। কাইলৈ ইণ্টাৰভিউ। চাহাবক আজি লগ ধৰিবই লাগিব। ৰ'বা, আছে নে নাই মই ফোন কৰি চাওঁ।' অনিল দাসে ফোনত কাৰোবাৰ লগত কিবা কথা কলে।

ব্যক্তিগত ভাবে যে চাহাবৰ লগত দাসৰ পৰিচয় আছে বুজাত পলম নহল ককাইদেউৰ চাকৰিটো হব বুলি এটা আশা হ'ল।

'চাহাব আছে।' বিচিভাবটো নমাই লৈ দাসে কলে 'বৰ্ত্তমানে বৰ ব্যস্ত আছে। ৰাতি ন বজাতহে হেনো সময় হব। কোৱাৰ্টাৰলৈকে সকলোকে মাতিছে।'

'কিমান দূৰ হ'ব?' মাই সুধিলে।

'পাঁচ মাইলমান হব।'

'পাঁচ মাইল ··!'

'চহৰত পাঁচ মাইল বাট বেছি একো নহয়। তদুপৰি তেখেতে গাড়ী পঠিয়াই দিব বুলি কৈছে। কোনো অসুবিধা নহব। ঘৈণীয়েক আছে। ৰাতিৰ আহাৰৰ ব্যৱস্থাও তাতেই হব বুলি কৈছে।'

'সচাকৈয়ে চাহাবজন বৰ দৰদী লোক।' মাই মন্তব্য দিলে।

মোৰ কিন্তু কিবা যেন এক সন্দেহ জন্মিল। একেবাৰে গাড়ী লৈ গৈ খোৱা-বোৱাৰ ব্যৱস্থা! কিয়?

'ইচ্ছা কৰিলে তোমালোক *দুয়ো (অৰ্থাৎ মই আৰু ককাইদেউ) বৰ্ত্তমানে চিনেমা চাই আহিবগৈ পাৰা। এতিয়াও সময় আছে। মাৰাই অলপ জিৰণি লওক।' দাসে মোৰ ফালে চাই কলে।

মাইও কলে 'এৰা, অণুকতো চিনেমা দেখুৱাবলৈকে অনা হৈছিল। মাজতে এটা ৰাতি। কাইলৈ যেনে-তেনে উভতি যাব লাগিব। নহলে দেউতাৰাই বৰ অসুবিধা পাব। তহঁত আহগৈ। মই নাযাওঁ। গাটো সিমান ভাল নহয়।'

কথা কৈ থাকোঁতে ওচৰৰ চাহ দোকানৰ পৰা চাৰিকাপ চাহ আৰু লগত কিছু খোৱা বস্তু আহিল।

আমি চাহ খোৱাত লাগিলোঁ।

'ৰাতি থকাৰ ব্যৱস্থা··· ?' হঠাতে মই সুধি পেলালোঁ।

'সেইটো তই চিন্তা কৰিব নালাগে। সকলো ব্যৱস্থা হৈ যাব। দাস আছেই নহয়।' চাহ খাই খাই মাই কলে।

চিনেমা চাই উভতি আহোঁতে ৰাতি প্ৰায় ন-মান বাজিছে। ককাইদেউ আৰু মই ভিতৰ সোমাই গৈ দেখোঁ, মা আৰু দাসে বেছ মছগুল হৈ কথা পাতি আছে।

'ঠিক সময়তে আহি পাইছ।' উৎসাহ সহকাৰে অনিল দাসে কলে 'অলপ আগতে চাহাবে ফোন কৰিছিলেই। মই ঠিক ন-বজাত গাড়ী পঠিয়াবলৈ কৈছোঁ। আহি পাবহি এতিয়াই।'

'মুখ হাত ধুই ল!' মাই কলে।

ককাইদেৱে বাহিৰৰ দমকলটোলৈ গ'ল। মই বাথৰূমতে সোমালোঁ। চাদৰখন আঁৰি থৈ মুখ হাত ধুব ধৰিছোঁ, এনেতে অনুমান কৰিলোঁ, মোৰ পিচৰ ফালে কোনোবা থিয় হৈ আছে। ঘূৰি চাই দেখোঁ—মা।

'মুখখন চাবোনেৰে ভালকৈ ধুই ল। অলপ ধুনীয়াকৈ সজাই লবি। বেগত আই ব্ৰু, ৰোজ পাউডাৰ আদি আছেই। ওঁঠত পাতলকৈ লিপষ্টিকো অলপ ঘহি লবি।'

মোৰ খং উঠিল। একো নকলোঁ। চাবোনৰ পানীয়ে চকু-মুখ একৰকম মেলিব নোৱাৰা কৰিছিল।

'জানই, ভদ্ৰ পৰিয়াল—চাহাব লোক। কত ডাঙৰ ডাঙৰ মানুহৰ লগত তেওঁলোকৰ কাৰবাৰ। আমাক একেবাৰে আচহুৱা দেখিলে জানো ভাল পাব?'

'মই কিবা সিহঁতৰ মন যোগাবলৈ যাম, নে অভিনয় কৰিবলৈ যাম?' একৰকম বিৰক্তিৰ সুৰত মই কলোঁ।

পানী চটিয়াই চকুমুখৰ পৰা চাবোনৰ ফেনবোৰ ধুই পেলালোঁ। হলেও চকুদুটা জ্বলা জ্বলা কৰি আছিল।

মাই নৰম সুৰত কলে 'তই খং কৰ কিয়? মদনৰ চাকৰি হলেতো আৰু সেইবোৰ কথা নকওঁ! কাম হাছিল কৰিবলৈ হলে ঠাই বুজি অভিনয়ো কৰিব লাগিব।'

মুখ-হাত ধুই সাজি-কাচি ওলাওঁতে প্ৰায় আধা ঘণ্টামান কাটি গ'ল। মাইও ওলাল।

'বাঃ ছয়োজনীকে ধুনীয়া দেখা হৈছে। যেন বাই-ভনীহে।' অনিল দাসে আমালৈ চাই কৈ উঠিল।

'হৈছে হৈছে, আৰু নকব।'

'বিশ্বাস কৰক, কোনেও আৰু আপোনাক বিবাহিতা বুলি ক'ব নোৱাৰিব।'

মাই নিজকে আকৌ এবাৰ দাপোণত চাই ললে। মুখত এক আত্ম-তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল।

বাহিৰত মটৰৰ হৰ্ণ বাজিল।

'গাড়ী আহিলেই।' অনিল দাসে কলে।

'আমাৰো হৈছে।' দাপোণখন থৈ মাই কলে।

'কিন্তু মদন··· ?'

'মদন আজি আৰু যোৱাৰ সকাম নাই। কাইলৈ একেবাৰে ইণ্টাৰভিউলৈ গলেই হব। আমি নাম ঠিকনা দি থৈ আহিম। তেওঁ মোৰ বিছনাখনতে সম্প্ৰতি শোৱক। দুঘণ্টামানৰ ভিতৰতে আমি উভতি আহিব পাৰিম। হোটেলত কৈ ৰাখিছোঁ—ইয়াতে তেওঁৰ বাবে ভাত দি যাব।

'আহ অণু।' মাই মোক মাতিলে।

কিবা এক সম্মোহিনী শক্তিৰ বলত সিহঁতে মোক বশীভূত কৰি পেলাইছিল। বিনা বাক্যে গাড়ীত উঠি পৰিলোঁ। উঠাৰ লগে লগে তীব্ৰ গতিত গাড়ী চলিব ধৰিলে।

'ভিতৰৰ লাইটটো নুমাই দিয়া।' অনিল দাসে ড্ৰাইভাৰক নিৰ্দেশ দিলে। ড্ৰাইভাৰে লাইটটো নুমাই দিলে।

আন্ধাৰৰ মাজত নিজকে কোনো ৰাতিৰ অভিসাৰিকা যেন লাগিল।

কিমান দূৰ গৈছোঁ, ক'লৈ গৈছোঁ ধৰিব পৰা নাই। মাথোন অনুমান কৰিছোঁ—নগৰৰ পৰা কিছু আঁতৰি কাটি কোনো এটি পাহাৰৰ টিলালৈ উঠি গৈছোঁ।

এটি সুন্দৰ ঘৰৰ সন্মুখত আমাৰ গাড়ীখন বৈ গ'ল। এজনে আহি গেটখন খুলি দি আমাক চালাম জনালে।

'নামা, পালোহিয়েই।'

অনিল দাস প্ৰথমে নামিল। আমিও নামি পৰিলোঁ।

ঘৰৰ সন্মুখৰ কোঠাটোৰ দুৱাৰ খোলাই আছিল। অনিল দাস নিসংকোচে সোমাই গ'ল। আমিও পিচে পিচে গলোঁ।

কোঠাটো সুন্দৰ। বোধহয় ড্ৰইং ৰুম। চাৰিওফালে নানা ৰকমৰ ছবি আদি সজাই থোৱা আছে। এটি মহাত্মাগান্ধীৰ মূৰ্ত্তি দেখিলোঁ। চাহাবজনৰ ৰুচিবোধ ভাল লাগিল।

'বহা ইয়াতে। চাহাবক মই তোমালোক অহাৰ বাতৰিটি দি আহোঁ।'

কথাষাৰ কৈ অ'নিল দাস অদৃশ্য হৈ গ'ল।

মা-মই দুয়ো কিছু সময় বহি থাকিলোঁ।

'ভই ভয় খাইছ নেকি?' নীৰৱতা ভঙ্গ কৰি মাই সুধিলে।

'নাই খোৱা। কিন্তু ভাল লগা নাই দেখোন।'

'ভয় নকৰিবি। মিলিটাৰী বিভাগৰ মানুহ। বুকু ডাঠ কৰি হাঁহি মুখে কথা কবি প্ৰথমে নমস্কাৰ দি লবি '

'আমি বৈণীয়েকৰ লগতহে কথা পাতিম।'

'হয়। তথাপি চাহাবে কিবা সুধিবওতো পাৰে।'

মাই মোক বহুতো উপদেশ দি আছিল। সেইবোৰলৈ বেছিকৈ কাণ নিদি চাৰিওফাল নিৰীক্ষণ কৰিব ধৰিলোঁ।

'কোনো পৰিয়াল থকা ঘৰ যেন নালাগে দেখোন?' সন্দেহজনক ভাবে মালৈ চাই সৰুকৈ কলোঁ।

এনেতে অনিল দাস পুনৰ সোমাই আহিল। মালৈ চাই কলে, 'আপোনাক চাহাবে ভিতৰলৈ মাতিছে।'

মা আৰু অনিল দাস আকৌ গ'ল। মই অকলশৰীয়া হলোঁ।

অকলে অকলে মোৰ বৰ অস্বস্তি লাগিল। মোক এৰি থৈ

হুয়োজন এনেদৰে গলেই বা কিয়? আকৌ মোক লগত অনাৰ উদ্দেশ্যই বা কি আছিল?

অনিল দাসৰ ওপৰত মোৰ খং উঠি গ'ল। লগে লগে মাৰ ওপৰতো।

মাৰ স্বভাৱ মই জানো। অনিল দাসবো নজনা নহয়। তেওঁলোকৰ লগত মোৰ অহাটোৱেই মূৰ্খামি হৈছে। নিজক নিজে ধিক্কাৰ দিলোঁ।

এবাৰ মন গল, তেওঁলোকক এৰি থৈ অকলে গুচি যাওঁ। কিন্তু যাম ক'লৈ? কোনো ফালে কাকো চিনি নাপাওঁ।... মনৰ মাজত অজস্র প্ৰশ্ন।

মনটো অস্থিৰ হৈ পৰিল। কোঠাৰ পৰা ওলাই আহি বাৰান্দাত থিয় দিলোঁহি। ওপৰলৈ চাই দেখোঁ, আকাশখন ঘন ক'লা মেঘেৰে গোমা হৈ পৰিছে। হয়তো বৰষুণ দিব।

এটোপ দুটোপকৈ বৰষুণ পৰিবলৈ ধৰিলে।

'অ' আপুনি ইয়াত আছে। আপোনাকে বিচাৰি ফুৰিছোঁ।'

পাচলৈ ফিৰি চাই দেখোঁ এজনী খাচিয়া গাভৰু।

'আহক ভিতৰলৈ, চাহাবে মাতিছে।'

ছোৱালীজনীক মই অনুসৰণ কৰিলোঁ। এটি চিৰিৰে ওপৰলৈ উঠিলোঁ। এটা দুটাকৈ তিনিটা কোঠালী এৰি গলোঁ। কোঠালী-বোৰৰ ভিতৰত পোহৰ পৰিছিল; কিন্তু বন্ধ থকাত কোনো মানুহ আছে নে নাই গম ধৰিব নোৱাৰিলোঁ।

শেষৰ অৰ্থাৎ চতুৰ্থ কোঠাটোৰ দুৱাৰখন মেলি ছোৱালীজনীয়ে মোক ভিতৰ সুমুৱাই দিলে।

'বহক, এতিয়াই চাহাব আহিব।'

নিৰ্দেশ দি ওলাই গ'ল তাই।

অলপ পিচতে অনুমান কৰিলোঁ এজন পুৰুষ মানুহ ভিতৰ সোমাই আহিছে।

'বিউটিফুল। তুমি আহিছা। বহা বহা।' তেওঁ মোক এখন আসন দেখুৱাই দি নিজেও এখনত বহি পৰিল।

দাড়ি আৰু চুলিৰ পৰা মানুহজন পঞ্জাবী বুলি ধৰি লৈছিলোঁ। গাত কোনো সামৰিক পোচাক নাছিল। সাধাৰণ পায়জামা আৰু গেঞ্জী এটা আছিল। বয়স ৪০-৪৫ৰ ভিতৰত হব। অনুমানতে ধ'ৰ লৈছিলোঁ, এওঁৱেই সেই চাহাব, যি ৰ কাইদেউৰ চাকৰিটো দিয়াৰ অধিকাৰী। ভদ্ৰতা ৰক্ষা কৰি মই নমস্কাৰ এটা জনালোঁ।

'তোমালোকৰ কথা অনিল দাসে আবেলিয়েই মোক ফোন কৰি কৈছিল।'

'তেখেত আৰু মা ক'লৈ গ'ল ?'

'অ' তেওঁলোক অইন কোঠাত বহি মোৰ পৰিবাৰৰ লগত কথা পাতি আছে।'

তেওঁলোক যদি পৰিবাৰৰ লগত, মই ইয়াত কিয় ?—সুধিবলৈ বেয়া লাগিল অভদ্ৰামি হব বুলি।

অলপ সময় দুয়ো নীৰৱ।

'দাসে নিশ্চয় আমাৰ অৱস্থাৰ কথা আপোনাৰ আগত কৈছেই'। আলোচনাৰ সূত্ৰ এটি উলিয়াই মই সুধিলোঁ।

'অ' ককায়েৰাৰ চাকৰিৰ কথা কৈছা ? সেইবোৰ চিন্তা নকৰিবা। চব ঠিক হৈ যাব। তোমাৰ মাৰা very good I mean এগৰাকী ভদ্ৰ মহিলা।'

'কিবা কৈছে নেকি ?'

'নাই, বিশেষ একো কোৱা নাই। মাথোন কৈছে দেউতাৰাৰ অসমৰ্থতাৰ কথা।'

মালৈ মোৰ খং উঠিছিল। কি দৰ্কাৰ আছিল তেওঁৰ এনেকৈ আনৰ আগত দেউতাৰ অসমৰ্থতাৰ কথা কৈ নিজকে হীন প্ৰতিপন্ন কৰাৰ।

এনেতে দুৱাৰ ঠেলি খাচিয়া ছোৱালীজনীয়ে দুকাপ কফি আনি দিলে। লগত কেক্ বিস্কুট আদি কেইখনমান।

'সম্প্ৰতি কফিখিনি খাই লোৱা। ভাতো ইয়াতেই খাই যাবা।'

'কিন্তু মাইঁত……' কথা এবাই যাব খুজিলোঁ।

'আছে। তেওঁলোকেও কফি খাব ধৰিছে।'

কফি দি ছোৱালীজনী আঁতৰি গৈছিল।

মাইঁত ভাত। অথচ মোক ইয়াত আবদ্ধ কৰি ৰখাৰ উদ্দেশ্য কি? তেন্তে……এক অজান আশঙ্কাত মন শিঁয়ৰি উঠিল।

'খোৱা।'

কথাৰ লগে লগে চাহাব আহি মই বহা ছোফাখনৰে একাষত বহি পৰিল।

'নাই, মোৰ খাবলৈ মন যোৱা নাই। কফি মই নাখাওঁ।'

'তেনেহলে কি খাবা? ব্ৰাণ্ডি, হুইস্কি, কোল্ড ড্ৰিঙ্ক?'

'সেইবোৰ একো নালাগে।……'

'গুড্ গাৰ্ল। Than what do you like?'

মোৰ পিঠিখন পিহি দিলে। মই যেন বিবৰ্ণ হৈছিলোঁ, হাত-ভৰি মোৰ কঁপিব ধৰিলে। মানুহজনৰ মতলব কি?

চাহাবৰ মুখখন মোৰ মুখৰ ওচৰলৈ আহিছিল। মুখত কিবা এটি উৎকট গন্ধ উপভোগ কৰিছিলোঁ। হয়তো মদ খাইছিল।

'মই মাইঁতৰ তালৈ যাওঁ' বুলি উঠিব খুজিছিলোঁ।

"Oh no no my darling ·…"

চাহাবে মোৰ হাতখনত ধৰি মোক জোৰকৈ বহুৱাই দিলে। মই তাৰ কোলাৰ ওপৰতে বহি পৰিলোঁ। সি মোক দুহাতেৰে সাবটি ধৰিলে।

মই চিঞৰি দিছিলোঁ, আৰু তাৰ বাহু বন্ধনৰ পৰা মুক্ত হবলৈ চেষ্টা কৰিছিলোঁ। মোৰ চিঞৰ কোনোবাই শুনিছিল নে নাই নাজানো; কিন্তু কোনেও মোক সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল।

মোৰ চেষ্টা ব্যৰ্থ হ'ল।

অক্টোপাছৰ সৰল আবেষ্টনীয়ে মোক পঙ্গু কৰি পেলালে। গালৰ ওপৰত তীব্ৰ দংশন অনুভৱ কৰিলোঁ ·····আৰু গাৰ ব্লাউজটো·····

মই কিজানি 'মা' বুলি এযাৰ শেষ শব্দ উচ্চাৰণ কৰিছিলোঁ। তাৰ পিচত একো কব নোৱাৰিলোঁ। মাথোন এযাৰ অস্পষ্ট কথা মনত আছে 'Oh so sweet you are.....'

পিচদিনা পুৱা আঠমান বজাত মই জ্ঞান পালোঁ। দেখোঁ, অনিল দাসৰ ঘৰৰ বিছনাখনত মই পৰি আছোঁ। উঠিবলৈ খুজি আকৌ শুই পৰিলোঁ। গাত শক্তি নাছিল.... বুকুখনত এক তীব্ৰ বিষ।

অবসন্নতাত চকু দুটা আক মুদ খাই পৰিল। মনৰ মাজত যোৱা ৰাতিৰ ঘটনাবোৰ জুকিয়াই লবলৈ চেষ্টা কৰিলোঁ। মূৰটো জিম জিম কৰিছিল। সকল কথা স্মৰণ কৰিব নোৱাৰিলোঁ। কেৱল মনত পৰিছিল.....চাহাবে মোক সাবটি ধৰিছিল.. গাৰ চাদৰখন উফৰি পৰিছিল... মোৰ বুকুখন উন্মুক্ত কৰিবলৈ চেষ্টা কৰোঁতে ব্লাউজটো ফালি গৈছিল......কোনোবাই মোৰ দেহটো দাঙি নি এখন বিছনাত শুৱাই দিছিল.... নাই, তাৰ পিচত আৰু মনত নপৰে

উঠিবলৈ শক্তি নাছিল। তথাপি উঠিলোঁ। উঠি একেচিপে বাথৰুমলৈ গলোঁ।

সম্পূৰ্ণ ফটা-চিৰা অৱস্থাত ব্লাউজটোৰ অস্তিত্বমাত্ৰ দেহটোত ওলমি আছে।..... ব্ৰেচিয়াৰটো কি হ'ল?.. .মনত পেলাব নোৱাৰিলোঁ। হয়তো চাহাবৰ বিছনাতে বৈ আছিল।

নিজৰ দেহটোৰ প্ৰতি এক তীব্ৰ ঘৃণা জন্মিল। মনটোও বৰ অপৱিত্ৰ যেন লাগিল। ভালকৈ চাবোনেবে গাটো ধুই পেলাবলৈ বুলি কাপোৰবোৰ খুলি পেলালোঁ এখন এখনকৈ...... ।

দেখোঁ—কোমল বগা দেহটোৰ ওপৰত হিংস্ৰ পশুৰ সুতীক্ষ্ণ নখ-দন্তৰ বঙা আঁচোৰবোৰ স্পষ্ট হৈ পৰিছে।

...উলঙ্গ দেহটোলৈ চাই নিজকে নিজে পিশাচিনী যেন লাগিল।

ব্লাউজৰ ফকাটো তাতেই এৰি কোনো ৰকমে গাটো ধুই ওলাই আহিলোঁ সাধাৰণ ভিতা চাদৰখনেৰে বুকুখন আৱৰি লৈ। ৰাতি

পিন্ধাকৈ ঘৰৰ পৰা সাধাৰণ ব্লাউজ এটা লৈ গৈছিলোঁ। অগত্যা সেইটোকে লাজ নিবাৰণৰ বাবে পিন্ধি ললোঁ।

খং, বেজাৰ আৰু ক্ষোভত মই কাকো মতা নাছিলোঁ। মা আৰু ককাইদেৰেও সোধা নাছিল ৰাতি ক'ত থাকিলোঁ বা কিবা খালোঁ নে নাই।

ক'ৰবাৰ ল'ৰা এটাই আহি একাপ চাহ, এটা আধা সিজোৱা কণী আৰু দুখন বিস্কুট দি গলহি। পেটত জুই জ্বলিছিল। তাকে খাই পেলালোঁ।

অনিল দাস নাছিল। ক'ৰবালৈ ওলাই গৈছিল। দহমান বজাত উভতি আহিল। হাতত কাগজেৰে মেৰিওৱা কাপোৰৰ সৰু টোপোলা এটি।

'মই আৰু এখন্তেকো ইয়াত নাথাকোঁ। এতিয়াই গুচি যাম।' ঘৃণা আৰু বিৰক্তিৰে মই কলোঁ।

'এৰা যোৱাটোৱে ভাল হ'ব। মাই যেন মোৰ কথা সমৰ্থন কৰিলে।

'তেন্তে আপোনালোকে যাবই খোজে নেকি ?' হঠাতে অনিল দাসে সুধিলে।

'এৰা, অণুৰো থাকিবলৈ মন যোৱা নাই।'

'যাওঁক তেনেহলে।'

'কিন্তু মদনৰ··· ?'

'কালিয়ে চাহাবে নকলে জানো মদনৰ চাকৰি হৈ যাব বুলি। পুৱা আকৌ এবাৰ মই ফোন কৰি সুধিছিলোঁ। তেওঁ নিশ্চয়তা দিছে। তথাপি ফৰ্মেলিটি ৰক্ষাৰ বাবে ইন্টাৰভিউটো দি যাবলৈ কৈছে।'

অলপ পিচত হোটেলৰ ল'ৰা এটাই দুথাল ভাত আনি দিলে।

'আপোনালোক দুয়ো খাই যাওক। মদন আৰু মই পিচত খাম। অনিল দাসে কলে।

মা আৰু মই খাই ললোঁ।

অহাৰ সময়ত মোৰ পিন্ধিবলৈ কাপোৰ নাছিল। ঘৰৰ পৰা পিন্ধি অহা কাপোৰযোৰকে পিন্ধি চাহাবৰ কেম্পলৈ গৈছিলোঁ। তাৰ পৰা উভতি আহোঁতে সেইযোৰ আৰু কাপোৰ হৈ থকা নাই। কি পিন্ধিম, তাকে ভাবিব ধৰিলোঁ।

এইখিনি পিন্ধি ওলা।'

অনিল দাসৰ হাতত দেখা কাপোৰৰ টোপোলাটো মাই মোলৈ আগবঢ়াই দিলে। টোপোলাটো খুলি চালোঁ। এখন শাৰী, এটা ব্লাউজ, এটা ব্ৰেচিয়াৰ ··· । একাষে পেলাই থলোঁ।

এঘাৰ বজাত গাড়ী হেনো। তই সোনকালে কাপোৰ-কানি পিন্ধি ল। আৰু পলম কৰি নোৱাৰি।' মাই নিজৰ কাপোৰ পিন্ধি মোলৈ যেন সাবধান বাণীহে শুনালে।

'গৰীবে মান অভিমান কৰিলে নচলে। দাসে দিয়া কাপোৰখিনি পিন্ধি ল।' মাই মোৰ মনোভাব বুজিয়েই নেকি কাষলৈ আহি সৰুকৈ কলে। কোনোবাই সুধিলে কবি, চৰকাৰে মদনক অহা-যোৱাৰ খৰচটো দিছিল, তাৰেই কিনা হৈছে।'

দেউতা ইণ্টাৰভিউ দি উভতি অহাৰ দিনাখন আপুনি মোলৈ এবাৰ নিৰীক্ষণ কৰিছিল। আপোনাৰ নিশ্চয় লক্ষ্যত পৰিছিল যে ঘৰৰ পৰা পিন্ধি যোৱা কাপোৰযোৰৰ সলনি আন এযোৰ নতুন কাপোৰ পিন্ধি মই আহিছিলোঁ।

সচাকৈয়ে সিদিনা মই পিন্ধি যোৱা কাপোৰযোৰকে গুৱাহাটীত এৰি অহা নাছিলোঁ, নাৰীৰ শ্ৰেষ্ঠতম বস্তুখিনিও হেৰুৱাই আহিছিলোঁ। এই কথা আপোনাৰ আগত ক'বলৈ মই সিদিনা সাহস গোটাব পৰা নাছিলোঁ। মাৰ কুহকিনী মায়া-জালে মোক মোহিত কৰি ৰাখিছিল।

তিনিদিন পিচত ককাইদেউৰ চাকৰিৰ নিয়োগ পত্ৰ আহিল। তাৰ পিচদিনাখনেই তেওঁ কামত ভৰ্ত্তি হবলৈ বাওনা হ'ল। তেওঁ যোৱাৰ

সময়ত আপোনাক সেৱা এটিও নজনালে। মাকো মাত এবাৰ নিদিলে। মাই মাথোন তেওঁক পদূলি মুখলৈ আগবঢ়াই থবলৈ গৈছিল।

ককাইদেউৰ এই ব্যৱহাৰত আপুনি হয়তো এটা দুৰ্মুনীয়ত্ব পেলাইছিল।

আৰু মই।

মই তেওঁৰ চাকৰিৰ বিনিময়ত মোৰ নাৰীত্বৰ সৰ্বস্ব হেৰুৱাই পেলাইছিলোঁ। অথচ যোৱাৰ আগ মুহূৰ্ত্তত মোক এবাৰ মাত দিয়াৰো প্ৰয়োজন বোধ নকৰিলে।

মোৰ চকু দুটাৰে বাৰিষাৰ প্লাৱন নামিছিল। কেঁকুৰি কেঁকুৰি বিছনাত উবুৰি খাই পৰিছিলোঁ। বিছনাৰ হেছা খাই বুকুত সাতদিন আগৰ সেই বিষটো পুনৰ অনুভৱ কৰিছিলোঁ।

শুনিছিলোঁ, এবাৰ সাপে কামুৰিলে হেনো মাজে সময়ে সেই বিষ উক-দি উঠে। মোৰো সেই বিষ—চাহাবৰ বঙলাৰ অক্টোপাছৰ বিষ—দাঁত নখৰ অসহনীয় জ্বালা।

* * *

মাজতে তিনিটা বছৰ কাটি গল।

মা শয্যাগত।

আপোনাৰো ৰক্তচাপ বেছি হৈছিল।

ঘৰখনো একৰকম অচল হৈ পৰিছিল।

ঠিক সেই সময়তে ককাইদেউ যোৰহাটলৈ আহে। ট্ৰেইনিং তেওঁৰ শেষ হৈছে। বেঙলাৰ ছাভিচত ভৰ্ত্তি হৈছে। ইমান দিনে ককাইদেউৰ কথা কোনেও ভবা নাছিল। আপুনি কৈছিল 'সি এটা পশু।' মাই কৈছিল 'অকৃতজ্ঞ। তাৰ চাকৰিৰ কাৰণে, এই ঘৰখনৰ দুটি অন্ন সংস্থানৰ কাৰণে মা আৰু মই বহুতো ত্যাগ স্বীকাৰ কৰিব লগা হৈছিল। তাৰ মোল ককাইদেৱে নুবুজিলে। ইচ্ছা কৰিলে সহায় কৰিব পাৰিলেহেঁতেন; কিন্তু কোনোদিন সহায় কৰা দূৰৈৰ কথা, খবৰকে লোৱা নাছিল।

সিদিনা আমাৰ খাবলৈ একো নাছিল। মাবো টান অসুখ।

মাই দুখ কৰি মোৰ তেওঁৰ বিছনাৰ কাষত মৰমসনা মাতেৰে কৈছিল 'তই মোক ক্ষমা কৰিবি অণু। মই তোৰ একো দিহা এটা লগাই থৈ যাব নোৱাৰিলোঁ। (মাই বোধহয় মোৰ বিয়াৰ কথা কৈছিল) তাৰ বাবে তই দোষী নহয়। ঘৰখনৰ স্বাৰ্থত, মোৰ বাধ্যবাধকতাত তই জীৱন-পথত কেবাবাৰো পিচল খাব লগা হ'ল। সমাজত প্ৰতিষ্ঠা লাভ কৰাৰ সপোন মোৰ আছিল—সকলো অথলে গ'ল।

মা।'

'নতুন ফুল সকলোৱে নাকৰ ওচৰলৈ নিয়ে, গোন্ধ লয়, বাহী হলে দলিয়াই পেলায়। তই বাহী ফুল। কোনেও আজি আৰু তোৰ সৌৰভ বিচাৰি নাহে।-তোৰ কোনো অপৰাধ নাই, মদৰ্নৰো নাই। বংশৰ তেজৰ গতিধাৰা কোনেও শোধন কৰিব নোৱাৰে।

শুন, তোক মোৰ এটা কথা কবলগীয়া আছে। কাকো কোনো দিনে কোৱা নাছিলোঁ। মৰাৰ আগতে সেই কথা, সেই মহাপাপৰ কথা প্ৰকাশ কৰি যাওঁ।

তোৰ দৰে মোৰ জীৱনটোও এসময়ত আছিল দুৰ্বহ কাল ধুমুহাত বাগৰি পৰা লতাৰ দৰে কেবাবাৰো বহু পুৰুষক অৱলম্বন কৰি বগাবলৈ চেষ্টা কৰিছিলোঁ। কোনোবাই আশা দি শেষত থেলি বগৰাই দিছিল। কোনোজনে প্ৰথমেই হতাশ কৰিছিল। কোনোজনে আকৌ কাষকে চপা নাছিল। ফলত সমাজৰ লোকে মোক সুনজৰে দেখা নাছিল। ডেকা সকলে চাইছিল লুভীয়া দৃষ্টিৰে। মহিলা সকলে কৰিছিল ঘৃণা। আদহীয়া সকলে আখ্যা দিছিল 'বেশ্যা'। বুঢ়া সকলে কৈছিল 'বংশৰ কলংকিনী'।

সিদিনা গাওঁৰ নামঘৰত জন্মাষ্টমী উপলক্ষে আয়তীসকলৰ নাম হৈছিল। বহু গাভৰু ছোৱালীয়েও তাত যোগ দিছিল। ময়ো গৈছিলোঁ। কোনেও মোক একো কোৱা নাছিল; কিন্তু অনুমান

অনুমান কৰিছিলোঁ সকলোৱে যেন কিবা এটি সন্দেহৰ দৃষ্টিৰে মোলৈ চাইছে।

এনেতে, ঘৰৰ পৰা সক ভনীজনীয়ে আহি মোক কলে—'মোমাইদেউ আহিছে। এতিয়াই তোক ঘৰলৈ মাতিছে।'

আমাৰ মোমাইদেউহঁতৰ ঘৰ গোৱালপাৰা জিলাৰ গৌৰীপুৰত। চক্ৰবৰ্ত্তী পৰিয়ালৰ। তই আচৰিত হৈছ? আমি আহোম, অথচ তেওঁলোক চক্ৰবৰ্ত্তী ব্ৰাহ্মণ। দেউতাই এসময়ত তাত চাকৰি কৰোঁতে কেনেবাকৈ মাক ফুচুলাই পলুৱাই লৈ আহিছিল। অসবৰ্ণ বিবাহ, তাতে ব্ৰাহ্মণৰ ছোৱালী। সমাজে গ্ৰহণ কৰাত আপত্তি কৰিছিল। তাৰ বাবে গওঁৰা বাইজক যথেষ্ট মান ধৰিব লগা হৈছিল। শেষত সমাজে গ্ৰহণ কৰিছিল।

মা আছিল এটি ৰক্ষণশীল পৰিয়ালৰ ছোৱালী। যিমানেই চেষ্টা নকৰক আমাৰ ঘৰৰ লগত সম্পূৰ্ণকৈ খাপ খুৱাই লব পৰা নাছিল— পূৰ্বপুৰুষৰ সংস্কাৰে বাধা দিছিল। তেওঁ দেউতাৰ প্ৰতিও সিমান শ্ৰদ্ধাশীলা নাছিল। সামান্য এটি ভুলৰ বিনিময়ত তেওঁৰ জীৱনটো অভিশপ্ত হৈ পৰিছিল, আৰু তুঁহ জুইৰ দৰে তাত জ্বলি-পুৰি মৰিছিল। এই কথা এদিন তেওঁ খোলাকৈয়ে ব্যক্ত কৰিছিল। এদিন সাধাৰণ এটি কথাৰ বাবে দেউতাই মাক হালবোৱা এচাৰিৰে বৰকৈ কোবাইছিল; লগত পেটত এটি গোৰো শোধাইছিল। মা আছিল সেই সময়ত অন্তঃসত্বা। এই ঘটনাৰ সাত দিনৰ ভিতৰতে মৃত সন্তান এটি প্ৰসৱ কৰি মাই চিৰ দিনৰ বাবে কোনো শান্তিৰ ৰাজ্যলৈ গুচি গ'ল। শান্তিৰ ৰাজ্য এই বুলিয়েই কৈছোঁ—মাৰ মানত আমাৰ ঘৰখন নৰকপুৰী আছিল।

মাৰ মৃত্যুৰ সময়ত মোৰ বয়স দহ বছৰমান হৈছিল। তেওঁৰ শ্ৰাদ্ধত মোমাইদেউ এবাৰ আহিছিল। সেইবাবেই তেওঁক প্ৰথম দেখোঁ। তাৰ পিচত আৰু দেখা নাই।

ভনীজনীৰ মুখত মোমাইদেউ অহা বুলি শুনি মনটোত আনন্দ লাগিছিল।

ঘৰ পাই দেখোঁ কোনো মোমাইদেউ নাই।

'মোমাইদেউ ক'ত?' মই সুধিলোঁ।

ঘৰত পেহীদেউ এগৰাকী আছিল। কলে 'তেওঁ অহা নাই।'

'তেনেহলে মোক যে মোমাইদেউ অহা বুলি মাতি আনিলে?'

'তই আৰু নামলৈ যাব নালাগে। বাইজৰ মাজত কথাকথি লাগিছে।'

'কিয়?'

মোক সুধিব লাগিছে কিয়? তোৰ নিজৰ দেহটোকে সোধ। কিমান দিন পাপ কথা ঢাকি ৰাখিবি?'

পেহীদেউৰ কথাৰ ইঙ্গিত মই বুজি পালোঁ। নিজকে মৰি যোৱা যেন লাগিল। প্ৰত্যুত্তৰ দিবলৈ সাহস নহল।

ঘৰৰ পাচ ফালে থিয় হৈ ৰলোঁ গৈ। তাৰে পৰাই পেহীদেউৱে ঘৰৰ ভিতৰত কৈ থকা কথা কেইষাৰ মোৰ কাণত শেলে বিন্ধাদি বিন্ধিব ধৰিলে।

"……তোৰ মাৰ আছিল সাক্ষাৎ দেৱী প্ৰতিমা। তেওঁৰে জীয়াৰী হৈ এনে সৰ্বনাশ সাধন কৰিবি বুলি কোনেও ভ বিব পৰা নাছিল।·· আনকি আজি তুমাহ ধৰি ঘৰৰ মানুহৰ পৰাও লুকাই ৰাখিছ।'

কেনেকৈ গম পালে পেহীয়ে, যিটো কথা মই, মা, দেউতা আৰু এজনত বাহিৰে আন কোনেও নাজানে। এই চতুৰ্থজন কোন তোৰ নিশ্চয় জানিবলৈ কৌতূহল জন্মিছে। কবলৈ মোৰ লাজ লাগিছে···· আৰু সেই কথা আজি ভাবিবও নোৱাৰোঁ এনেকুৱা এটি মানুহৰ সৈতে যে এনে অভাবনীয় ঘটনা কেনেকৈ ঘটি গ'ল।

হয়তো তেৱোঁ ভবা নাছিল।

কিবা যেন নাটকীয় ঘটনাৰ ই পৰিণতি। যিটো কথা ভাবিব পৰা নাযায়—বাস্তৱত পৰিণত হোৱাতো দূৰৰে কথা।

আজিও মনত পৰে সেই দিনটোলৈ। মাহটো আছিল বহাগ। ৰঙালী বিহু শেষ হৈছে যদিও বিহুৰ উলহ-মালহ আছেই।

তেতিয়াও আমাৰ গাভৰু মনবোৰ বতাহত উৰি ফুৰা কমোৱা তুলাৰ দৰে হৈ আছিল। ঠিক সেই সময়তে আহিল আমাৰ কাষৰে খুৰাৰ ছোৱালী বন্দনাৰ বিয়া। মন আকৌ নাচি উঠিল।

. ৰাতি দৰা আহিল। ঢোল, পেঁপা, কালি, বেণ্ডপাৰ্টিৰ শব্দ, আয়তী-সকলৰ গীত আৰু উৰুলিৰ মাজত বিয়াখন প্ৰায় শেষ হওঁ হওঁ। কেবা দিন আগৰে পৰা মোৰ বহুতো পৰিশ্ৰম হৈছিল। টোপনিও ভাল হোৱা নাছিল। ভাগৰো লাগিছিল যথেষ্ট। ভাবিলোঁ, দৰা গলে বিছনা পোৱা টান হব।—বিশেষকৈ আলহীসকলক এৰি ঘৰৰ মানুহ হিচাবে আমি বিছনা অধিকাৰ কৰাতো সমীচীন নহব।

এখন খালী বিছনা পাই কোনেও গম নোপোৱাকৈ শুই পৰিলোঁ। কোঠাটোত পোহৰ নাছিল। গতিকে কাৰো লক্ষ্যত পৰা নাছিলোঁ। পুৰুষসকল দৰা ঘৰীয়াৰ অভ্যৰ্থনাত ব্যস্ত। মহিলাসকল কইনাৰ লগত।

ভাগৰ আৰু ক্লান্তিত সোনকালে মোৰ টোপনি আহিল। হঠাতে এবাৰ কাৰোবাৰ স্পৰ্শত সাৰ পাই উঠিলোঁ। অনুমান কৰিলোঁ, কোনোবা এজন যেন মোৰ কাষত শুই আছে আৰু মোৰ দেহটোৰ ওপৰত হাত বুলাব ধৰিছে। মই বিপৰীত ফালে মুখ দি কাটিহৈ পৰিলোঁ।

আগন্তুকজন যে পুৰুষ, তেওঁৰ হাত-বুলনিৰ পৰাই বুজাত পলম নহল। প্ৰথমে মই শিয়ৰি উঠিলোঁ। ভাবিলোঁ উঠি যাওঁ। উঠি যাবলৈও সংকোচ বোধ কৰিলোঁ—জানোচা কথাটো বেয়াকৈ সদৰি হৈ পৰে।

মই নিঃসাৰে পৰি থাকিলোঁ।

……আচনাকি হাতখন লাহে লাহে আহি মোৰ বুকুৰ কোমল অংশখিনিৰ ওপৰত বৈ থাকিল। ভাবিলোঁ, অজ্ঞাতস'ৰে তেওঁ টোপনি গ'ল। হয়তো কৰবকে পৰা নাই হাত ক'ত পৰিছে। তাৰ পিছত হাতখনৰ এটা মৃদু চাপ মোৰ বুকুৰ ওপৰত অনুভব কৰিলোঁ। লগে লগে শুনিবলৈ পালোঁ তেওঁৰ নাকৰ ওপৰত ঘন নিশ্বাস। মোৰ

বুকুখনো যেন উঠা-নমা কৰিব ধৰিলে! কোনো দিনে নোপোৱা পুৰুষৰ হাতৰ পৰশত এটা পুলক অনুভৱ কৰিলোঁ। মনটো কিবা যেন তাল লাগি যাবলৈ ধৰিলে।

লাহেকৈ ব্লাউজৰ বুটাম এটা খুলি গল।

তাৰ পিচত আৰু এটা—

তৃতীয়টো আছিল চেফ্‌টিপিন—খোল খোৱা নাছিল। মই নিজেই তৃতীয় অৰ্থাৎ ব্লাউজটোত মাৰি থোৱা শেষ পিনটোও খুলি দিলোঁ।

তপত হাতৰ পৰশত গোটেই দেহটোৱে ৰোমাঞ্চিত হৈ উঠিল। বাগৰ সলাই দুয়ো মুখামুখি হৈ পৰিলোঁ আমাৰ ভিতৰত সামান্যতম ব্যৱধানখিনিও নোহোৱা হল।

এটি আদিম আসক্তিয়ে দুয়োকো গ্ৰাস কৰি পেলালে……

এক আত্মবিভোৰ আত্ম-তৃপ্তিমগ্ন দুটি প্ৰাণী—। ……কিমান সময় কাটি গৈছিল কব নোৱাৰোঁ ……

'মালতী, মালতী ক'লৈ গ'ল?'

মই চক খাই উঠিলোঁ।

কোনোবাই মোৰ বিচাৰ লৈছে। ধৰা পৰাৰ ভয়ত দুটা বাহু-বন্ধনৰ পৰা এক ৰকম জোৰকৈ মুকলি হৈ আহিলোঁ।

বিয়া শেষ হৈছিল। দৰা ওলাই গৈছিল। ৰাতিও প্ৰায় পুৱাওঁ পুৱাওঁ হৈছে। সকলোৱে অলপ সময়ৰ বাবে জিৰণি লবলৈ বিছনা একোখন দখল কৰাত লাগি পৰিল।

'হেৰ পুলক। উঠ, কত শুইছ? আমি শুব নালাগে? ভিতৰৰ বিছনাত কোনে তোক শুবলৈ দিছে?'

কথাষাৰ মোৰ কাণত পৰিল। ওচৰলৈ যোৱা নাছিলোঁ যদিও ৰাতি মোৰ লগত শোৱা ব্যক্তিজনক উদ্দেশিয়ে কোৱা হৈছিল বুলি বুজি পালোঁ।

তেনেহলে সেয়া পুলক। মোৰ সম্বন্ধীয়া মোমাইদেউৰ ল'ৰা ॥
মোৰ মনটো কিবা এক ভয়-মিশ্ৰিত পাপত জিকাৰ খাই উঠিল।
তাৰ পৰা মই পলাই গলোঁ।

পুলকক তাৰ বাবে আজিও মই দোষী কৰা নাই। কলেজত পঢ়া ডেকা ল'ৰা সি। অপ্ৰত্যাশিত ভাবে পোৱা গাভৰু এজনীক উপভোগ কৰাত তাৰ পাপ হব নোৱাৰে। সি বেচেৰাই হয়তো আজিও নাজানে সেই ৰাতিৰ অভিসাৰিকাজনী কোন?

এটা ক্ষন্তেকীয়া মোহ বা আত্ম বিস্মৃতিৰ বিনিময়ত মই কি পালোঁ কিছুদিন পিচতে অনুভব কৰিলোঁ। আনক ফাঁকি দিলেও মাক নোৱাৰিলোঁ। গোপনে তেওঁৰ আগত বাধ্য হৈ সকলো দোষ স্বীকাৰ কৰিলোঁ। মাথোন পুলক ককাইদেউৰ নামটো নকলোঁ। কলোঁ—'ধৰিব নোৱাৰিলোঁ কোন সেইজন। মোৰ টোপনি অহাত তেওঁ উঠি গৈছিল।'

মাই কথাবাৰ দেউতাক কলে। দেউতাই খঙতে কাষতে থকা ফলা খৰি এডালেৰে মোৰ পিঠিত কেইটামান কোব শোধালে। গাৰ ছাল ফাটি তেজ ওলাল। তথাপি মই নাকান্দিলোঁ। কান্দিলে মানুহে গম পাব। সুধিব কিয় মাৰিলে। তেতিয়া কি উত্তৰ দিম? জানই আমাৰ সমাজত দেউতাক বা ককায়েও সাধাৰণতে গাভৰু ছোৱালীৰ গাত হাত নোতোলে।

সেই ৰাতিয়েই দেউতাই কিছু দূৰত থকা হৰিশ ডাক্তৰৰ ঘৰলৈ গৈছিল কিবা উপায় বিচাৰি। কিন্তু অনেক কাকুতি মিনতিৰ অন্তত্তো ডাক্তৰে কোনো উপায় নিদিলে।

মই তেনে ভাবেই ৰলোঁ।

পেহীদেউৰে মোক নাম-খলিৰ পৰা উঠাই অনাৰ সাত দিনমান পিচত এদিন এজন ভদ্ৰলোক আমাৰ ঘৰত আলহী হৈছিলহি। স্কুলত শিক্ষকতাৰ কাম কৰে। ককাইদেউৰ সৈতে বন্ধুত্ব আছিল। ককাইদেৱে তেখেতক মাতি আনিছিল আমাৰ ঘৰলৈ।

এদিন সেই মানুহজনৰ লগত মোৰ বিয়াখন হৈ গ'ল। সমাজে আমাৰ বিয়াখনক আদৰি ললে। মৰমত নহয়—মই ভাঁৱৰি গলে সমাজৰ পৰা এটা কেলেঙ্কাৰী নোহোৱা হব বুলি।

নকলেও বুজিব পাৰিছ—মোক বিয়া কৰোৱা সেই ভদ্ৰলোকজনেই হ'ল তোৰ দেউতাৰ।

মাৰ কথাবোৰ শুনি মোৰ এনে লাগিল যেন তেতিয়াই তেওঁক ডিঙিত চেপি মাৰি পেলাম। নিজৰ ওপৰতো ঘৃণা আহিল এনেকুৱা মাৰ গৰ্ভত জন্ম লৈছিলোঁ বুলি। বিয়াৰ দুমাহ আগতে গৰ্ভস্থ হোৱা ককাইদেউৰ প্ৰতিও সেইদিনাৰ পৰা ঘৃণা জন্মিল। আজিও তেওঁৰ লগত মই সহজ হব পৰা নাই।

মোৰ মনত হৈছিল, মাৰ প্ৰতিটো নিশ্বাসতে যেন কোনো এটি ফেটী সাপৰ তীব্ৰ বিষ নিৰ্গত হৈছে, আৰু সেই বিষ-বাষ্পত গোটেই ঘৰটো, গোটেই পৰিয়ালটো, গোটেই সমাজখন বিষাক্ত হৈ পৰিছে।

মাৰ মৃত্যুক কিছুদিন পূৰ্বে পৰা আমি আটায়ে কামনা কৰিছিলোঁ। আপুনিও কৰি'ছিল। মাৰ প্ৰতি আপোনাৰ কোনো আকৰ্ষণ নাছিল। তেওঁ আ'ছিল আপোনাৰ বাবে এটি বোজা স্বৰূপ। কেতিয়া এই বোজা আঁতৰ যায় আপোনাৰ মনৰ মাজত এনে এটি ভাব লুকাই আছিল। অৱশ্যে এইটো মোৰ ব্যক্তিগত ধাৰণা।

মাক ডিঙিত চেপি কিম্বা বিষ খুৱাই মৰা নাছিলোঁ। ইমান দিনৰ লুকাই থকা পুঞ্জীভূত পাপৰ জ্বালাখিনি ব্যক্ত হৈ পৰাত মাৰ প্ৰতি যেন যম ৰজাও দয়ালু হৈ পৰিল। অনেক যন্ত্ৰণা ভুগি মা সিদিনা ৰাতিয়েই বিছনাত মৰি থাকিল।

মাৰ মৃত্যুৰ সময়ত ককাইদেউ নাছিল। তেতিয়া তেওঁ পঞ্জাবৰ কোনো এটা অঞ্চলত আছিল। ঠিকনাও নাপাওঁ। তেওঁ প্ৰায়েই চিঠি নিলিখে। কোনোখন লিখিলেও কিছুদিন পিচতে তেওঁলোকৰ কেম্প তাৰ পৰা সলনি হৈছিল। গতিকে ককাইদেৱে প্ৰকৃততে

আমি দিয়া চিঠি নোপোৱাতো অস্বাভাৱিক নহয়। আমি নোপোৱা বুলিয়েই ধৰি লৈছিলোঁ।

অ' মনত পৰিছে—মা জীয়াই থাকোঁতে ককাইদেৱে এবাৰ আমাৰ ঘৰলৈ আহিছিল স্কুটাৰ এখনত উঠি। আৰু স্কুটাৰৰ পিচৰ ছিটত বহুৱাই লৈ আহিছিল এজনী ছোৱালী—পেছোৱাৰী ছোৱালী। কৈছিল, তেওঁ হেনো সেইজনী ছোৱালীক বিয়া কৰাইছে। সেই দিনাখনেই দুয়ো গুৱাহাটীলৈ উভতি গৈছিল। তাৰ পিছত আৰু তেওঁ অহা নাই।

মোৰেই দুৰ্ভাগ্য নেকি - ককাইদেউহঁত আহিবৰ দিনাখন আছিল সৰস্বতী পূজা। আমাৰ স্কুলতো পূজা হৈছিল। পুৰাৰ পৰা সন্ধিয়ালৈকে মই পূজাত ব্যস্ত থাকিবলগীয়া হোৱাত নবৌজনীক মই দেখা পোৱা নাছিলোঁ। শুনি পিচত বেয়া লাগিছিল।

মাৰ মৃত্যুৰ ছয় মাহ হৈছে। কোনোবাই ক'লে, ককাইদেউ সপৰিয়ালে গুৱাহাটীলৈ বদলি হৈ আহিছে।

'ককাইদেউ গুৱাহাটীলৈ অহা বুলি শুনিছোঁ। এবাৰ লগ ধৰাতো ভাল যেন পাওঁ।' মই আপোনাৰ মতামত বিচাৰিলোঁ।

আপুনি বিশেষ একো কোৱা নাছিল। মাথোন এটি দীঘল হুমুনিয়াহ পেলাইছিল।

শীতত আপোনাৰ অসুখ বাঢ়ি গৈছিল। দৰব কিনিবলৈ পইচা নাছিল। অগত্যা সকলো মান অভিমান কাটি কৰি থৈ ককাইদেউক লগ ধৰাৰ মনস্থ কৰিলোঁ।

কিন্তু ককাইদেউ গুৱাহাটীৰ কোনখিনিত থাকে নাজানো। ভাবিলোঁ কি কৰা যায়।

এবছৰমান আগতে কৰবীৰ বিয়া হৈছিল। সম্প্ৰতি তাই থাকে শান্তিপুৰত। ঠিকনাটো মোৰ হাতত আছিল।. তাইকে আলম কৰি গুৱাহাটী পালোঁগৈ।

কৰবীৰ গিৰিয়েক দেৱেন কাকতি চি. আই. ডি বিভাগত কাম

কৰে। তেওঁৰ অবিহনে ককাইদেউৰ ঘৰটো বিচাৰি উলিওৱাত সহায় হ'ল।

তেতিয়া আবেলি প্ৰায় চাৰি বাজিছে। আমি ককাইদেউ থকা ঘৰ পালোঁগৈ। কলিং বেল টিপি দিয়াত এগৰাকী ভদ্ৰ মহিলা ওলাই আহিল। দেখিয়েই বুজিলোঁ, সেইজনীয়েই মোৰ ন-বৌ। তেওঁহে মোক চিনি পোৱা নাছিল।

'কাক বিচাৰিছে ?' ভদ্ৰ ভাবেই সুধিলে।

'কেপ্তেইন বৰুৱা নাই নেকি ?'

'নাই, ওলাই গৈছে। আপোনালোক··· ?'

'আমি তেখেতৰ আত্মীয়। বিশেষ সকাম আছে।'

'বহক বাৰু। আধা ঘণ্টামানতে এখেত আহি পাব।'

ভাল লাগিল ছোৱালীজনীৰ ব্যৱহাৰত। মাতটোও মিঠা—বাঁহীৰ সুৰ যেন। দেহৰ গঠনো সুন্দৰ—লনি। হিন্দিত কথা কৈছিল। মই অলপ বুজি পাইছিলোঁ।

'ঘৰটো চিনি পালেই যেতিয়া আপুনি বহক মিছ বৰুৱা। এখেত এতিয়াই আহি পাব। মই যাওঁ। মোৰ আন এটা এৰাব নোৱাৰা কাম আছে। বেয়া নাপাব।' কাকতিয়ে কলে।

'বাৰু যাওক তেনেহলে। এইখিনি উপকাৰ কৰি দিয়াৰ বাবে ধন্যবাদ।'

কাকতি গলগৈ। মই বহিলোঁ। কাষৰ আন এখন চোফাত ন-বৌও বহিল। ক'ৰ পৰা আহিছোঁ কিয় আহিছোঁ, ঘৰ ক'ত ইত্যাদি সৰু সৰু কেবাটাও প্ৰশ্ন কৰিছিল তেওঁ।

মই হিন্দি ভালকৈ নাজানো। তথাপি অশুদ্ধ ভাবে হলেও এই-বোৰৰ উত্তৰ দিব পাৰিলোহেঁতেন। কিন্তু সুবুজাৰ ভাওধৰি মৌন হৈ ৰ'লোঁ। মাথোন সংক্ষেপে কলোঁ 'এটি সকাম আছে।'

'আপুনি অকণমান বহকদেই, মই একাপ চাহ আনো' বুলি মাজতে তেওঁ ভিতৰ সোমাল। মই অকলে বহি ৰলোঁ।

বাহিৰত খুটাবৰ শব্দ শুনিবলৈ পালোঁ। ভুমুকি মাৰি চাই দেখোঁ ককাইদেউ আহিব ধৰিছে।

ককাইদেউৰ চেহেৰাটো সলনি হৈছে। আগতকৈ মুখখন তেজাল তেজাল যেন হৈছে। মনটোও বেছ উজ্বল যেন লাগিল। গাত সামৰিক পোছাকটোৰে শুৱাই তুলিছে।

ককাইদেউ গপগপকে ভিতৰ সোমাই আহিল। হঠাতে মোক দেখি থমকি ব'ল। চকহে খালে যেন।

'ওহ্ অপু! তুই—'

দেখিলোঁ ককাইদেউৰ উজ্বল মুখখন কেহবাজ বৰণ যেন হৈ পৰিল।

'কিয় আহিলি?'

অতি অভদ্রজনোচিত প্রশ্ন। নিজৰ গাওঁৰ মানুহকো তৎক্ষণাৎ এনেকুৰা প্রশ্ন কোনেও নকৰে। অথচ মই তেওঁৰ ভনীয়েক—তেওঁ মোৰ ককাইদেউ।

একো নকলোঁ, ধৈর্য্য ধৰিলোঁ। নধৰি উপায়ো নাছিল। ককাই-দেউৰ এনেকুৰা ব্যৱহাৰ একেবাৰে অনভিপ্রেত নাছিল। এই কথাটো আপুনি আগতেই বুজি পাইছিল, মই পিচত বুজিলোঁ।

মনটো অতি সংযত কৰি ঘৰৰ সকলো কথা বিৱৰি কলোঁ—মাৰ মৃত্যুৰ কথা, আপোনাৰ অৱস্থা, লগতে চিকিৎসাৰ অভাৱৰ কথা।

ককাইদেউ বৰ গম্ভীৰ হৈ পৰিল। পকেটৰ পৰা পাঁচখন দহটকীয়া নোট মোৰ ফালে আগুৱাই দি কলে 'হো ল'। দেউতাৰ বাবে ঔষধ কিনিবি। ভৱিষ্যতে তই মোৰ ইয়ালৈ আৰু নাহিবি। আৱশ্যক হলে চিঠি লিখিবি। জানই মোৰ পদবীটোৰ এটা প্রেষ্টিজ আছে। তোক ইয়াত নেদেখিলেই মই ভাল পাম।

ককাইদেউৰ কথা কেইষাৰ বিষাক্ত শৰৰ দৰে মোৰ কোমল বুকুখন বিন্ধি গ'ল।

ব্যাধিগ্রস্ত মানুহে নিজক সুস্থ সবল বুলি দেখুৱাবলৈ এটা ব্যর্থ

প্ৰয়াস কৰে। প্ৰকৃততে ই তেওঁলোকৰ নীচাত্মিকা মনোবৃত্তি। ককাই-দে উৰ উক্তিও তাৰেই প্ৰতিধ্বনি।

ককাইদেৱেও এটি ব্যাধিগ্ৰস্ত পৰিয়ালৰ পৰা ভোগ কৰা নিজৰ ব্যাধিক ঢাকি ৰাখিবলৈ এটা অভিনয় কৰিছিল। নিজৰ উঠি অহা জীৱনৰ সোপানটো ক'ৰ পৰা আৰম্ভ হৈছিল তাক উভতি চোৱাৰ প্ৰয়োজন তেওঁ কোনো দিনে বোধ কৰা নাছিল। সেইকণ সৎসাহসৰ তেওঁৰ অভাৱ আছিল।

'তোক ইয়াত নেদেখিলেই মই ভাল পাম' বোলা কথাষাৰ শুনাৰ লগে লগে মই হিতাহিত জ্ঞানশূন্য হৈ পৰিছিলোঁ।

'...অকৃতজ্ঞ পশু তই'। সৰ্বশৰীৰ মোৰ কঁপি উঠিছিল। তেওঁ আগুৱাই দিয়া দহটকীয়া নোট কেইখন এক ৰকম কাঢ়ি আনি পুনৰ তেওঁৰ মুখলৈকে মাৰি পঠালোঁ। মোৰ চকুমুখ তেতিয়া বোধহয় হিংস্ৰ বাঘতকৈও ভীষণ আকাৰ ধাৰণ কৰিছিল।

আৰু কিছু কথা কটাকটি কৰি ওলাই আহিলোঁ আলিবাটলৈ।

* * * *

* * * অসম্পূৰ্ণ চিঠিখন। কিজানি লিখিবলৈ সময় নাপালে। কিন্তু আখৰবোৰ যে অণুৰ তাত ধনিষ্ঠামানো সন্দেহ নাই।

ক্ৰীং—ক্ৰীং—ক্ৰীং।।

এডভোকেট ভাস্কৰ শইকীয়াৰ টেলিফোনটো বাজি উঠিল বৰ অসময়ত। বিশেষ জৰুৰী কথা নাথাকিলে এনে অসময়ত ফোন নাহে। এযাৰ বজাত উকীল এডভোকেটবোৰক ঘৰত পোৱাতো ভাগ্যৰ কথা। সেই সময়ত সাধাৰণতে তেওঁলোক কাছাৰীত থাকে।

ভাস্কৰে বিচিভাৰটো দাঙি ললে। ক'ৰবাৰ পৰা ভাহি আহিল এটি নাৰী-কণ্ঠ। নাৰীৰ কণ্ঠস্বৰৰ লগত তেওঁৰ পৰিচয় নতুন নহয়। ওকালতি সংক্ৰান্তত বহু নাৰীৰ সান্নিধ্যলৈ যোৱাৰ সুবিধা তেওঁৰ ঘটিছে।

ইয়েহ, কোনে কৈছে ?...হয়, মই ভাস্কৰ শইকীয়া নথকাৰে কথা।

আজি হঠাতে এগৰাকী মন্ত্ৰী ঢুকাল নহয়, গতিকে কাছাৰী বন্ধ আছে। ...এৰা এই সময়ত অৱশ্যে বিশেষ প্ৰগ্ৰেম নাই। ঘৰতে আন লিখা পঢ়াৰ কাম অলপ কৰিবলৈ মন মেলিছোঁ।...কেছ আদিৰ সংক্ৰান্ত বাতিপুৱা আহিলেহে ভাল হ'ব।...কি কলে কেছ নহয়? ব্যক্তিগত? ...বিশেষ জৰুৰী? বেছ আহক তেনেহলে। মই ঘৰতে আছোঁ।

আধাঘণ্টামান পিচত এখন ৰিক্সা থামিল ভাস্কৰ শইকীয়াৰ কোৱাৰ্টাৰৰ সন্মুখত। এগৰাকী ভদ্ৰমহিলা নামি আহিছে। বয়স ত্ৰিশ মান হব। ভদ্ৰমহিলাই নিজেই গেটখন খুলি ভিতৰ সোমাই আহিল। বাৰান্দাত উঠি নাম-ফলিখন এবাৰ ভালকৈ চাই ললে— ইংৰাজীতে লিখা আছে 'শ্ৰীভাস্কৰ শইকীয়া এম. এ, এল. এল. বি, এডভোকেট।' কলিং বেল বজাই দিয়াৰ লগে লগে ভাস্কৰ ভিতৰৰ পৰা ওলাই আহিল।

'নমস্কাৰ! আপুনিয়ে মিঃ শইকীয়া?'

'হয়, আহক। আপুনিয়ে নিশ্চয় অলপ আগতে ফোনে ফোন কৰিছিল'। ড্ৰইং ৰুমৰ ভিতৰলৈ আগবাঢ়ি ভাস্কৰে সুধিলে।

'হয়।'

'বহক!'

দুয়ো দুখন আসনত মুখামুখি হৈ বহি পৰিল।

'আপোনাক কিন্তু মই ইয়াৰ আগতে দেখিছোঁ বুলি মনত নপৰে।' ভাস্কৰে কলে।

'দেখিছে হয়তো—মনহে কৰা নাই। অৱশ্যে দিব লগা তেনে বিশেষ পৰিচয়ো নাই।'

'তথাপি··· ।'

'মই ৰেলওৱে হস্পিটেলত কাম কৰোঁ নাৰ্চৰ কাম।'

হস্পিটেলৰ নাৰ্চ। নাৰ্চ এগৰাকীৰ তেওঁৰ লগত কি সকাম থাকিব পাৰে বাৰু? --ভাস্কৰে অনুমান কৰিব নোৱাৰিলে।

'কি জৰুৰী সকাম আছিল ক'ব পাৰে নিছ···'

'মোৰ নাম আৰতি বৰা।'

'হয় কওক মিছ বৰা।'

'আপোনাৰ কেমিলি আছে নেকি ?'

'নাই। মই বেচেলৰ (bachelor)। কিবা অসুবিধা অনুভৱ কৰিছে নেকি ?'

'নাই কৰা। মই সেইটোকে কামনা কৰিছিলোঁ।'

'মই বুজা নাই। ব্যক্তিগত ভাবেতো…'

'নিতান্ত ব্যক্তিগত বুলি ক'ব নোৱাৰি। কিছু পৰিমাণে আপুনিও জড়িত আছে।'

'কওক, কোনো সংকোচ কৰিব নালাগে।'

'আপোনাক যি কম, ই মোৰ কথা নহয়। আন এগৰাকীৰ হকে মই আপোনাৰ ওচৰলৈ আহিছোঁ।'

'মিছ বৰা, আপুনি পাতনি দীঘল নকৰাই সমীচীন হ'ব।'

'আপুনি মোৰ ওপৰত বিৰক্ত হৈছে যেন পাওঁ।'

'অকণো হোৱা নাই। অতি চৰম মুহূৰ্ত্ততো ধৈৰ্য্য ধৰি থকাটোৱে আমাৰ ব্যৱসায়ৰ প্ৰথম লক্ষণ।'

আৰতি বৰাই ভেনিটী বেগৰ পৰা দীঘলীয়া চিঠি এখন উলিয়াই ভাস্কৰৰ আগত দাঙি ধৰিলে।

'এই আখৰ আপুনি চিনি পায় ?'

ভাস্কৰে আখৰ কেইটাৰ ওপৰত চকু ফুৰালে কেবাবাৰো। চিনাকি চিনাকি যেন লাগিল। কিন্তু…

'কিজানি চিনি পাবও পাৰোঁ।'

'কিজানি নহয়, আপুনি চিনেই। বিচাৰিলে এতিয়াও আপোনাৰ চুটকেছ কিম্বা আলমাৰিত এই আখৰৰ চিঠি ওলাব।'

এনেতে বাহিৰত মটৰৰ হৰ্ণ বাজি উঠিল। পৰ্দ্দাৰ ফাকেৰে শইকীয়াই ভুমুকি মাৰি চালে কোন আহিছে।

'আজি আৰু নহল।' ভাস্কৰে কলে।

'কিন্তু ···!' আৰতি বৰা যেন হতাশ হল।

'মোৰ ভনীজনী আৰু ভাইৰ গিৰিয়েক আছিছে। তেওঁলোককতো আৰু উপেক্ষা কৰিব নোৱাৰোঁ।'

'তেনেহলে আপুনি চিঠিখন ৰাখি থওক। তেওঁলোক গলে পঢ়ি চাব। আৱশ্যক বোধ কৰিলে মোলৈ ফোন কৰিব। আজি মোৰ ডিউটি নাই।

লৰালৰিকৈ ভাস্কৰে আৰতি বৰাৰ ফোনৰ নম্বৰটো টুকি ললে।

এনেতে কৰবী আৰু তেওঁৰ গিৰিয়েক দেৱেন কাকতি সোমাই আহিল। কৰবীয়ে একেবাৰে ভিতৰ চোতাললৈকে গ'ল। কাকতি ড্ৰইং ৰুমতে বহিল। নমস্কাৰ জনাই আৰতি ওলাই গ'ল। শইকীয়াই বাৰান্দালৈ আগবঢ়াই থলে।

'কি, তোমালোকে কিবা প্ৰেমৰ লীলা পাতিছিলা নেকি? আমি আহি disturb হে দিলোঁ।

'ধ্যেৎ কিবোৰ যে কোৱা। কৰবীয়ে শুনিলে কি ভাবিব?' ভাস্কৰে ভিতৰলৈ এবাৰ ভুমুকি মাৰি কৰবীক নেদেখি নিশ্চিন্ত হল।

'ভদ্ৰ মহিলা গৰাকী কিবা এটা জৰুৰী কথাৰ বাবে আহিছিল। কোৱা আৰু নহল - তোমালোক আহি পালা।'

'কিমান আগতে আহিছিল তেওঁ?'

'এই ধৰা দহ মিনিটমান হ'ব।'

'দহ মিনিটতো কৰলগীয়া কথাটো নোলাল। ই কি কথা হব পাৰে বাৰু? নিশ্চয় প্ৰেমৰ কথা। প্ৰেমৰ কথা সহজতে নোলায়। বুকু ফাটে, মুখ নুফুটে।'

'ছেঃ কি নিলাজৰ দৰে কথা কৈছা?'

'ইয়াত লাজৰ কথা কি আছে। কিমান দিন আৰু বৰলা ভাত খাবা? বয়স পাৰ হৈছিহে। কলি যুগৰ মানুহ, কেইদিন বাচিবা। যদি কোনো সৌভাগ্যৱতীয়ে উপৰাচি আহিছে, তেনেহলে কোৱানা, আমিয়ে তাৰ ব্যৱস্থা কৰি পেলাওঁ।···'

কাকতিয়ে আৰু কিবা কলেহেঁতেন, কৰবী গোসাই অহাত দুয়োৰো কথা বন্ধ হ'ল।

'তোমালোক অহাত ভালেই হল। বহুৰ দিন নহয়, মনটো বৰ উকণ্ঠা উকণ্ঠা যেন লাগি আছিল।' কথাৰ আঁতত সলাই ভাস্কৰে কলে।

'তুমি শুনিলা নে নাই জানো, যোৱা বাতি তোমালোকৰ গাওঁৰে ৰমেশ বৰুৱা ঢুকাল। আমি কালি গাওঁৰ পৰা আহিছোঁ। পূৰ্বৰ ধেমালি এৰি গহীন ভাবে কাকতিয়ে কলে।

'ৰমেশ বৰুৱা মানে…সেই মদন বৰুৱাৰ দেউতাক নহয় জানো?'

ভাস্কৰে ইচ্ছা কৰিয়েই অপুৰ নামটো মনত পেলাব খুজিছিল। কৰবীয়েও উল্লেখ নকৰিলে নামটো।

'বৰ সৎ ব্যক্তি আছিল। শেষ জীৱনত কিন্তু শান্তি নাপালে।'

'ভদ্রলোক গৰাকীয়ে হঠাতে কিবা মানসিক আঘাত অর্থাৎ মেণ্টেল চক পাইছিল বুলি অনুমান হয়।' কাকতিয়ে কলে।

'তুমি জানিলা কেনেকৈ?'

'পুৱাবেলা বোৱাৰীয়েকজনী তালৈ গৈছিল। বহু সময় ধৰি দুয়োৰো ভিতৰত কিবা কিবি আলোচনা হৈছিল। অৱশ্যে আলোচনাৰ বিষয়বস্তু জনা নাযায়। কোনো মানুহ তাত উপস্থিত নাছিল। আবেলি হেনো হঠাতে বোৱাৰীয়েক তাৰ পৰা গুচি আহিল।—বাতি বৰুৱা ঢুকায়।

'মদন ভেমেহলে এতিয়া গাওঁৰ ঘৰতে আছে, নহয় জানো?' ভাস্কৰে সুধিলে।

'এৰা। কিন্তু মদনক লৈয়েই এটা সমস্যা হৈছে। তেওঁ ঘৰলৈ গৈছে যদিও সমাজে তেওঁক দেউতাকৰ শ্রাদ্ধ কৰিবলৈ অনুমতি দিবলৈ অমান্তি হৈছে।' কাকতিয়ে ক'লে।

'কিয়, বাহিৰৰ ছোৱালী বিয়া কৰোৱা বুলি।' আচৰিত হৈ ভাস্কৰে প্ৰশ্ন কৰিলে।

'নহয়। সেই প্রশ্নটোৰ সমিধান হয়তো হৈ গ'লহেঁতেন। গাওঁ বোৰত এনেকুৱা ঘটনা মাজে সময়ে হৈয়েই থাকে।'

'তেনেহলে আন কি কাৰণ থাকিব পাৰে বাৰু?' প্রশ্নবোধক দৃষ্টিৰে ভাস্কৰে কাকতি আৰু কৰবীলৈ চালে।

'মৃত্যুৰ আগেয়ে মদনক দেউতাকে ত্যজ্যপুত্ৰ কৰি সকলো সম্পত্তিৰ পৰা বঞ্চিত কৰি থৈ গৈছে।'

'ত্যজ্যপুত্ৰ কৰিলে মদনক !! ··বৰুৱাৰ দৰে এজন বিজ্ঞ লোকে এনেকুৱা অবিবেচকৰ কাম হঠাতে কৰি পেলালে। কিন্তু কিয়?'

'সেইটো এতিয়াও ৰহস্যজনক হৈয়েই থাকিল।' মাজতে কৰবীয়ে কলে

'মইতো সদায় কাষৰীলৈ অহা-যোৱা কৰি আছোঁ। কোনো দিনেই এই কথা শুনা নাই। অন্ততঃ এনেকুৱা কিবা উইল আদি হলে নিশ্চয় গম পালোহেঁতেন।

'ৰেজিষ্ট্ৰী উইল কৰা নাই। গাওঁৰে কেইজনমান মুখিয়াল চাই মানুহ মতাই আনি কেঁচা উইল এখন লিখি দি গৈছে। উইলত এই কথা স্পষ্টকৈ আছে।

ভাস্কৰৰ মনটো খেলিমেলি লাগি গ'ল। কিয় জানো কলিজাটোৰ একোণত আজিও বৰুৱাৰ পৰিয়ালৰ বাবে এখনি মৰমৰ ঠাই ৰৈ আছে। মদনক ভাস্কৰে তাৰ চৰিত্ৰৰ কাৰণে বেয়া পাইছিল। তথাপি মদন তেওঁৰ এসময়ত সহপাঠী আছিল। আৰু অপু······ভাস্কৰে আৰু ভাবিব নোৱাৰিলে।

মদনক সম্পত্তিৰ পৰা বঞ্চিত কৰাৰ কিবা কাৰণ উইলত উল্লেখ কৰিছে নেকি?' ভাস্কৰে পুনৰ সুধিলে।

'উইলখন মই পঢ়া নাই যদিও তাত তেনে কোনো কথাৰ উল্লেখ নাই। কিন্তু কাৰ নামত এই উইল কৰি গ'ল সেই অপুৰেই বা সন্ধান ক'ত?' কাকতিয়ে যেন নিজকে প্ৰশ্ন কৰিলে।

'আজি ছয়দিনমান আগতে গুৱাহাটীতে অণুক মই লগ পাইছিলোঁ। মোৰ আগত ঘৰলৈ যাম বুলি কৈছিল।' ভাস্কৰে কলে।

'অণুৱে নিশ্চয় দেউতাকৰ সংবাদ পোৱা নাই। পালে নহাকৈ নাথাকিলহেঁতেন।' কবৰীয়ে মন্তব্য দিলে।

'অণু তেনেহলে গুৱাহাটীত নাই নেকি?' ভাস্কৰে সুধিলে। কবৰীয়ে তৎক্ষণাৎ কলে 'মোৰো সন্দেহ। আজি তিনিদিনমান আগতে কোনো এজন মানুহৰ লগত তাই উজনীৰ গাড়ীত গৈছিল।'

'ক'ৰ পৰা এইবোৰ খবৰ সংগ্ৰহ কৰাহে তুমি?' কাকতিয়ে খেমালিৰে সুধিলে।

'আমাৰ কাষত থকা প্ৰফেচৰ শৰ্মা সিদিনা যোৰহাটৰ পৰা গুৱাহাটীত নামিছিল। তাতেই অণুক গাড়ীত উঠি যোৱা দেখা পাইছে।'

'তুমি জানিলা কেনেকৈ?'

'শৰ্মাই মিছেছ শৰ্মাৰ আগত কৈছিল। শৰ্মাই বোলে পিচত আকৌ গম পাইছিল যে, অণুৱে হেনো সেই ভদ্ৰলোকৰ লগত বাতি গুৱাহাটীৰ কোনো হোটেলত কটাইছিল।'

এনেতে বান্ধনি ল'ৰাটোৱে তিনিকাপ চাহ দি গ'ল। তিনিও চাহ খাবলৈ ধৰিলে।

বহু সময় কাৰো মুখত কথা নাই।

নিস্তব্ধ।

ভাস্কৰে ওকালতি দৃষ্টিৰে কিবা উহ বিচাৰিব ধৰিলে।

'বাক তুই তিনিদিন মানৰ ভিতৰত বাহিৰৰ কোনো লোক বৰুৱাৰ ঘৰলৈ গৈছিল নেকি?' ভাস্কৰে চাহ এঢোক খাই প্ৰশ্ন কৰিলে।

'হয়, তিনিদিনমান হ'ল কোনো এগৰাকী ভদ্ৰমহিলাৰ লগত বৰুৱাই বোলে বহু সময় ধৰি চিঠি এখন পঢ়ি আছিল।'

'কোন সেই ভদ্ৰমহিলা কিবা জানা নেকি?'

'মইতো দেখা নাই। ওচৰৰ মানুহে কৈছে, গুৱাহাটীতে কাম কৰা কোনোবা নাৰ্চ বুলি।'

'নাই'!'

আধা খোৱা চাহ কাপ এৰি অলপ উত্তেজিত ভাবে ভাস্কৰ শোৱা কোঠালিলৈ সোমাই গ'ল। অলপ আগতে মিছু আবৰ্ত্তি কৰাই দি যোৱা চিঠিখন খুলি ওপৰে ওপৰে অনুসন্ধিৎসু দৃষ্টিৰে কিবা চাই ললে। হয়তো কাবোবাৰ জীৱনৰ ই দীঘলীয়া ইতিহাস। পঢ়োঁতে বা অধ্যয়ন কৰোঁতে সময় লাগিব। তাত অণু, মদন, ৰমেশ বৰুৱা আদিৰ নাম আছে। ......লগত আন কিবা ৰহস্যজনক ঘটনাও থাকিব পাৰে।

চিঠিখন পুনৰ জাপি থৈ ভাস্কৰ ওলাই আহিল।

কাকতিহঁতৰ লগত নবহিল—চিন্তাৰাজ্যত বুৰ গ'ল। ইফালে সিফালে পদচাৰণ কৰিব ধৰিলে।

ভাস্কৰৰ অন্যমনস্কতা কাকতি আৰু কৰবীৰ চকুত ধৰা পৰিল। দুয়োৰো বুজাত টান নহ'ল -বৰুৱা পৰিয়ালৰ এই বিপর্য্যয় ভাস্কৰে সহজভাবে লব পৰা নাই।

'বেছি দূৰ নহয় যেতিয়া আপুনিও এবাৰ মৃতকৰ খবৰটো লৈ আহিবচোন।' কৰবীয়ে ককায়েকক কলে।

'এৰা, পাৰিলে কাইলৈকে যাম। তেখেত এসময়ৰ মোৰ শিক্ষাগুৰুও আছিল। কাইলৈ দেওবাৰ—কাছাৰী বন্ধ।'

বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে পৰিবেশটো ভাবাক্রান্ত কৰি তুলিছিল। সাধাৰণ দুই চাৰিটি ঘৰুৱা কথাকৈ কৰবী আৰু কাকতি যাবলৈ উঠিল। দুপৰীয়া ভনীয়েক আৰু ভনীজোঁৱাই আহিছে, সৌজন্যৰ খাতিৰতে হলেও ভাত-খোৱা নোখোৱাৰ কথাবাৰ যে ক'ব লাগে তাকো ভাস্কৰে পাহৰি গ'ল।

কাকতি আৰু কৰবী গ'লগৈ।

ভাস্কৰৰ মনটো অস্থিৰ হৈ পৰিছিল। ভিতৰে ভিতৰে তেওঁলোক যোৱাত ভালেই পালে।

কৰবীহঁত যোৱাত ভাস্কৰে চিঠিখন পুনৰ উলিয়াই আনিলে। আখৰবোৰ চিনা চিনা—অণুৰ যেন লাগে।

কিছু আগতে আবৃত্তি কৰাই কোৱা প্ৰেমপূৰ্ণ কথাখাৰ মনত পৰিল—'বিচাৰিলে এতিয়াও আপোনাৰ ছুটকেছ কিম্বা আলমাৰিত এই আখৰৰ চিঠি ওলাব পাৰে।'

এবা কলেজত পঢ়োঁতে অণুৱে ভাস্কৰলৈ কেবাখনো চিঠি লিখিছিল। জীৱন-সংগ্ৰামৰ বাঁমাৰলীত বাগৰি যুৱা অণু নামৰ ছোৱালীজনীয়ে এসময়ত তেওঁক পাহৰি গৈছিল; কিন্তু তেওঁ অণুৰ স্মৃতিক পাহৰিব পৰা নাই। ভাইক তেওঁ ভাল পাইছিল। কিয় জানো আন কোনো ছোৱালীয়ে অণুৰ সেই খালী ঠাই আজিও পূৰাব পৰা নাই।

আনে নাজানিলেও কৰবীয়ে কথাবোৰ জানিছিল। কিন্তু পঢ়িলতাৰ পৰা ধুই-মচি লৰলৈ কৰবীৰো অণুৰ প্ৰতি শেষলৈ আগ্ৰহ কমি গ'ল।

এইবোৰ কথা কৰবীয়ে মুখেৰে ককায়েকক কব পৰা নাছিল। মাথোন বিয়াৰ পিচত আন আন কথাৰ মাজত এদিন এবাৰ কথা লিখিছিল 'মাকে অণুক ইমান দলৈকে নমাই দিছে যে, কোনো দিনে তাই আৰু তাৰ পৰা উঠি আহিব নোৱাৰিব। অণুৰ আশা আপুনি এৰি পেলাওক' ভাবি লওক, তাই আপোনাৰ বাবে এটি দুঃস্বপ্ন মাত্ৰ।'

ফুল ফুফুটিলে গোন্ধ নোলায়—অসমীয়াত এটি প্ৰবচন আছে। কিন্তু ফুল প্ৰস্ফুটিত নৌহওঁতেই কলিৰ পৰাও গোন্ধ ওলাব পাৰে। অলপ আগতে কৰবীয়ে কোৱা অণুৰ সিদিনাৰ ঘটনাটোও তেনেকুৱাই। সিদিনা কিবা অঘটন ঘটিলে ভাস্কৰো তাৰ সৈতে জড়িত হৈ পৰিলহেঁতেন।

ভাস্কৰৰ মনত পৰিল—

মনত নপৰাৰ কথা থাকিব নোৱাৰে। মাত্ৰ ছয়দিন আগৰ দেওবাৰটো।

সৰুৰে পৰা কবিতা লিখা বৰ অভ্যাস এটা ভাস্কৰৰ আছিল। কেইটামান লিখি থোৱা কবিতা আছিল। সাময়িক আলোচনীতো আৰু চাৰিটামান ইতিমধ্যে প্ৰকাশ পাইছিল। পাৰিলে সংগ্ৰহ এটি উলিয়াবলৈ মন কৰি পানবজাৰলৈ আহিছিল কোনো এটি প্ৰকাশন

অনুষ্ঠানৰ সৈতে আলোচনা কৰিবলৈ। উভতি যাওঁতে অলপ সজিয়া হৈছিল। প্ৰায় ছয় মান বাজিছিল। মনটো ভাল লগাবলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে খোজ কাঢ়ি আহি নৰ্থব্ৰুক গেট পালে। তাৰ পৰা তৰা লুইতৰ 'বুকুত মাৰ যাবলৈ খোজা বেলিটি চাই ভাল লাগে। ভাস্কৰেও সিদিনা ক্ষন্তেক তাত থিয় দি সেই সৌন্দৰ্য্য উপভোগ কৰিছিল।

এনেতে কাৰত দেখা পালে অণুক। অণুৱে তেওঁক মতা নাছিল। এটি নিশ্চল প্ৰতিমাৰ দৰে বৈ আছিল। অণুক দেখি ভাস্কৰ বৰ আচৰিত হৈ পৰিল। বহুদিন আগৰে পৰা অণুক ভাস্কৰে এৰাই এৰাই চলি আহিছিল। আজি অপ্ৰত্যাশিত ভাবে একেবাৰে সন্মুখত দেখি কি ক'ৰ ভাবিবলৈ টান পালে।

অণু সম্বন্ধে ভাস্কৰে আগৰে পৰা নানা কথা শুনি আছিল। দূৰৰ পৰা কেবাদিনো দেখিছিল। কৃত্ৰিম আবৰণেৰে ঢকা অণুক সেই সময়ত বাংচালী পখিলাটি যেন লাগিছিল।

সিদিনাৰ অণুৰ চেহেৰাত কোনো কৃত্ৰিমতা নাছিল। গাত প্ৰসাধনৰ আড়ম্বৰো নাছিল। চকু দুটা উখহা -- অলপ ৰঙা পৰিছিল।

ভাস্কৰে দুখোজ আগবাঢ়ি গৈ'ছিল।

'তুমি········ ক'ৰ পৰা··· ···'

অণুৱে একো কব পৰা নাছিল, মাথোন ভাস্কৰলৈ চাইছিল। সেই চাৱনিত আগৰ সেই ৰোমান্স নাই, আছে কিবা এটি আকুতি—কিবা এটি মিনতি। অণুক সিদিনা ভাস্কৰৰ ডেউকা ভঙা চৰাই এটি যেন লাগিছিল।

'কিবা কবা নেকি?'

বোধহয় অণুক লাজ, ভয় আৰু সংকোচে ম্ৰিয়মান কৰি তুলিছিল।

ভাস্কৰৰ চকুলৈ চাই অণুই পুনৰ তলমূৰ কৰিছিল।

'ওই ফালে আহা' বুলি ৰাস্তাৰ দাঁতিলৈ অণুক চকুৰ ঠাৰেৰে মাতি আনিলে।

দুয়ো ওচৰা-ওচৰিকৈ থিয় হ'ল।

'আপোনাৰ লগত পইচা আছে নেকি ?' নীৰৱতা ভঙ্গ কৰি অণুৱে সুধিলে।

অদ্ভুত প্ৰশ্ন অণুৰ।

'কিমান লাগে ?'

'লাগে বহুতেই। সন্ধ্যাতে বৰ ভোক লাগিছে।'

ভাস্কৰে একো নামাতিলে। ওচৰতে এখন ৰিক্সা ৰৈ আছিল। ইঙ্গিতেৰে মাতি আনিলে।

'উঠা।' ৰিক্সাখনত জাপমাৰি উঠি ভাস্কৰে অণুক কলে।

মন্ত্ৰমুগ্ধ ফণিনীৰ দৰে অণু ৰিক্সাত ভাস্কৰৰ একাষে বহি পৰিল।

'বল পানবজাৰ।' ভাস্কৰে ৰিক্সাৱালাক নিৰ্দেশ দিলে। দুয়ো গুৱাহাটী ডায়েৰীৰ কাষত নামিল। ভাস্কৰে ৰিক্সাৱালাক বিদায় দিলে।

ভাস্কৰ আৰু অণু ভিতৰ সোমাল। পৰ্দ্দা দিয়া কোঠালি এটাত দুয়ো মুখামুখি হৈ বহিল।

এটা বয় আহি চালাম দিলে।

'কি খাবা ?' ভাস্কৰে সুধিলে।

অণু নিমাত। আগতকৈ তাইৰ চকু দুটা বেছিকৈ সেমেকি উঠিছিল।

ভাস্কৰে কিবা কিবি খোৱা বস্তুৰ অৰ্দাৰ দিলে।

বয়টোৱে দুখন প্লেট দি গ'ল। দুয়ো খাবলৈ ধৰিলে। কাৰো মুখত কথা নাই।

'আপোনাৰ কোৱাৰ্টাৰ কিমান দূৰ ?' মাজতে অণুৱে মুখ নোতোলাকৈ ভাস্কৰক সুধিলে।

'ভৰলু মুখত।'

তাত ৰাতিটোৰ বাবে মই থাকিব পাৰিম নেকি ?'

এই প্ৰশ্নটো অণুৱে চাৰিবছৰ আগতে কৰা হলে ভাস্কৰ আচৰিত নহলহেঁতেন। কিন্তু আজি অণুৰ মুখত এনে অস্বাভাৱিক প্ৰশ্ন এটিৰ বাবে ভাস্কৰ সাজু নাছিল।

'মোৰ তাত বান্ধনি ল'ৰাটোৰ বাহিৰে আন কোনো নাথাকে।'

'নাথাকিলেই জানিবা—'

কাষত অন্য পৰিয়াল থাকে। গতিকে তোমাক তাত ৰখাটো কিমান দূৰ সমীচীন হব তুমিয়ে ভাবি চোৱা।

অণুৱে কি ভাবিছিল ভাস্কৰে নাজানে। হয়তো ভাবিছিল, ভাস্কৰে ঠিকেই কৈছে। ভাস্কৰ আজি কলেজৰ ছাত্ৰ নহয়। আজি তেওঁ গুৱাহাটীৰ এজন প্ৰতিষ্ঠিত এড্‌ভোকেট। সামাজিক আসন এখনো আছে। আৰু তাইৰ? তাইৰ নাই কোনো প্ৰতিষ্ঠা, নাই কোনো মৰ্য্যাদা। যি কণ আছিল ইতিমধ্যে হেৰুৱাই পেলাইছে। তাই জানে, ভাস্কৰেও জানে—ভাস্কৰৰ সৈতে নিশা যাপনৰ যোগ্যতা আজি আৰু অণুৰ নাই। আত্মঘাতী জীৱন-যুদ্ধত তাই আজি অকলশৰীয়া।

'আজি বাছ বন্ধ। ঘৰলৈ যাওঁ কেনেকৈ?' অলপ বৈ অণুৱে ক'লে।

'কিয়, ককায়েৰা - মদন? তালৈকে যোৱা।'

'তাৰ পৰাই আহিছোঁ। মোৰ উপস্থিতি তাৰ বাবে অবাঞ্ছনীয়।'

অবাঞ্ছনীয় কিয় ভাস্কৰে বুজি পাইছিল। সুনাই প্ৰশ্ন কৰা নাছিল।

'চহৰত থাকিব পৰা তেনে কোনো জনা শুনা লোক নাই নেকি?' ভাস্কৰে সুধিলে।

বিচাৰিলে ওলাব পাৰে। কিন্তু নাযাওঁ।'

যিয়ে ককায়েকৰ বাবে অবাঞ্ছনীয় আনৰ বাবে সি বাঞ্ছনীয় হব কেনেকৈ—? ভাস্কৰে অণুৰ মনোভাব বুজি পালে।

অণুৰ অসহায় মুখখনিলৈ চাই ভাস্কৰৰ বেয়া লাগি গ'ল। কলে 'তেনেহলে এটা কাম কৰা। ৰাতিটোৰ বাবে কোনো এখন হোটেলত থাকা। পৰিয়াল থাকিব পৰা হোটেল কেবাখনো আছে। মই ব্যৱস্থা কৰি দিম। কোনো ভয় নাই। ৰাতিপুৱা সহজে ঘৰলৈ যাব পাৰিবা। এতিয়া বলা।'

হয়তো কেবা বছৰৰ মূৰত ভাস্কৰৰ এনে সান্নিধ্য অণুৰ ভাল

লাগিছিল। ইমান সোনকালে উঠিবলৈ মন যোৱা নাছিল, কিন্তু ভাস্করে তাইক এবাই যাব খোজা কথাটো অণুৰ চকুত ধৰা পৰিছিল। আৰু সেয়ে অনিচ্ছাস্বত্বেও বাৰলৈ খিয় হ'ল।

'অ' তোমাৰ কিমান টকা হলে হ'ব ?' ভাস্কৰে মনিবেগটো উলিয়াই অণুক সুধিলে।

'যি পাৰে দিয়ক......।' তলমূৰকৈ অণুৱে কলে।'

ভাস্কৰে বেগৰ পৰা টকা ত্ৰিশটা উলিয়াই অণুৰ হাতত দিলে।

'এইখিনিয়েই আছিল, হ'ব নে ?'

একো, নকৈ অণুৱে টকাখিনি ললে ।

দুয়ো বাহিৰ ওলাই আহিল।

কামৰূপ হোটেলত ভাস্কৰে অণুক বাতিটোৰ বাবে থকাৰ ব্যৱস্থা কৰি দিলে। মেনেজাৰজন এসময়ত তেওঁৰ কলেজত সহপাঠী আছিল। অণুৰ যাতে কোনো অসুবিধা নহয়, তাৰ বাবে সুকীয়াকৈ এটি কোঠা দিয়ালে। লগতে একাৰবীয়াকৈ মাতি নি কলে 'যি পইচা হয় মই কালি দি যাম। মাথোন চাবি যাতে ছোৱালীজনীয়ে একো অসুবিধাত নপৰে। আমাৰ গাওঁৰে ছোৱালী। ময়েই নিলোহেঁতেন। পিচে ডাংৰলা মানুহৰ ঘৰত ৰাখিব্ কেনেকৈ ? নানাজনে নানা কথা ৰটিব।'

পিচ দিনা কাছাৰীৰ পৰা ফিৰোঁতে ভাস্কৰে হোটেলত সোমাই মেনেজাৰক হিচাবটো খুজিলে।

'তই বাচি গৈছ ভাই। পইচা আৰু তই ভৰিব নালাগিল। আন এজনেই তেওঁৰ পইচাখিনি দি দিলে।'

'কোনে দিলে ?'

'এজন ভদ্ৰলোক। ৰাতি তেৰোঁ ইয়াতে আছিল। ৰাতিৰ ভিতৰতে দুয়োৰো ভিতৰত চিনা-জনাও হৈ পৰিছিল নেকি ? নহলে দিব কিয় ?'

ভাস্কৰে বুজি নাপালে ঘটনা কি ? সচাকৈয়ে নাৰী চৰিত্ৰ দেৱতাৰো দুৰ্বোধ্য।

অণু সম্বন্ধে কবধীয়ে কবা মন্তব্যটো নিশ্চয় এই ঘটনাক ভিত্তি কবিয়ে আছিল।

ভাস্কবে ছুটকেছব তলিব পবা বিচাবি বিচাবি নীলা খামব এখন চিঠি উলিয়াই আনিলে।

অণুব চিঠি—

এসময়ত তালৈ লিখিছিল। আজি পাঁচ বছবে ছুটকেছব তলিতে পবি আছিল।

এনেয়ে চিঠিখন এবাব খুলি চালে। কিনো লিখিছিল। বেছি কথা একো নাছিল। কেইটামান মাথোন সাঙ্কেতিক ভাষা, যাব মর্মার্থ মাথো ভাস্কবেহে বুজে। মাজতে এশাবী কথা আছিল, 'পুৰুষ মানুহ ইমান ভীক হব পাবে বুলি আগেয়ে জনা নাছিলোঁ।'

ভীক শব্দটো ভাস্কবক ইঙ্গিত কবিয়েই প্রয়োগ কবা হৈছিল। সচাকৈয়ে ভাস্কবে সিদিনা ভীকতাবে পবিচয় দিছিল নেকি ?

……অণু তেতিয়া ক্লাছ নাইনব ছাত্রী। ভাস্কব কেতিয়াবা তেওঁলোকব ঘবলৈ যায়। মাক-বাপেকে মবম কবে। মাকে মাজে মাজে অণুক কয় 'ককায়েবব পবা কিতাপব নজনা কথা দুই এটা বুজি লবওতো পাব।'

ভাস্কবে অণুক দুই এটা নজনা অঙ্ক বুজাই দিছিল। ভাস্কব অঙ্কত আগবে পবা ভাল।

সিদিনাও আবেলি অণুক অঙ্ক বুজাই আছিল। এনেতে আহিল এজাক অকাল ধুমুহা। বাহিব ওলাবলৈকে সময় নাপালে। কোনো বকমে দুৱাবখন জপাই দুয়ো ভিতবতে সোমাই ব'ল। চাবিওফাল অন্ধকাব। বতাহব লগতে কলহব কাণে ঢলা বৰষুণ। বা' চিতা পবি সকলো কিতাপ-পত্র তিতি গ'ল। ঘবব মুধচব কিছু অংশও বতাহে উকবাই লৈ গ'ল। কাবো একো মাত নুশুনি—চাবিওফালে কেবল হো-হোৱনি শব্দ। এবাব মেঘব কাণ তালমবা ভীষণ গাজনি আক বিজুলী চেবেকনী হ'ল। ক'ববাত হয়তো বজ্রপাত হ'ল। এটা প্রবল চোচা। ঘবটো মবমবকৈ উঠিল। ভাঙি পবিব বুলি দুয়ো অতিশয় ভয় খালে।

অণুৱে আতঙ্কত চিঞৰ মাৰি ভাস্কৰৰ ভিতিত সাবট মাৰি ধৰিলে। ভাস্কৰেও নির্ভয় দিবলৈ বুলি এখন হাত অণুৰ পিঠিৰ ওপৰেদি নি আনখন বাহুত খামুচি ধৰিলে। অণুৱে যেন এক আশ্রয় পালে।

সময়ত ধুমুহা শাম কাটিলে।

অণুৱে কিন্তু ভাস্কৰক সাবটি ধৰিয়ে ৰ'ল।

সিদিনা ভাস্কৰে একো কোৱা নাছিল। অণুৰ দেহৰ তপত উম অনুভৱ কৰিলেও সহাৰি জনোৱা নাছিল।

বৰষুণ থামিল। ভাস্কৰে লাহেকৈ অণুৰ বাহুবন্ধনৰ পৰা মুক্ত হৈ দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিল।

অণুৰ মাকো ঠিক সেই সময়তে চোতাল ওলাইছিল। ভাস্কৰক দেখি কৈছিল 'উঃ কি যে ধুমুহাটো গল। ভাগ্যে একো হানি-বিঘিনি নহ'ল।'

'হয়, অণুৱে বৰকৈ ভয় খাইছিল।' কথাষাৰ শলাগিয়ে ভাস্কৰ সিদিনা গুচি গৈছিল।

পিচদিনা ভাস্কৰে এবাৰ অণুহঁতৰ ঘৰলৈ আহিছিল। ভাস্কৰক অণুৱে চাহো দিছিল; কিন্তু মুখেৰে একো মতা নাছিল। তাইৰ গোমোঠা মুখখনত যেন আগদিনাখনৰ ক'লা মেঘৰ টুকুৰা খণ্ড তেতিয়াও বৈ আছিল।

ভাস্কৰ উঠিলত 'আপোনাৰ কিতাপখন লৈ যাওক বুলি' অণুৱে এখন কিতাপ ভাস্কৰক দি গ'ল।

সেই কিতাপখনৰ মাজতে আছিল এই নীলা ৰঙৰ চিঠিখন য'ত লিখা আছিল 'পুৰুষ মানুহ ইমান ভীৰু বুলি আগতে জনা নাছিলোঁ।'

চিঠিখন পঢ়ি ভাস্কৰে নিজে নিজে অলপ হাঁহিছিল। ভাবিছিল বেচেৰীয়ে হয়তো কালি মোৰ পৰা আৰু কিবা বিচাৰিছিল।

অণুৰ আৰু কেবাখনো চিঠি ভাস্কৰে খুলি চালে। কিন্তু এখনো নপঢ়িলে। অতীতৰ স্মৃতি ৰোমন্থন কৰিবলৈ আজি আৰু আগ্রহ নাই।

নীলা ৰঙীয়া চিঠিখনৰ লগত অণুৰ অতীতৰ আখৰবোৰৰ সাদৃশ্য আছে।

সামৰণিত লিখকৰ নাম নাথাকিলেও সেইখন যে অণুৰেই লিখা সেই সন্দেহ আঁতৰিল।

পুৰণি চিঠিবোৰ পুনৰ সুমুৱাই থলে সেই পুৰণি কলেজীয়া জীৱনত্তে কিনা ছামবাৰ ছুটকেছটোত।

দীঘলীয়া চিঠিখন পঢ়ি গ'ল ভাস্কৰে। একান্ত মনে পঢ়িব ধৰিলে। পঢ়ি পঢ়ি এনে লাগিল যেন তাৰ প্ৰতিটো দাড়ি, কমা, চেমিকোলনেও একোটা কিবা অজানা কথাৰ সংকেত দিব খুঁজিছে।

······চিঠি পঢ়া শেষ হ'ল। এজনী ছোৱালীৰ জীয়াই থকাৰ সংগ্ৰামৰ পথত উজুটি খোৱা স্বীকাৰোক্তিবোৰ এনে ভাবে প্ৰকাশ হৈ পৰিছে যেন ই আমাৰ আধুনিক তথাকথিত সভ্য সমাজখনৰ এটি বিকৃত প্ৰতিচ্ছবিহে।

ইয়াৰ বাবে দায়ী কোন ?

অণুৰ বিষয়ে সঁচা-মিছা বহু কথাকে শুনিছিল, দেখিছিল ভাস্কৰে। চিঠিখনতো সেইবোৰ প্ৰকাশ নোপোৱাকৈ থকা নাই। তথাপি অণুৰ প্ৰতি অকস্মাতে কিয় জানো ভাস্কৰৰ ভাল লাগি গ'ল।

অণু আজি আগৰ সেই অণু নহয়।

অণু আজি জুয়ে পুৰি শোধন কৰা সোণ।

অণুৰ কাৰণে হঠাতে ভাস্কৰৰ অন্তৰখন কান্দি উঠিল। এবাৰ— অন্ততঃ এবাৰ অণুক লগ পাবলৈ উদ্বাউল হৈ পৰিল।

কিন্তু অণু আজি ক'ত ? কোনে জানে ?

চিঠিখন অসম্পূৰ্ণ। তাত নাম, ঠিকনা, তাৰিখ একোৰে উল্লেখ নাই। মনত পৰিল অলপ আগতে চিঠিখন লৈ অহা মিছ আৰতি বৰালৈ। আৰতি বৰাই অণুৰ নিশ্চয় সন্ধেদ দিব পাৰিব।

* * * *

ৰেলওৱে হস্পিটেলৰ চৌহদ।

নাৰ্ছ আৰতি বৰাৰ কোৱাৰ্টাৰ। কাৰোবাৰ চাইকেলৰ বেলৰ শব্দ শুনি আৰতি বৰা ওলাই আহি দেখে চোতালত ভাস্কৰ শইকীয়া।

অপ্ৰত্যাশিত ভাবে নিজৰ ঘৰ সন্মুখত ভাস্কৰ শইকীয়াক দেখি আৰতি বৰা নিজেই হতবাক হৈ পৰিছিল। ভাস্কৰৰ দৰে ভদ্ৰলোক এজনক এনেদৰে পাবলৈ তেওঁ প্ৰস্তুত নাছিল।

'ইস্ আপুনি আহিল কিয়? ফোন কৰিলে ময়েই গলোঁহেঁতেন।' সাধাৰণ কাঠৰ চকীখন আগবঢ়াই দি বৰাই কলে।

ভাস্কৰে একো নামাতিলে। মনটো বৰকৈ উত্তেজিত হৈ পৰিছিল। কপালখন ঘামি গৈছিল। কমালখন উলিয়াই ঘামবোৰ মচি ললে।

'আপুনি অকণমান বহক দেই। আগতে একাপ চাহ খাই লওক। মোৰ আকৌ আলধৰা নাই। নিজেই সকলোখিনি কৰিব লাগে।'

'নালাগে আপুনি কষ্ট কৰিব। সম্প্ৰতি মোৰ চাহ খোৱাৰ কোনো আগ্ৰহো নাই। চিঠিখনৰ বিষয়ে কিবাকিবি আলোচনা কৰিবলৈহে মই আহিছো।'

'সেইটো মই বুজিছোঁ। তথাপি এদিনীয়াকৈ আহিছে। তদুপৰি চাহ একাপ খাই ললে আলোচনা কৰিবলৈও ভাল লাগিব। যদি অকলে থাকিবলৈ বেয়া পায় আজিৰ বাতৰি কাকতখনকে পঢ়ক।'

'দৈনিক অসম'খন আগবঢ়াই দি বৰা ভিতৰ সোমাল।

ভিতৰত ষ্টোভ জলোৱাৰ শব্দ শুনা গ'ল।

বাতৰি কাকত পঢ়াৰ ধৈৰ্য্য নাছিল ভাস্কৰৰ। অগত্যা শিষ্টাচাৰ ৰক্ষা কৰি সময়খিনি কটোৱাৰ বাবে ওপৰে ওপৰে চকু ফুৰাব ধৰিলে। সম্পাদকীয় স্তম্ভটোত দেখিলে, পাঁচদিনমান আগতে লামডিং ষ্টেচনৰ প্লেটফৰ্মত বোমাৰ বিস্ফোৰণত তিনিটা যাত্ৰীবাহী ৰেলৰ ডবা নিঃচিহ্ন হৈ যোৱাৰ কথা। সন্ত্ৰাসবাদী সকলৰ অত্যাচাৰৰ বাবে ভাৰত চৰকাৰৰ শিথিলতাক সমালোচনা কৰা হৈছে। আৰু এঠাইত দেখিলে কোনোবা গাওঁত দুটা মুৰৰ এটি বিকৃত সন্তানৰ জন্ম হৈছে। কি যে সংবাদবোৰ প্ৰকাশ কৰে আজিকালিৰ কাকতবোৰত। পাঠক সকলে নিশ্চয় এনেবোৰ সংবাদ পছন্দ কৰে। নহলেনো সংবাদদাতাই যোগান ধৰিবই বা কিয়? সঁচাকৈয়ে সামগ্ৰিক ভাবে সমাজৰ ৰুচি আজি বিকৃত

হৈ পৰিছে। বিকৃত সমাজৰ সন্তান বিকৃত হবই। —শাৰীৰিকেই হওক বা মানসিকেই হওক।

অকস্মাতে এটি সংবাদৰ ওপৰত ভাস্কৰৰ দৃষ্টি নিবদ্ধ হ'ল—

লামডিঙৰ বোমাৰ আঘাতত চিকিৎসাধীন হৈ থকা অণু বৰুৱা নামৰ ছোৱালীজনীৰ অৱস্থা সঙ্কটজনক।

তেন্তে…

মিছ বৰাই একাপ চাহ লগত দুখন বিস্কুট আনি সৰু টেবুল-খনত থলে।

'খাওক সুদা চাহহে।'

'এই অণু বৰুৱাজনী কোন?' চাহৰ প্ৰতি আগ্ৰহ নেদেখুৱাই বাতৰিটো'ল আঙুলিয়াই ভাস্কৰে প্ৰশ্ন কৰিলে।

'ঠিক কব নোৱাৰোঁ। সিদিনা কিমান মৰিল তাৰ সঠিক হিচাব হোৱা নাই। হস্পিটেলতে আহত সকলৰ ভিতৰত কেবাজনো মৰিছে।'

'মিছ বৰা, আপুনি নিশ্চয় মোৰ মনৰ অৱস্থা উপলব্ধি কৰিব পৰা নাই।'

'আপুনি বৰ অধৈৰ্য্য হৈ পৰিছে মিঃ শইকীয়া। আপোনাৰ মনৰ ব্যাকুলতা মই উপলব্ধি কৰিছোঁ। চাহ কাপ খাই লওক। লাহে লাহে কথা কৈছোঁ।'

বৰাই ভাস্কৰলৈ চাহৰ কাপটো আগুৱাই দি পৰিস্থিতিটো কিছু স্বাভাৱিক কৰি তুলিবলৈ চেষ্টা কৰিলে।

'আপুনি এই চিঠিখন ক'ত পালে?' মুখৰ পৰা চাহৰ কাপটো নমাই ভাস্কৰে সুধিলে।

'তাকেইতো কৈছোঁ। শুনক—লামডিঙৰ বোমা বিস্ফোৰণ হোৱাৰ দিনাখন মই তাতেই আছিলোঁ। এমাহৰ কাৰণে লামডিঙৰ ৰেলওৱে হস্পিটেলত এজনী নাৰ্ছৰ ছুটীত কাম কৰিব লগাত পৰিছিলোঁ। বোমাত আহত ৰোগী সকলক আমিয়ে শুশ্ৰূষা কৰিছিলোঁ। বেছি

আঘাতপ্ৰাপ্ত সকলৰ অনেক তাতেই মৰিল। সাধাৰণ জখম হোৱা বোৰক এদিনতে বিদায় কৰি দিয়া হ'ল। মই অহাৰ সময়লৈকে—'

'আপুনি কোনদিনাখন তাৰ পৰা আহিছে।'

'যোৱা পৰহি।'

'তাৰ পিচত কওক।'

'তাতেই লগ পালোঁ আপোনাৰ সেই অণু বৰুৱা নামৰ ছোৱালীজনীক।'

ভাস্কৰ এইবাৰ সচাকৈয়ে বিহ্বল হৈ পৰিল। কথাত উদ্বিগ্নতা প্ৰকাশ পালে।

'তেনেহলে অণুও বোমাৰ আঘাতত আহত হৈছে?'

'কলোৱেইতো আপোনাক।'

'কিন্তু কেনেকৈ? তেওঁতো সেই ফাললৈ যোৱাৰ কথা নাছিল।'

'সেইবোৰ মই নাজানো। সোধাও নাই, আৰু তেৱেঁা কোৱা নাই। আহত ৰোগীৰ প্ৰতি আমাৰ যি কৰ্ত্তব্য তাকেই কৰি গৈছোঁ।'

ভাস্কৰ এখন ভাবৰাজ্যত বুৰ গ'ল।

'অণুই জানো বৰ বেছি আঘাত পাইছে?' নীৰৱতা ভঙ্গ কৰি ভাস্কৰে সুধিলে।

'আঘাত একেবাৰে কম বুলি কব নোৱাৰি।'

'আপোনাৰ অনুমান কি?'

'মই আকৌ কি অনুমান কৰিম?'

'অন্ততঃ মেডিকেল বিভাগৰ লোক হিচাবে।'

'ছোৱালীজনীৰ শাৰীৰিক আঘাততকৈ মানসিক আঘাত বেছি। হঠাতে কিয় জানো উত্তেজিত হৈ যায়। কেতিয়াবা অবসন্নতাত ভাগি পৰে মাজে মাজে 'দেউতা দেউতা' বুলি কিবা ক'ব খোজে। আপোনাৰ নামো তেওঁৰ মুখত শুনিছোঁ। এবাৰ আপোনাৰ নাম কাঢ়ি কৈছিল 'মোক ক্ষমা কৰিব—'

ভাস্কৰে এটা হুমুনীয়া পেলালে।

'এই চিঠিখন অপুৰে নিজে লিখিছে নহয় জানো ?'

'হয়, ময়েই লিখাৰ সামগ্ৰী যোগাৰ কৰি দিছিলোঁ। সেই দুদিন-মানতে তেওঁ মোক আপোন কৰি পেলাইছিল। মোৰো মায়া লাগি গৈছিল নিৰাশ্ৰয়া ছোৱালীজনীলৈ।'

'নিৰাশ্ৰয়া বুলি কোনে কলে ?' হঠাতে ভাস্কৰে সুধিলে।

'তেওঁ নিজেই কৈছিল। কেবাবাৰো আমি তেওঁৰ ঘৰৰ ঠিকনা সুধিছিলোঁ। কাৰণ ঘৰৰ মানুহক খবৰ দিয়াতো আমাৰ কৰ্ত্তব্য।'

'তেওঁ একো কোৱা নাছিল ?'

'মাথো কৈছিল—মোৰ কোনো নাই।'

'তেনেহলে—'

'চতুৰ্থ দিনাখন মোক কাষলৈ মাতি নি লিখাৰ সজুলি বিচাৰিছিল। মই মোৰ নিজৰ কলমটো এখিলা কাগজ নি দিছিলোঁ। তেওঁ কৈছিল 'এখিলাৰে নহব। আৰু দিয়ক কেইখিলামান দয়া কৰি।' হস্পিটেলত তেনেকৈ বেছি পৰিমাণে কাগজ দিব পৰা কোনো সুবিধা নাথাকে। এটা কাম কৰা ল'ৰাৰ হতুৱাই মোৰ পইচাৰে আধা দিস্তা কাগজ অনাই দিলোঁ। ভাব হ'ল, বেচেৰীৰ জীৱনত কিবা কিবি ৰহস্যজনক কথা লুকাই আছে। যাৰ বাবে হয়তো ঘৰৰ লগত সম্বন্ধ ত্যাগ কৰি গুচি আহিছে। অথবা আন কোনো প্ৰিয় লোক আছে, যালৈ তেওঁ চিঠি লিখিব খোজে।

মই অৱশ্যে ইতিমধ্যে ভাৰপৰা গুচি গৈছিলোঁ।

পিচদিনা নিৰ্দ্দিষ্ট সময়ত মই পুনৰ আহিলোঁ তেওঁৰ ওচৰলৈ। দেখো, আগদিনাখনকৈ যথেষ্ট দুৰ্বল হৈ পৰিছে। আন দিনাখন মোক দেখিলে শুই থাকিলেও কথা কয়, সিদিনা শুয়েই ৰ'ল।

'মই আজি ইয়াৰ পৰা যাম মিছ বৰুৱা।' মই কলো।

'ক'লৈ ?'

'গুৱাহাটীলৈ। কেজুৱেল হিচাবেহে এমাহ ইয়াত কাম কৰিলোঁ। আজিয়েই শেষ দিন।'

'চিষ্টাৰ!'

কিবা কব নেকি?'

'মোক এটি দীঘল খাম আনি দিব পাৰিব নে?' মই এটা দীঘল খাম আনি দিলোঁ।

'চিষ্টাৰ!'

'কওক!'

গাৰুৰ তলৰ পৰা ভাজ কৰি থোৱা কেইখিলামান কাগজ খেপিয়াই খেপিয়াই মোৰ হাতত দি কলে 'অনুগ্ৰহ কৰি খামটোত ভৰাই লওক।'

কাগজখিনি মই খামটোত ভৰালোঁ।

'মই কৈ যাওঁ, ওপৰত আপুনি ঠিকনাটো লিখি লওক।'

মই অনুমান কৰিছিলোঁ, তেওঁ অসম্ভব ভাবে বাতিটোৰ ভিতৰতে দুৰ্বল হৈ পৰিছে

তেওঁ কোৱা মতে মই ঠিকনাটো লিখি ললোঁ।

'চিঠিখন সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ। দুৰ্বল দেহটোৱে আৰু নাটানিলে।' সেপাই সেহাই তেওঁ কলে।

'চিঠিখন তেনেহলে পোষ্ট কৰি দিওঁ নেকি?' মই সুধিলোঁ।

'আপুনি কেতিয়াকৈ গুৱাহাটীলৈ যাব?'

'পাৰিলে আজি বাতি, নহলে কাইলৈ বাতিপুৱাই।'

'তেনেহলে আৰু দেখা নহব নেকি?'

'যোৱাৰ সময়ত মই বাৰু মাত লগাই যাম।'

'ধন্যবাদ চিষ্টাৰ। এই চিঠিখনো আপুনিয়েই লৈ যাব। আৰু .....' তেওঁ বৈ গ'ল।

'আৰু কি?'

'গুৱাহাটীৰে এজন ভদ্ৰলোকলৈ মই আন এখন চিঠি দিম। সেই চিঠিখন আপুনি নিজ হাতে নি পৌছাই দিব লাগিব।'

'আপোনাৰ কোনো নাই বুলি কৈছিল দেখোন?'

'সেইবোৰ বহুত কথা চিষ্টাৰ। কবলৈ ললে এখন মহাভাৰত

হ'ব। উজ্জ্বল তাৰকা ৰূপে জন্মিছিলোঁ মই, কিন্তু জীৱন সংগ্ৰামত কক্ষচ্যুত হৈ পৰিলোঁ। মই আজি পগীয়া তৰা।'

লাহে লাহে কথাবোৰ কৈ মিছু বকৰাই হুমুনিয়াহ পেলালে।

'যোৱাৰ পূৰ্বে আপুনি মোক মাত দি যাব যেনে তেনে। আপুনি মোৰ বাবে যথেষ্ট কৰিছে। আপোনাৰ ওচৰত কথা লুকুৱাজো পাপ হ'ব। জীৱনৰ এই শেষ সময়ত মোৰ আজি পঁচিশ বছৰীয়া জীৱনৰ পুঞ্জীভূত হৈ থকা বেদনাবোৰ পাপৰ ডাষ্টবিনৰ পৰা উলিয়াই দি মনটো কিছু নিকা কৰিবলৈ ইচ্ছা গৈছে।'

অলপ সময়ৰ বাবে দুয়ো নীৰৱ হৈছিলোঁ। তেওঁৰ দুচকুৰ পৰা দুধাৰ লোতক বৈ আহিছে। মই মচি দিলোঁ।

'মোৰ কথাবোৰ শুনি আপুনি মোক ঘৃণা নকৰেতো চিষ্টাৰ?'

'কেতিয়াও নকৰোঁ। ভগৱান যীশুৱে কৈছে নহয় 'পাপক ঘিণ কৰিবা, পাপীক ঘিণ নকৰিবা।'

'জীৱনত মই বহুতো পাপ কৰিছোঁ চিষ্টাৰ।'

'দুখ নকৰিব। অৱস্থাৰ তাড়নাত মানুহে নকৰিবলগীয়া কাম কৰে। সেই সকলোবোৰ পাপ নহয়। আৰু চিৰদিন কোনেও বেয়া হৈও নাথাকে।'

'অৱস্থাৰ তাড়নাত কৰা পাপৰ বিধান আছে। জন্মগত সংস্কাৰৰ দোষত কৰা পাপৰ বিধান কি?'

'মই আপোনাৰ কথাবোৰ ভালকৈ বুজা নাই মিছু বকৰা।'

'যাওঁতে মোক লগ ধৰি যাব চিষ্টাৰ ·····বৰ দুৰ্বল হৈ পৰিছোঁ····· অলপ নিৰলে থাকিবলৈ দিয়ক।'

অণু বকৰাই চকু মুদিলে।

হয়তো আমনি দিয়া উচিত নহব। চিঠিখন লৈ মই আঁতৰি আহিলোঁ।

কথাবোৰ কৈ কৈ আবত্তি বৰা যেন ভাগৰি পৰিছিল।

'অহাৰ সময়ত আপুনি পুনৰ তেওঁৰ ওচৰলৈ·····'

'গৈছিলোঁ। কিন্তু তেওঁৰ তেতিয়া জ্ঞান নাছিল। ডিষ্টিটত থকা চিট্টাৰজনীয়ে কলে, যোৱা ৰাতিৰ পৰাই অক্সিজেন দি ৰখা হৈছে। অৱস্থা ভগৱানৰ ওপৰত নিৰ্ভৰ কৰিছে।'

মই কলোঁ অনুগ্ৰহ কৰি তেখেতৰ গাৰুৰ তলত চাওকচোন কিবা চিঠিপত্ৰ পোৱা যায় নেকি ?'

'কিয় ?'

'মোৰ হাতত এখন চিঠি দিয়াৰ কথা আছিল।'

'অলপ কেইটামান কথা লিখা কাগজ এখিলা পাইছোঁ। লিখিবলৈ লৈছিল হবলা—নোৱাৰিলে।'

'তেওঁ এখিলা কাগজ উলিয়াই আনি মোৰ হাতত দিলে। কাগজখনত কি লিখা আছিল জানিবলৈ নিশ্চয় ব্যগ্ৰ হৈ পৰিছে নহয় জানো মিঃ শইকীয়া ?'

'কওক !'

'শ্ৰীভাস্কৰ শইকীয়া, এড্ভোকেট—গুৱাহাটী।' তাৰ বাহিৰে আন একো লিখা নাছিল। পিচত এই দীঘলীয়া চিঠিখন পঢ়ি হে ওপৰত লিখা শইকীয়া গৰাকী আপুনি বুলি অনুমান কৰিছোঁ।'

'তাৰ মানে এই চিঠিখন আপুনি সম্পূৰ্ণকৈ পঢ়ি পেলাইছে ?' আচামীক জেৰা কৰা দি ভাস্কৰে সুধিলে।

'চিঠিখন মই পঢ়া নাছিলোঁ। আনৰ বিয়োগান্ত নাটক এখন জনাৰ বা শুনাৰ মোৰ কোনো আগ্ৰহ নাছিল। আজিও নাই।

'তেনেহলে চিঠিৰ ভিতৰৰ আটাইখিনি কথাৰ সম্ভেদ আপুনি পালে কেনেকৈ ?' বাক অণুৰে লিখা চিঠি আপুনি লৈ আছিলে নেকি ?'

'হয় আগদিনাখনৰ চিঠি আৰু পিচদিনাখনৰ আপোনাৰ ঠিকনা সহ মই গুৱাহাটীলৈ উভতি আহিলোঁ।'

'তাৰ পিচত ?'

'ভাবিছিলোঁ প্ৰথমে চিঠিখন দি আহোঁ। কাৰণ এই চিঠিখনৰ মালিকজন নিশ্চয় তেওঁৰ কোনো ঘৰৰমানুহ. নহয় আত্মীয়। ঠিকনা

বিচাৰি উলিওৱাত সবহ কষ্ট খাব লগা নহ'ল। দেখিলোঁ, সকলোৱে তেখেতক ভালদৰে জানে।'

'তেখেত মানে অণুৰ দেউতাকৰ কথা কৈছে নেকি?' আজ্জুতে ভাস্কৰে প্ৰশ্ন কৰিলে।

'হয়। তেখেতেই যে অণুৰ দেউতাক পিচতহে গম পাইছিলোঁ।'

চিঠিখন দিওঁতে অণুৰ অৱস্থা যে সংকটজনক নিশ্চয় বিৱৰি কৈছে!'

'প্ৰথমে সেইবোৰ একো উলিওৱা নাছিলোঁ। বয়সৰ সৈতে তেখেতৰ মনৰ গভীৰতাৰ যথেষ্ট সাদৃশ্য আছে। আৰু প্ৰথমেই এনেকুৱা মৰ্মান্তিক বাতৰি এটি পালে সাংঘাতিক চক্ পাব বুলি ভাবিলোঁ।

বৰুৱাই আৰাম চেয়াৰ এখনত উদাস দৃষ্টিৰে পদূলি মুখলৈ বহি চাই আছিল।

মই গৈ নমস্কাৰ জনালোঁ। তেখেতে অতি কষ্টেৰেহে ভদ্ৰতা ৰক্ষা কৰি মোক প্ৰতি নমস্কাৰ জনালে।

'বহক' বুলি বুলি বৰুৱাই উঠিব খুজিছিল। সম্ভৱতঃ মোক বহাৰ কিবা এটা ব্যৱস্থা কৰি দিব বিচাৰিছিল·

'আপুনি উঠিব নালাগে। মই বহিছোঁ বুলি অলপ আঁতৰতে থকা কাঠৰ সৰু চকীখন আনি বহিলোঁ।

'আপোনাক……' বৰুৱাই কিবা ক'ব খুজিছিল।

মই কলো 'মোক তুমি বুলিয়েই কব। আপুনি মোৰ পিতৃতুল্য।'

'এৰা! পিতৃ……' বৰুৱাই এটা হুমুনিয়াহ পেলালে। লগতে কিবা যেন অতীতৰ হেৰাই যোৱা আঁত বিচা ৰিবলৈ চেষ্টা কৰিলে।

অলপ সময় কাৰো মুখত কথা নাছিল। আপোনভোলা মানুহ জনে মোৰ পৰিচয়টোও নললে। পাহৰিয়েই গ'ল হবলা।

দীঘল খামৰ চিঠিখন উলিয়াই আগবঢ়াই কলোঁ 'এইখন বোধহয় আপোনাৰে চিঠি।'

বকৰাই থামৰ ওপৰত লিখা নামটো এবাৰ পঢ়ি চালে। মন্তব্য একো নিদিলে।

লাহে লাহে ভিতৰৰ পৰা চিঠিখন উলিয়াই ললে। এবাৰ ওপৰে ওপৰে চকু ফুৰাই পাতবোৰ লুটিয়াব ধৰিলে।

'মই চিঠিখনকে আপোনাক দিবলৈ আহিছিলোঁ।' এই বুলি কিয় চিঠিখন আধালিখা অৱস্থাৰে আনিব লগাত পৰিলোঁ সেই কথাটোৰ আভাষ এটা দিব খুজিছিলোঁ; কিন্তু বকৰাই কথাৰ মুৰ ঘুৰাই দিলে। চিঠিখন পঢ়ি শুনাবলৈ মোক অনুৰোধ কৰিলে। মই ইতস্তত কৰিলোঁ।

'আপোনাৰ ই ব্যক্তিগত চিঠি। তাত অনেক ভিতৰুৱা কথাও থাকিব পাৰে। মই পঢ়াতকৈ··· ।'

'চিঠিখন অণুৰ বুলি ধাৰণা হৈছে। আখৰ কেইটা তাইৰ যেন লাগিছে।'

হলেও আপোনাৰ পাৰিবাৰিক কথা ···'

'মোৰ পাৰিবাৰিক বুলি কোনো গোপনতা নাই। যদি পূৰ্বতে কিবা আছিলও আজি সি সদৰত পৰিণত হৈছে। মই অকণো বেজাৰ নাপাওঁ। তুমি পঢ়ি যোৱা।'

মই পঢ়ি গলোঁ।

পূজনীয় দেউতা,

* * *

আধালিখা চিঠিখন পঢ়া শেষ হ'ল। দেখিলোঁ বৃদ্ধগৰাকীৰ কপালখন কোচ খাই এঠাইত থুপ বান্ধিছে। হাতৰ কিলাকুটিটো আঠুৰ ওপৰত, আঙুলি কেইটা কপালত, মুখটো তললৈ হালি অহা, চকুহুটা মুদ খোৱা কিবা যেন আত্ম-মগ্ন অৱস্থা।

এনে নীৰৱতা। মোৰ ভাল লগা নাছিল।

'অণুৰ বিষয়ে আপুনি একো সুসুধিলে দেখোন?' ময়েই উপযাচি সুধিলোঁ।

'অণু ভাল ছোৱালী। তাই মোৰ ছোৱালী। পেটৰ তাড়নাৰ প্ৰতি থকা কৰ্ত্তব্যৰ খাটিবত ঘৰৰ পৰা গুলাই গৈছে। এদিন উভতি আহিব নিশ্চয়।'

এই ঘৰখনৰ বাবে তাই বহুতো ত্যাগ স্বীকাৰ কৰিছে। বৰ্ত্তমানে কোনো প্ৰাইভেট কোম্পানীৰ অৰ্ডাৰ গোটোৱাৰ কাম লৈছে হেনো। বেছি পইচা নাপায়। তথাপি মাজে সময়ে সহায় কৰি আহিছে। ঘৰলৈ আহিলে মোলৈ দৰৱ-পাতি আনে কেতিয়াবা খোৱা ফল-মূলো পঠিয়ায়।

ভাস্কৰে তন্ময় হৈ আৰতি বৰাই কোৱা অণুৰ কাহিনী শুনি আছিল। মাজতে সুধিলে 'আপুনি অণুৰ বিষয়ে আক কিবা উলিয়াইছিল নেকি?'

ৰবাই কলে বৰুৱাৰ অন্তিম অৱস্থাটো মই লক্ষ্য কৰিছিলোঁ। গতিকে অণু বৰুৱাৰ দুৰ্ঘটনাৰ সাংঘাটিক বৰ্ণনা এটা দিবলৈ মোৰ সত নগল। তথাপি একেবাৰে নোকোৱাটোও অনুচিত হ'ব বুলি ভাবি কৈ পেলালোঁ—

'অণু বৰ্ত্তমানে লামডিঙৰ বেলঘৰে হস্পিটেলত আছে।'

'কিয়?'

'সিদিনা লামডিঙৰ ষ্টেচনত হোৱা দুৰ্ঘটনাত কিছু আঘাত পাইছে।'

'লামডিঙত কি ঘটনা ঘটিছিল?'

'মন কৰিলোঁ, বৃদ্ধ গৰাকীয়ে পৃথিবীৰ কোনো দুৰ্ঘটনাৰে বাতৰি নাপায়। বহলাই তেখেতৰ মনত দুখ দিবলৈ ইচ্ছা নকৰিলোঁ। মাথোন কলোঁ 'কোনো দুবৃত্তই এটা ডবাত টাইম বোমা থৈ গৈছিল। তাবেই বিস্ফোৰণ ঘটিছিল। ভাগ্য ভাল, অণু সেইটো ডবাত নাছিল— কাষৰ আন এটি ডবাত আছিল। সাধাৰণ ভাবে আহত হৈছে।'

'অণু আহত হৈছে।'

বৰুৱাই যেন ঘটনাৰ গুৰুত্ব তেতিয়াহে উপলব্ধি কৰিলে। অলপ উঠিব খুজিছিল। অপত্যস্নেহত হঠাতে স্পৰ্শ কাতৰ হৈ পৰিল।

'আঃ। মই কি কৰিম। আজি মই জৰাগ্ৰস্ত, ৰোগগ্ৰস্ত

—শক্তিহীন। আমাৰ বাবে, এই পৰিয়ালটোৰ বাবে তাই জীৱনটোকে আগুৱাই দিছিল। অথচ আজি তাইৰ বিপদত মই একো কৰিব নোৱাৰোঁ - অন্ততঃ বাতৰি এটাও লব নোৱাৰোঁ। মই আজি ইমানেই শক্তিহীন!'

বকৰাৰ দুচকুৰ পৰা দুধাৰি অশ্রু বৈ আহিল।

'তেন্তে কওক, মই কি কৰিব পাৰোঁ আপোনাৰ বাবে?'

'গুৱাহাটীত ভাস্কৰ শইকীয়া নামৰ এজন উকীল আছে। আমাৰ গাওঁৰে ল'ৰা। স্বভাৱ-চৰিত্ৰ ভাল। এসময়ত অণুক ভাল পাইছিল। দুয়োৰো ভিতৰত বিয়া হোৱাৰো কথা চলিছিল। মাক মালতীয়েই সকলো খেলি-মেলি লগাই দি গ'ল। অণুক বিপথে পৰিচালিত কৰিলে। সেই পথৰ পৰা তাই আৰু উভতি আহিব নোপালে। ..'

কথা কৈ কৈ আবতি বৰা মাজতে নিজেই বৈ গ'ল।

'ব'ল যে?' ভাস্কৰে সুধিলে।

'তেখেতে আৰু এষাৰ কথা কৈছিল।'

'কি কথা?'

'আপুনি বেয়া পাব পাৰে?

'মুঠেই নাপাওঁ, কৈ যাওঁক।'

'তেখেতে কৈছিল, আপুনি আজিও হেনো অণুৰ বাবে অবিবাহিত হৈ আছে।'

ভাস্কৰে একো মন্তব্য নিদিলে।

'বকৰাই চিঠিখন মোক গুভোতাই দি কলে 'তুমি এইখন নি ভাস্কৰক দিবা।'

'আৰু কিবা কব লাগিব নেকি?'

'নালাগে। সি বুদ্ধিমান ল'ৰা। যি কৰিব লাগে নিজ বিবেচনাৰে কৰিব।'

কি জানি চিন্তা কৰি ভাস্কৰ হঠাতে কৈ উঠিল 'আপোনাক বহুতো বিৰক্ত দিলোঁ মিছ বৰা। বেয়া নাপাব। মই এতিয়া যাওঁহে।'

ভাস্কৰ থিয় হ'ল।

'আপুনি এতিয়া ক'লৈ যাব? বৰুৱাৰ ঘৰলৈ নে লামডিঙলৈ'?

'খুব সম্ভৱ লামডিঙলৈ যাম।'

'এবাৰ বেচেৰা কন্যাশোকাতুৰ বৃদ্ধ গৰাকীক লগ ধৰি যোৱা ভাল আছিল নেকি? জীয়েৰলৈ কিবা সংবাদো পঠিয়াব পাৰে। তাৰোপৰি তেখেতে আপোনাক এবাৰ বিচাৰিছিল।'

'শোক কৰিবলৈ কিবা সংবাদ পঠিয়াবলৈ বৃদ্ধ আৰু ইহ সংসাৰত নাই মিছ ৰৰা।'

আৰতি ৰৰা অকস্মাতে এনে এটি বাতৰি শুনিবলৈ সাজু নাছিল। নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালে। অলপ আগতে ভাস্কৰ শইকীয়াৰ ঘৰৰ পৰা আহিছে। ইমান সময় ধৰি ইয়াতো ইমান বেলি কথা পাতিলে; কিন্তু ভুলতো বৰুৱাৰ মৃত্যুৰ কথাটো ভাস্কৰে উচ্চাৰণ কৰা নাই। ৰৰাৰ আচৰিত যেন লাগিল ভাস্কৰলৈ।

'যোৱা কালি ৰাতিপুৱা তেখেত ঢুকাল।'

'আপুনি কেনেকৈ জানিলে?'

'আপুনি মোৰ ঘৰৰ পৰা অহাৰ অলপ পিচতে ভনীজনীৰ পৰা গম পালোঁ। আপুনি থাকোঁতেই তাই আহিছিল।'

'সঁচাকৈয়ে ই বৰ বেজাৰৰ বাতৰি।'

আৰতি ৰৰাই আৰু একো নকলে। খিৰিকিখনেৰে বাহিৰলৈ চাই ৰ'ল।

'ভাল মই আহিলোঁ। কিন্তু অনুৰোধ থাকিল, এই চিঠিখনত লিপিবদ্ধ কথাখিনি যাতে আন কোনো ব্যক্তিয়ে জানিবলৈ নাপায়।'

'সেইখিনি বিশ্বাস আপুনি নিশ্চয় মোৰ ওপৰত ৰাখিব পাৰে মিঃ শইকীয়া।'

খটখটিৰে নামি যোৱা ভাস্কৰলৈ চাই আৰতি ৰৰাই কলে।

ঘৰ পায়েই কানি কাপোৰ নোখোলাকৈ ভাস্কৰ চোফাখনত বহি

পৰিল, দেহত অবসন্নতা, কপালত চিন্তাৰ গভীৰ ৰেখাৰ ছাপ, মনত অজস্র তীৰ্য্যক প্ৰশ্ন.........

সৰু টেবুলখনৰ ওপৰত ভৰি তুলি দি চিগাৰেট এটি জ্বলালে। চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীবোৰ অকাই-পকাই লাহে লাহে বতাহত মিলি গৈছে। ভাস্কৰবো মুকিয়াই লব খোজা সিদ্ধান্তবোৰ এটি এটিকৈ খেলি মেলি হৈ পৰিব ধৰিলে।

লামডিঙলৈ বৰ্ত্তমানে ৰেলগাড়ী নাই। ৰাতিৰ মেইলত গলে ৰাতি পুৱাতে পোৱা যাব। এতিয়াও যথেষ্ট সময় বাকী।

এটা অস্থিৰ পৰিবেশৰ মাজত ভাস্কৰে নিজে নিজে পদচাৰণা কৰিব ধৰিলে। বিক্ষিপ্ত মনৰ পৰ্দ্দাত খণ্ড খণ্ডকৈ ভাহি আহিব ধৰিলে ছবিবোৰ.........

অণুৰ লামডিং যাত্ৰা—

মদনক সম্পত্তিৰ পৰা বঞ্চিত কৰা—

ৰমেশ বৰুৱাৰ আকস্মিক মৃত্যু—

পৰস্পৰ বিৰোধী ঘটনাবোৰ। হলেও সংযোগ সাধন কৰিব লাগিব। আৰু অণু.........

'ভাত বাঢ়ি দিছোঁ চাৰ' ল'ৰাটো সোমাই আহি কলে।

এৰা, ভাতৰ কথা ভাস্কৰে পাহৰিয়ে গৈছিল। তেতিয়াহে অনুমান হ'ল যেন পেটত ভোক লাগিছে।

ভাস্কৰ ডাইনিং টেবুলখনত বহি গ'ল।

অলপ পিচতে ফোনটো ক্রিং ক্রিংকৈ বাজি উঠিল।

দৌৰি আহি ল'ৰাটোৱে ৰিচিভাৰটো কাণত তুলি ধৰিলে। ভাস্কৰৰ কিবা অসুবিধা হলে আগে-পিচেও সি ধৰে।

'কোনে কৈছে ?' ভাতৰ পাতৰ পৰা ভাস্কৰে সুধিলে।

'পৰিচয়টো দিব খোজা নাই চাৰ। কোনোবা মাইকী মানুহৰ মাত যেন লাগিছে। আপোনাক লগ পাব খোজে।'

'ক, ভাত খাবলৈ বহিছে। আধাঘণ্টামান পিচত আহে যেন।'

খাই উঠাৰ পিচত ভাস্কৰৰ গাটো বৰ অৱশ অৱশ যেন লাগিছিল। ক্লান্তেকৰ বাবে বিছনাত বাগৰি পৰিল। ৰেডিঅ'টো লগাই দিলে। কোনো বিৰহীৰ কণ্ঠত ভাহি আহিছে করুণ গীতৰ সুৰ।

ভাস্কৰৰ চকু দুটা ক্ৰমে জাপ খাই আহিল।

বাহিৰৰ গেটত কাৰোবাৰ মটৰৰ হৰ্ণৰ শব্দত ভাস্কৰৰ টোপনি ভাঙি গ'ল।

'এগৰাকী মেমচাহাব আহিছে চাৰ।' ল'ৰাটোৱে আহি কলে।

'বহিবলৈ ক'গৈ। মই যাব ধৰিছোঁ।'

হাৱাই চাৰ্টটো গাত সুমুৱাই লৈ ভাস্কৰ ওলাই আহিল।

'গুড্ মৰ্নিং মিঃ শইকীয়া!'

'গুড্ মৰ্নিং মিছেছ··· ··'

'বৰুৱা। মোৰ নাম মিছেছ ৰেৱেকা বৰুৱা।'

ভাস্কৰে ৰেৱেকা বৰুৱাৰ মুখখনিলৈ এবাৰ নিৰীক্ষণ কৰিলে।

'আপোনাক মই অৱশ্যে চিনি পোৱা নাই।'

'চিনি পাব। কেপ্টেইন মদন বৰুৱাক নিশ্চয় জানে!'

'ওহ চ'ৰি! তেওঁক নাজানিম কিয়? মদন মোৰ ল'ৰালি কালৰ বন্ধু, প্ৰতিবেশী, আৰু··· ··'

কিবা কওঁ বুলি ৰেৱেকা বৰুৱাই ক'ব পৰা নাছিল। গাৰ পৰা সঘনে ওলাই অহা ঘামবোৰে মনৰ অস্থিৰতা বা উত্তেজনাৰ পৰিচয়টো দিয়াত সহায় কৰিছিল।

ভাস্কৰে টেবুল ফেনখন চলাই দিলে।

ববকটা সোণোৱালী চুলি আৰু সুন্দৰ নিপোটল শৰীৰটোত গাৰ বৰণৰ লগত মিলি যোৱা কমলা ৰঙৰ শাৰীখনেৰে ৰেৱেকা বৰুৱাক সচাকৈয়ে ধুনীয়া দেখা হৈছিল। ফেনৰ বা'ত চুলিবোৰ মাজে মাজে শূন্যত উৰি ফুৰিছিল। দীঘল মুখখন, বৈ পৰা নাক আৰু পীনোন্নত বুকুখনত কিবা যেন এটি আকৰ্ষণীয়তা আছে। ধেনুভিৰীয়া ভ্ৰূযুগলেৰে ঈষৎ নীলা চকুহাল। কবিৰ ভাষাত কবলৈ গলে 'সাগৰৰ এচামুচ

নীলা।' অৱশ্যে নীল সাগৰৰ কোনো চঞ্চলতা ভাস্কৰে তাত দেখা নাপালে। কিবা যেন এক ব্যক্তিত্ব আৰু গভীৰতাৰ চিহ্ন বিদ্যমান। মদনে দিল্লীত থাকোঁতে এই ছোৱালীজনীক প্ৰেমত পৰি বিয়া কৰাই আনিছিল। সঁচাকৈয়ে মৰম লগা ছোৱালীজনী। মদনৰ ডেকা চকুক নিশ্চয় দোষ দিব নোৱাৰি। অনন্যা নহলেও সুন্দৰী—

'মদন এতিয়া বোধহয় ঘৰলৈ—মানে গাওঁলৈকে গৈছে, নহয় জানো।'

'হয়। ময়ো যোৱা কালি গৈছিলোঁ। তেখেত আজি গৈছে।'

'কওক কি কৰিব পাৰোঁ আপোনাৰ বাবে?'

বেবেকা বৰুৱা ক্ষন্তেক সময়ৰ বাবে গম্ভীৰ হ'ল। পিচত কলে মিঃ শইকীয়া, আপুনি নিশ্চয় শুনিছে মোৰ শহুৰ দেউতা ঢুকাইছে।'

'হয়। পুৰা কৰবী অৰ্থাৎ মোৰ ভনীজনীয়ে খবৰটো দি গৈছে।' শুনি বৰ দুখ পাইছোঁ।

'আৰু এটা খবৰ আপুনি শুনিছে যে, শহুৰ দেউতাই পুতেকক তেখেতৰ সকলো সম্পত্তিৰ পৰা বঞ্চিত কৰি এখন কেঁচা উইল কৰি থৈ গৈছে।'

'সেই কথাও কৰবীৰ পৰা গম পাইছোঁ। আৰু সেই উইলৰ গয়না লৈ হেনো সমাজে মদনক পিতৃ-শ্ৰাদ্ধ কৰাৰ অধিকাৰকণো দিবলৈ মান্তি হোৱা নাই।'

'তেনেহলে দেখিছোঁ বহুখিনি সংবাদ ইতিমধ্যে আপুনি সংগ্ৰহ কৰি পেলাইছে।'

'আপোনালোকে এতিয়া সম্পত্তিৰ দাবী কৰিব নেকি?'

'দেউতা ঢুকুওৱাৰ আগতেই পুতেকে উইলৰ বাতৰিটি পাইছিল। গাওঁৰ দুই এজনে অৱশ্যে আপুনি কোৱাৰ দৰে সম্পত্তিৰ দাবী উত্থাপন কৰিবলৈ উপদেশ নিদিয়া নহয়, কিন্তু তেখেতে তাত কোনো উৎসাহ প্ৰদৰ্শন কৰা নাই।'

'তেনে হলে পিতৃশ্ৰাদ্ধ...'

'তেখেতে তাকো হেয়জ্ঞান কৰিছে। কৈছে 'দেউতাই মোক গোৰ মাৰি গঙ্গাতহে পেলাই দিলে। অৰ্থাৎ অতদিনে লঘোন দি কষ্ট খাই মৰাৰ পৰা ৰক্ষাহে কৰা হ'ল।'

ভাস্কৰ আচৰিত হ'ল। অদ্ভুত যুক্তি মদনৰ। পৃথিৱীত ইয়াৰ পূৰ্বে কোনোবাই পিতাকৰ প্ৰতি এনে মন্তব্য দিছে নে নাই ভাস্কৰে শুনা নাই।

'মদনৰ এয়ে শেষ সিদ্ধান্ত?'

'হয়।'

'আপোনাৰ মনোব্যথাৰ কাৰণ?'

'আপুনি বুজা নাই মিঃ শইকীয়া?'

'হয়তো বুজা নাই।'

ভাস্কৰে বৈ গ'ল কিবা এটা নুশুনা জটিল কাহিনী শুনাৰ আশাত। ৰেবেকা বৰুৱাও বৈ গ'ল কেনেকৈ তেওঁৰ কথাখিনি বুজাই ক'ব পাৰে তাৰ সূত্ৰ বিচাৰি।

দুয়ো নিমাত।

'আপোনাৰ বাবে একাপ চাহ আনিবলৈ দিওঁ নেকি?'

'ধন্যবাদ, একো খাবলৈ মন যোৱা নাই।'

'তথাপি?'

'যদি অসুবিধা নেৰে তেনেহলে এগিলাচ চেঁচা পানীকে খুৱাওক।'

ৰান্ধনি ল'ৰাটোৱে এগিলাচ পানী দি গ'ল। পানীখিনি খাই বৰুৱাই কলে 'শুনিছোঁ, আপুনি আমাৰ পৰিয়ালটোৰ লগত ঘনিষ্ঠ ভাবে জড়িত। সেইবাবে আপোনাৰ ওচৰত মই এটি পৰামৰ্শ বিচাৰি আহিছোঁ।'

ভাস্কৰে ভাবিলে ঘনিষ্ঠ ভাবে জড়িত বুলি কৈ ৰেবেকা বৰুৱাই অণুৰ প্ৰসঙ্গকে বুজাবলৈ খুজিছে।

'কওক, কি বিচাৰিছে আপুনি?'

'মই মদন বৰুৱাক ডাইভোৰ্চ কৰিব খোঁজো।'

চিগাৰেট এটি জ্বলাব বুলি ভাস্কৰে দিয়াচলাইৰ কাঠিটো মুখলৈ নিছিল। জ্বলোৱা আৰু নহ'ল। ডাইভোৰ্চ শব্দটো শুনাৰ লগে লগে স্থবিৰ হৈ পৰিল। ভুল শুনা নাইতো, কিম্বা মিছেছ বৰুৱাৰ মানসিক অৱস্থা স্বাভাৱিক আছেতো?

'মই সম্পূৰ্ণ সুস্থ আৰু সজ্ঞানেই কৈছোঁ মিঃ শইকীয়া। গোটেই ৰাতি উজাগৰে থাকি এই শেষ সিদ্ধান্তটো মই কৰি পেলাইছোঁ।'

ভাস্কৰে কত আচামীক আদালতত কতবাৰ জেৰা কৰিছে, কিমানক ব্যতিব্যস্ত কৰি তুলিছে; কিন্তু আজিৰ দৰে বিব্ৰত বোধ কৰা নাই। কি সুধিব একো প্ৰশ্ন বিচাৰি নাপালে।

মদনক ডাইভোৰ্চ কৰাৰ কি কাৰণ থাকিব পাৰে বাৰু! বৃদ্ধ ৰমেশ বৰুৱাই মনৰ বেজাৰত শেষ সময়ত মদনক জানিও ত্যজ্যপুত্ৰ কৰি সম্পত্তিৰ পৰা বঞ্চিত কৰিলেই, সেই বুলি সিতো কৰ্মক্ষম। দেহত এতিয়াও তাৰ অফুৰন্ত শক্তি আছে। চাকৰিও ভাল। দাম্পত্য-জীৱনৰ প্ৰথম ৰোমান্স এতিয়াও কাটি উঠিব পৰা নাই। নাৰীহিচাবে ৰেৱেকা বৰুৱাও সচাকৈয়ে ধুনীয়া। পুৰুষ হিচাবে মদনো নিকৃষ্ট নহয়। সৌন্দৰ্য্য কিম্বা দৈহিক ব্যৱধান ডাইভোৰ্চৰ কাৰণ হব নোৱাৰে। তেনেহলে জানো অণুৱে দেউতাকলৈ লিখা চিঠিত উল্লেখিত মদনৰ জন্ম-ৰহস্য তেওঁ জানিব পাৰিছে।

'আপুনি দেখোন একো নামাতিলে মিঃ শইকীয়া?'

'কি মাতিম তাকেই ভাবিছোঁ।'

ভাস্কৰে চিগাৰেটটো জ্বলাই লৈ মনটো স্বাভাৱিক কৰি ললে।

'বাৰু মিছেছ বৰুৱা, এনেধৰণৰ মাৰাত্মক সিদ্ধান্তটো কৰিবলৈ আপুনি গ'ল কিয়? আপুনি জানে, ভাৰতত, বিশেষকৈ হিন্দু সমাজত বিবাহ বস্তুটো সৰু ল'ৰা-ছোৱালীৰ, কিম্বা যাত্ৰাভিনয়ৰ বিয়া নহয়। পাশ্চাত্য দেশৰ চৰকাৰী বান্ধোন ইয়াত নাই সঁচা, সেই বুলি—'

'সামাজিক বান্ধোন আছে, এইখিনিয়েতো আপুনি কব খুজিছে। নহয় জানো?'

'সামাজিকতকৈ দৃঢ়তম বান্ধোন হ'ল মনৰ, নৈতিকতাৰ। পৰম্পৰাগত ভাবে আমাৰ সমাজৰ নাৰী সকলে নানা নির্য্যাতন ভোগ কৰিও স্বামীক দেৱতা আৰু ঘৰখনক তীর্থস্থান বুলি জ্ঞান কৰি আহিছে।'

'মিঃ শইকীয়া, মই আপোনাৰ দৰে বিজ্ঞ নহওঁ। পাণ্ডিত্যও মোৰ নাই। নীতি-শাস্ত্রও মই নাজানো। মোৰ বাহ্যিক ৰূপটো দেখি আনৰ দৰে আপুনি নিশ্চয় ধৰি লৈছে—বেৰেকা এজনী অতি আধুনিকা ছোৱালী। লাহ-বিলাহ আৰু চিকাৰ ধৰাৰ আশাত চহকী ঘৰৰ ডেকা ল'ৰাসকলৰ লগত কেতিয়াবা গাড়ীত, কেতিয়াবা স্কুটাৰত ক্লাবে ক্লাবে ঘূৰি ফুৰা এজনী বিফিউজীৰ ছোৱালী। আৰু তাইৰে ফান্দত এদিন মদন বৰুৱাৰ দৰে ভাল ল'ৰা এজনে আত্মসমর্পণ কৰিব লগীয়া হ'ল। কওকচোন শইকীয়া, এনেকুৱা এটা ভাব আপোনাৰ মনত খেলিছিল নে নাই?'

কোনো খোকোজা লগা নাছিল বেৰেকা বৰুৱাৰ কথাত। উকীল ভাস্কৰে অনুমান কৰিলে ছোৱালীজনী বুদ্ধিমতী। অন্তৰত হয়তো বহু কথাই লুকাই আছে, শ্রোতাৰ অভাৱত ব্যক্ত কৰিব পৰা নাই।

'মই কোৱা কথাবোৰ জানো মিছা মিঃ শইকীয়া?'

'সর্বসাধাৰণ মানুহৰ এনেকুৱা ধাৰণা হোৱাটো অস্বাভাৱিক নহয়। আমাৰ সমাজবোৰ পুৰণি, সংস্কাৰাচ্ছন্ন।'

'আপুনিও নিশ্চয় সেই সংস্কাৰ বহিৰ্ভূত নহয়?'

'অস্বীকাৰ কৰিব নোৱাৰোঁ। এনে এখন কোটিকলীয়া সমাজত আমি জন্মিছোঁ, বৰ্দ্ধিত হৈছোঁ আৰু প্রতিপালিত হৈছোঁ।'

'আপোনাৰ দৰে এগৰাকী উচ্চ শিক্ষিত লোকেও বৰ দুর্বল ভাবে নিজৰ সমাজখনৰ ঐতিহ্য আৰু সংস্কৃতিক স্বীকাৰ কৰিবলৈ লোৱাত দুখীত মিঃ শইকীয়া। আপুনি আজি কোট-পেণ্ট পিন্ধিলেও পূর্বপুৰুষ সকলৰ চুৰিয়া, এৰীয়া বৰকাপোৰখনক স্বীকাৰ কৰাত সৰলতা থকা উচিত।'

বেৰেকা বৰুৱাৰ কথাবোৰ ভাস্কৰে ঠিক বুজিব নোৱাৰিলে। তেওঁ

কি কব খুজিছে ? ভাস্কৰে প্ৰথমে ধৰি লৈছিল, বকৰাই আত্মপক্ষ সমৰ্থন কৰিবলৈ বিচাৰিছে। শেষলৈ দেখিলে—পৰম্পৰাগত সংস্কাৰৰ প্ৰতি তেওঁৰ এটি মোহ আছে। পৰিস্থিতিৰ লগত ৰজিতা খুৱাবলৈ লোৱা আধুনিকতাত বৰ সন্তুষ্ট নহয়।

'মিছেছ বকৰা, জটিলতা এৰি আপুনি কি কব বিচাৰিছে অলপ পৰিষ্কাৰ ভাবে কওক।'

'জটিলতাৰে পৰিপূৰ্ণ এই জীৱনটোৰ ভাষাও জটিলতাময় হৈ পৰিছে মিঃ শইকীয়া। জগতখনক সহজ-সৰল ভাবে দেখাৰ সৌভাগ্য মোৰ নহ'ল। সেয়েহে সহজ-সৰল ভাষাও শিকিব নোৱাৰিলোঁ।

মিঃ শইকীয়া আপুনি শুনাৰ দৰে মই ৰিফিউজীৰ ছোৱালী সঁচা ;- কিন্তু ভবাৰ দৰে ক্লাৱত কিম্বা ৰাস্তাত ঘূৰি ফুৰা ষ্ট্ৰীট-গাৰ্ল নহওঁ। এখন সুখৰ সংসাৰ এদিন আমাৰো আছিল। আপুনি কোৱাৰ দৰে নৈতিকতাৰ বান্ধত মেৰখোৱা সমাজ এখনতে মোৰো ককাদেউতা, দেউতা আৰু মাৰ জন্ম হৈছিল। জন্ম-সূত্ৰে ময়ো সেই একে সংস্কাৰৰ অধিকাৰিণী আছিলোঁ। কিন্তু পৰিস্থিতি বা ৰাজনৈতিক বা'-মাৰলীত উফৰি আহি ডাঙৰ হব লগা হ'ল এনে এখন ঠাইত, য'ত নাছিল কোনো সমাজ ব্যৱস্থা আৰু নৈতিকতাৰ বান্ধোন। পৰিবেশৰ লগত খাপ খুৱাই চলিবলৈ পদে-পদে আধুনিকতাৰ কৃত্ৰিম অভিনয় কৰিব লগাত পৰিছিলোঁ। ভাগ্যৱান আপোনালোক—উদ্বাস্তু হব লগা হোৱা নাই। নিজৰ দেশ, সমাজ, সা-সম্পত্তি এদিন সকলো নিৰ্মম ভাবে ত্যাগ কৰি মোৰ দেউতা সুদূৰ পেছোৱাৰৰ পৰা আহি দিল্লী পাইছিল। সকলো হেৰুৱাই আহিছিলোঁ তাত। তথাপি কব লগা একো নাছিল। কিন্তু এনে এটি বস্তু হেৰুৱালোঁ যাৰ কথা মনত পৰিলে আজিও চকুপানী ওলায়। বুকুৰ মাজত সেই আফ্‌চোচৰ ভাব আজিও বৈ আছে।'

'আপুনি কি হেৰুৱাৰ কথা কৈছে ?' ভাস্কৰে মাজতে সুধিলে।

'সম্ভ্ৰম।—যদি আপুনি বিৰক্ত বোধ নকৰে…'

'কেতিয়াও নকৰোঁ। কৈ যাওক।'

ৰেবেকা বৰুৱাই লাহে লাহে কৈ যাব ধৰিলে—

'মই তেতিয়া একেবাৰে কেচুৱা। মোৰ ওপৰত পাঁচ বছৰমান বয়সৰ ককাইদেউজন, তেওঁৰ ওপৰত এজনী বাইদেউ। বাইদেউ সেই সময়ত পাটগাভৰু। দুৰ্বৃত্তইঁতে এদিন চাৰিওফালে আগুৰি ধৰিলে। পলাবলৈ উপায় নাই। গাওঁবোৰত জুই জ্বলিছে। পিশাচইঁতে কাবোবাক খুন কৰিছে, কাবোবাক হাত-ভৰি বান্ধি জ্বলা জুইৰ মাজত পেলাই দি ফিৰিলি পাৰিছে। আমাৰ গাওঁতো সিহঁতে জুই জ্বলাই দিলে। যিয়ে যিফালে পাৰে পলাল। ৰাস্তাত হাজাৰ হাজাৰ উদ্বাস্তু। সিহঁতৰ ভিতৰত আছিল ল'ৰা, বুঢ়া, আদহীয়া আৰু ডেকা। মাথোন নাছিল কোনো যুৱতী ছোৱালী। আমি অহা দলতো নাছিল—অৰ্থাৎ আহিবলৈ দিয়া নহৈছিল। আপুনি সুধিব পাৰে তেওঁলোক ক'লৈ গ'ল? যি আছিল তেওঁলোক বলি হল দুৰ্বৃত্তইঁতৰ কামনাৰ যূপকাষ্ঠত। আমাৰ বাইদেউও আমাৰ লগত অহা নাছিল। বলপূৰ্বক কাঢ়ি লৈ গৈছিল মা-দেউতাৰ বুকুৰ মাজৰ পৰা। সিহঁত উল্লাসিত হৈ উঠিছিল এজনী জীয়া গাভৰুক তেনেভাবে ফান্দত পেলাবলৈ পাই।

সাধুকথাৰ দৰে নাৰী নিৰ্য্যাতনৰ এই কাহিনীবোৰ অলপ ডাঙৰ হোৱাত মাইঁতৰ মুখৰ পৰা শুনিছিলোঁ। অনেকে চাক্ষুস বৰ্ণনা দিছিল অনেক বীভৎস ঘটনাৰ।'

ৰেবেকা বৰুৱা অলপ বৈ গৈছিল। এই চেগতে সান্ত্বনাৰ সুৰত ভাস্কৰে কলে 'মিছেছ বৰুৱা, নিজে ভোগ নকৰিলে আনৰ বেথা আনে উপলব্ধি কৰিব নোৱাৰে। দেশ বিভাজনৰ পৰিণতি যে এনে ভয়ঙ্কৰ হ'ব, সেই সময়ত কোনেও ধাৰণাকে কৰিব পৰা নাছিল।'

'আজিও কৰা নাই মিঃ শইকীয়া। জনসাধাৰণৰ পৰা পাত্ৰমন্ত্ৰীলৈকে সকলোৱে কেৱল সমবেদনাৰ বাণীহে বৰ্ষণ কৰি আহিছে, কিন্তু প্ৰতিকাৰ একো নাই। এজনী সীতা হৰণৰ বাবে সোণৰ লঙ্কা ধ্বংস হৈছিল অথচ ৰাৱণৰ কোনো দোষ নাছিল। হৰণ-প্ৰথা ৰাক্ষস সকলৰ সামাজিক

বা জাতীয় ধৰ্ম্ম। দ্ৰৌপদীক প্ৰকাশ্য ৰাজসভাত বিবস্ত্ৰা কৰাৰ বাবে দুৰ্য্যোধনৰ উৰুভঙ্গ কৰা হৈছিল—কৰা হৈছিল দুঃশাসনৰ ৰক্তপান। অথচ তাতো কৌৰৱৰ সিমান দোষ নাছিল। পণ-সূত্ৰে দ্ৰৌপদী কৌৰৱৰ দাসীত পৰিণত হৈছিল। কিন্তু ভাৰতৰ স্বাধীনতাৰ নামত যি নৰমেধ যজ্ঞ সংঘটিত হ'ল, নাৰীত্বৰ চৰম লাঞ্ছনা ঘটিল, সি জানো কোনো সমাজৰ স্বীকৃত প্ৰথা, কিম্বা পণ-সূত্ৰে লাভ কৰা বজাৰৰ পণ্যদ্ৰব্য আছিল ?'

অনৰ্গলভাবে মিছেছ বৰুৱাই অতীতৰ করুণা-বিজড়িত কথাবোৰ কৈ গৈছে। ভাস্কৰে দেখিলে ইমান দিনৰ পুঞ্জীভূত বেদনাবোৰ তেওঁৰ চকু-মুখত প্ৰকট হৈ উঠিছে। ক্ষোভ আৰু উত্তেজনাত বেচেৰীৰ বুকুখন ঘনে ঘনে উঠা-নমা কৰিব ধৰিছে। পৰিবেশটো অলপ শীতল কৰাৰ মানসেৰে কলে 'পঁচিশ বছৰ আগৰ ঘটনাবোৰ মনৰ পৰা আঁতৰ কৰি পেলাওক মিছেছ বৰুৱা। ব্যাকুলতা ত্যাগ কৰি স্বাভাৱিক জীৱন যাপন কৰক। অযথাই দুখৰ স্মৃতিবোৰ খামুচি ধৰি থাকি লাভ কি ?'

'লাভ কি ? লাভ-খতিৰ জেৰ আপুনি চাব খোজে ? চাওক।' বেৰেকা বৰুৱাই আঙুলি এটিৰে নিজৰ সোঁ-গালখনৰ এডোখৰ ঠাই চুই কলে 'এইটো দেখিছে ?'

'এইটো এটা সৰু দাগ।' ভাস্কৰে দাগটো নিৰীক্ষণ কৰি কলে

'এবা সৰু দাগ। কিহৰ কব পাৰে ?'

ভাস্কৰে একো নকলে যদিও বৰুৱালৈ প্ৰশ্নবোধক দৃষ্টিৰে চাই ৰ'ল।

'দিল্লীলৈ আহি এগৰাকী দূৰসম্পৰ্কীয় আত্মীয়ৰ ঘৰত আশ্ৰয় লৈছিলোঁ। দেউতাই কোনো এটি সংস্থান উলিয়াবলৈ কাম বিচাৰি ফুৰিছিল। মাজে মাজে কাম পায় মাজে মাজে হেৰুৱায়। আপোনাক কৈছোঁৱেই, দেউতা প্ৰকৃতাৰ্থত পুৰণিকলীয়া সমাজৰ এখনৰ পৃষ্ঠপোষক আৰু সৎ ব্যক্তি আছিল। সততাক তেওঁ সকলো সময়তে মান্যতা দিছিল। আনফালে আধুনিক জগতত তাৰ কোনো মূল্য নাছিল। ফলত কিছুদিন কাম কৰিলেই মালিকে কামৰ অলায়ক আখ্যা দি দেউতাক কামৰ পৰা খেদি দিছিল।

আমি চাৰিটি প্ৰাণী—মা, দেউতা, ককাইদেউ আৰু মই নানা ঘাত-প্ৰতিঘাতৰ মাজেদি আমি চলিব ধৰিলোঁ। মেট্ৰিক পাছ কৰি কলেজত নাম লগালোঁ। মোৰ বুদ্ধি অলপ চোকা আছিল। সেয়ে বৃত্তি এটা পাইছিলোঁ। ককাইদেৱে বি. এ.-ৰ ফাইনেল দিব। তেওঁবো বুদ্ধি বেয়া নহয়। তেওঁ ওলালেই দেউতাৰ অলপ সহায় হ'ব—এই আশা দেউতাই কৰিছিল, বৰ বেছি দুটা বছৰ আৰু কষ্ট আছে। এনে সময়তে দেউতাই কাম কৰি থকা দোকানখন লোকচান হোৱা হেতুকে বন্ধ হ'ল। দেউতা আকৌ বেকাৰ হ'ল। পুনৰ দুখ হব ধৰিলে আমাৰ।

মোৰ এজনী কলেজত পঢ়া বান্ধৱী আছিল। নাম সন্ধ্যা। সন্ধ্যাই সিদিনা আবেলি কলেজৰ পৰা আহোঁতে তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। এজন ধনী ব্যৱসায়ীৰ ভনীয়েক তেওঁ।

তেতিয়া দিনৰ প্ৰায় এক বাজিছে। তেওঁলোকৰ দুপৰীয়াৰ আহাৰৰ সময় হৈছিল। মোক সন্ধ্যাই কলে 'আজি আমাৰ ইয়াতে খা!' বৰ জোৰকৈ ধৰিছিল খাবলৈ। মই নাখালোঁ। কিয় জানো খাবলৈ ভাল নালাগিল। 'আহোঁতে খাই আহিছোঁ' বুলি ফাঁকি দি সাৰিলোঁ। অথচ দুসাজ আমি লঘোনে আছিলোঁ। খাবলৈ একো নাছিল।

মই আহিবলৈ ওলালোঁ। সন্ধ্যাই মোক আগবঢ়াই থবলৈ গেটৰ মুখলৈ আহিল।

গেটৰ সিফালৰ পৰা অহা আন এজন ভদ্ৰলোকৰ লগত আমি মুখামুখি হৈ পৰিলোঁ। সন্ধ্যাই কলে 'মোৰ ককাইদেউ।'

ভদ্ৰলোকজন আমাৰ ওচৰত বৈ গ'ল। মৌলে এবাৰ চালে। তাৰ পিচত ভনীয়েকক সুধিলে 'এওঁ কোন?'

'মোৰ লগতে পঢ়ে। মোৰ বান্ধৱী। এনেয়ে ঘৰ চাবলৈ লৈ আহিছিলোঁ।' সন্ধ্যাই কলে।

মই নমস্কাৰ জনালোঁ। তেওঁ মোৰ পৰিচয় ললে। অলপো

সংকোচ নকৰাকৈ আমাৰ দুৰৱস্থাৰ কথা সংক্ষেপে কলোঁ। লগতে দেউতাৰ বেকাৰ জীৱনৰ কথাও কৈ পেলালোঁ।

ভদ্ৰলোকজনে অলপ সময় কি যেন চিন্তা কৰিলে। তাৰ পিচত কলে 'বাৰু তোমাৰ দেউতাৰক আজি আবেলি মোৰ ফাৰ্মলৈ পঠাই দিবাচোন। মোৰ এজন সৎ মানুহৰ দৰ্কাৰ হৈছে।'

সন্ধ্যাহঁতৰ পৰিয়ালটো বেদীপৰিয়াল বুলিয়ে জনাজাত। তেওঁলোকৰ কেবাখনো ব্যৱসায়ী ফাৰ্ম নগৰৰ কেবাটাও অঞ্চলতে আছে। বৰ চহকী মানুহ। দেউতাৰ কিবা এটি কৰ্মসংস্থান হলে ৰক্ষা পৰোঁ। সন্ধ্যাৰ ককায়েক বেদীৰ প্ৰতি মোৰ কৃতজ্ঞতাৰ সীমা নাথাকিল লগতে সন্ধ্যাজনীলৈও।

বেদী গ'ল।

'চা,' আমাৰ ঘৰলৈ অহাৰ পৰা তোৰ লাভেই হ'ল। দেউতাৰক আজি আবেলি যেনে তেনে ককাইদেউক লগ ধৰিবলৈ কবি।' মযো কম।' হাঁহি হাঁহি সন্ধ্যাই কলে।

ঘৰলৈ আহি মই দেউতাক কথাবাৰ কলোঁ। দেউতাই আবেলি বেদীক লগ ধৰিলে।

চাকৰিৰ বন্দৱস্ত হ'ল।

পিচদিনাখনেই দেউতাই চাকৰিত ভৰ্ত্তি হল গৈ।

অতদিনে আমি আটোমটোকাৰিকৈ চলিছিলোঁ। বেদীৰ ফাৰ্মত দেউতা সোমোৱাৰ পৰা অলপ অসুবিধাৰ সন্মুখীন হব লগা হ'ল। বেদী পৰিয়ালৰ লগত অহা-যোৱা ঘটিব ধৰিলে। সেই সূত্ৰে দুই চাৰিটা অভিজাত আৰু আঢ্যৱন্ত পৰিয়ালৰ সৈতেও ঘনিষ্ঠতা হ'ল। ফলত আমিও আমাৰ বাহ্যিক আৱৰণটো কিছু সলনি কৰিবলৈ বাধ্য হলোঁ।

আমাৰ অৱস্থা ভালদৰে বেদীৰ অবগত আছিল। এদিন এখন শাৰী দেউতাৰ হাতত দি কলে 'এইখন লৈ যাওক। বেৱেকাক পূজাত পিন্ধিবলৈ দিব।' দেউতাই আপত্তি জনালে। কিন্তু বেদীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলে। বেদীয়ে কলে 'বেৱেকা মোৰ ভনী। সন্ধ্যাক দিয়াৰ দৰে তেওঁকো পূজাত উপহাৰ দিছোঁ।'

বেদীৰ বয়স পঞ্চত্রিশমান হ'ব। ধনী হলেও মানুহজন অহঙ্কাৰী নাছিল। কথা-বতৰাতো ভদ্ৰই আছিল। আমাৰ পৰিয়ালটোৰ প্ৰতি তেওঁৰ এটি সহানুভূতিৰ ভাব পৰিলক্ষিত হৈছিল। অসময়তো তেওঁ আমাৰ ঘৰলৈ আহিছিল। যি কোনো সময়তে তেওঁৰ দেউতাক আৱশ্যক হৈছিল। বেদীয়ে তেওঁক কেতিয়াবা নিজৰ গাড়ীতে উঠাই কামলৈ লৈ গৈছিল। আমি তেওঁক ককাইদেউ বুলি মাতিছিলোঁ। অলপ জ্যোতিষ বিদ্যাও তেওঁ শিকিছিল হবলা। উপৰ্যাি এদিন মোৰ হাতখন টানি নি তলুৱাৰ ৰেখাবোৰ পিটিকি পিটিকি চাইছিল। মুখখনো কেবাবাৰো নিৰীক্ষণ কৰিছিল। শেষত কৈছিল 'তুমি বৰ ভাগ্যৱতী ৰেৰেকা। কোনো ধনবানৰ লগত তোমাৰ বিয়া হ'ব।'

বিয়াৰ কথাত সাধাৰণতে ছোৱালীবোৰে লাজ কৰে। মোৰো লাজ লাগিছিল। দেহৰ সকলোখিনি তেজ গাল দুখনত যেন থুপ খাই পৰিছিল। জোৰকৈ হাতখন এৰুৱাই লৈ ভিতৰলৈ লৰ দিছিলোঁ।

এদিনৰ কথা।

ককাইদেউ আবেলি ফুৰিবলৈ ওলাই গৈছিল। দেউতা কামৰ পৰা উভতি অহা নাছিল। মাই কাষৰে এঘৰত কথা পাতি আছিল। অকলে থাকিবলৈ ভাল নলগাত ময়ো বিছনাখনতে শুই শুই সৰু ইংৰাজী আলোচনী এখন পঢ়ি আছিলোঁ। কৰ নোৱাৰাকৈ মাজতে মই টোপনি গৈছিলোঁ।

কিহবাৰ তীব্ৰ দংশনত আচম্বিতে মই সাৰ পালোঁ। 'আই ঔ' বুলি উঠি বহিলোঁ। মোৰ চিঞৰ শুনি মাইও লৰি আহিল। মা আৰু মোৰ চকু থৰ লাগি গ'ল। আমাৰ সন্মুখত থিয় হৈ আছে স্বয়ং বেদী। বেদীক অৱশ্যে এটি কিংকৰ্ত্তব্য-বিমূঢ় অৱস্থাত দেখিছিলোঁ। বেদী লাহে লাহে ওলাই গৈছিল। যাওঁতে মাথোন কৈছিল 'বেয়া নাপাবাদেই...... ।'

মাই মোৰ গালখনলৈ চাব ধৰিলে। ময়ো আয়নাখন আনি চালোঁ। গালখন অতিপাত ৰঙা পৰি গৈছিল। চাদৰৰ আঁচলেৰে

মচি লওঁ। এপাৰি দাঁত—ক্ষুধাতুৰ বাঘৰ বিষাক্ত দাঁতৰ দাগ স্পষ্ট হৈ পৰিল।

মই কান্দিছিলোঁ। মাই কান্দিছিল।

বাতি দেউতা উভতি আহিছিল। শুনি তেৰোঁ কান্দিছিল। মাৰ লগত কিবা গোপন আলোচনা কৰিছিল। খোৱাৰ সময়ত মাই মোক কৈছিল 'কথাটো কাবো আগত মুলিয়াবি। বেদী আহিলেও মুলিয়াবি। নহলে দেউতাৰ আকৌ বেকাৰ হ'ব লাগিব।'

চাৰি পাঁচদিন মান মই বাহিৰলৈ ওলাব পৰা নাছিলোঁ—গালখনৰ বাবে। কিজানি কোনোবাই কিবা সুধি পেলায়। কিবা কিবি মলম ঘহাত ক্ষতবোৰ অৰশ্যে নোহোৱা হ'ল; কিন্তু এটা দাগ আজিও বৈ গ'ল। স্বাধীন ভাৰতৰ সাধাৰণ প্ৰজাই কৰা জীৱন-সংগ্ৰামৰ ই যেন এটি অনন্ত কলঙ্কৰ স্বাক্ষৰ হৈ থাকিল।

কলেজত ছোৱালীবোৰে সুধিছিল এই দাগটোৰ কথা। মই ফাঁকি দিছিলোঁ—কাষৰ ঘৰৰ কেচুৱা এটিয়ে খামুচি দিছে।

বিয়াৰ পিচত মিঃ বৰুৱায়ো নোসোধাকৈ থকা নাছিল। তেওঁৰ আগত কৈছিলোঁ - সৰুতে বসন্ত ওলাইছিল। তাৰেই দাগ এইটো।

অ' এইখিনিতে আপোনাক সৰু কথা এটা কবলৈ বৈ গ'ল মিঃ শইকীয়া।

বেদীৰ লগত ঘটা সিদিনাৰ দুৰ্ঘটনাৰ এসপ্তাহমান আগতে আমাৰ ঘৰলৈ এজন ডেকা ভদ্ৰলোক গৈছিল মোৰ দূৰ সম্পৰ্কীয় মোমাইদেউৰ ল'ৰা বসন্ত ককাইদেউৰ লগত। দুয়ো সামৰিক বিভাগত কাম কৰে। এনেয়ে ফুৰিবলৈ আহিছিল। মই দুয়োকো দুকাপ চাহ যাচিলোঁ। ককাইদেৱে মোক আগন্তুক ভদ্ৰলোকজনৰ লগত পৰিচয় কৰাই দিবলৈ বুলিয়ে নেকি সুধিছিল 'বেৰেকা, তই অসমৰ নাম শুনিছ ?'

'কিয় নুশুনিম। ভূগোলত কতদিন পঢ়িছোঁ। অসমৰ পুৰণি নাম কামৰূপ। কামৰূপৰ মানুহে হেনো যাদু জানে। বিদেশী লোক তালৈ গলে ভেৰা বনাই ৰাখে।' মই টপৰাই উত্তৰ দিলোঁ।

'তই দেখিছোঁ বহু কথাই জান।' দুয়ো হাঁহিলে।

'এখেত সেই ভেৰা বনোৱা দেশৰ পৰাই আহিছে। নাম মিঃ বৰুৱা।'

বৰুৱা আৰু মোৰ ভিতৰত নমস্কাৰ বিনিময় হৈছিল। চাহপানী খাই দুয়ো যাবলৈ উঠিল। সৌজন্যৰ খাটিৰত মই কৈছিলোঁ 'কেতিয়াবা সময় পালে আকৌ আহিব।'

বৰুৱা অৱশ্যে অহা নাছিল; আহিছিল মোৰ নামত নীলা খামৰ চিঠি এখন। আধুনিক ভাষাত সেইখন নিতান্ত মামুলি প্ৰেমপত্ৰ আছিল। এনেকুৱা প্ৰেমপত্ৰ ইতিপূৰ্ব্বেও দুই চাৰিখন যে নাপাইছিলো এনে নহয়; কিন্তু এনে সস্তীয়া প্ৰেমপত্ৰৰ প্ৰতি মনোযোগ দিয়াৰ অৱস্থা মোৰ নাছিল। কোনোজনেই মোক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিয়া নাছিল, মাথোন সান্নিধ্য বিচাৰিছিল, এজনী গাৰ্ল-ফ্ৰেইণ্ড হিচাবে। বৰুৱাই লিখা সেই চিঠিখনকো মই কোনো গুৰুত্ব নিদিলোঁ।

তাৰ পিচতেই মোৰ বেদীৰ লগত আগতে কোৱা দুৰ্ঘটনাটো ঘটি গ'ল।

বেদীক সেইদিনা আমি কোনোৱে একো কোৱা নাছিলোঁ। অৰ্থাৎ কবলৈ সাহস কৰা নাছিলোঁ। দেউতাই মাক কোৱা এষাৰ কথা মোৰ কাণত পৰিছিল 'কোনো প্ৰকাৰে বেৰেকাক উলিয়াই দিব পাৰিলেই নিৰাপদ হব পাৰোঁ।'

দেউতাই ঠিকেই কৈছিল। মানুহৰ তেজৰ সোৱাদ পোৱা বাঘক বোধ কৰা টান হৈ পৰে। বেদীও এটা মানুহ জাতীয় গৰিলা বাঘ। সুবিধা পালেই আমাৰ পৰিয়ালৰ সন্মানৰ কেঁচা তেজ চুহি খাবলৈ হামৰাও কাঢ়ি আছে।

দেউতাৰ কথাষাৰে মোক বৰ আঘাত দিছিল। মই ওৰে ৰাতি চিন্তা কৰি এটা উপায় উলিয়ালোঁ।

পিচদিনা বসন্ত ককাইদেউৰ সেই সাময়িক বন্ধু বৰুৱালৈ চিঠি এখন লিখিলোঁ তেওঁৰ প্ৰেমপত্ৰৰ উল্লেখ কৰি—যদি তেওঁ মোক আইনসঙ্গত

ভাবে বিয়া কৰাবলৈ বাজি হয়, তেনেহলে মই তেওঁৰ প্ৰস্তাৱত সন্মত আছোঁ।

উত্তৰ পোৱাত দেৰী নহ'ল।

অপ্ৰত্যাশিত ভাবে বৰুৱা মান্তি হৈ গৈছিল। দুয়ো এদিন মা-দেউতাৰ অগোচৰে আদালতত গৈ বিবাহ-কাৰ্য্য সম্পাদন কৰিলোঁ।

মই আৰু ঘৰলৈ উভতি নগলোঁ। পিচত মা আৰু দেউতালৈ ক্ষমা খুজি এখন চিঠি দিলোঁ—

'পৰিয়ালৰ, বংশৰ আৰু নাৰীৰ মৰ্য্যাদা ৰক্ষাৰ বাবে মই এজন উপযুক্ত পুৰুষক গ্ৰহণ কৰি ওলাই আহিলোঁ। অনুমতি লোৱা নহ'ল। ক্ষমা কৰে যেন।'

আপোনালোকৰ অভাগিনী কন্যা
'বেৰেকা'

এই চিঠি পাই মা আৰু দেউতাই মোক আশীৰ্বাদে দিছিল নে অভিশাপেই দিছিল জনা নাছিলোঁ। হয়তো মৌন ভাৱে চকুপানী টুকিছিল।

মিঃ শইকীয়া, আপোনাক নিশ্চয় নকৈ কোৱাৰ সকাম নাই যে, মোৰ সেই প্ৰেমিক সামৰিক বিষয়াজনেই আপোনাৰ সহপাঠী, বৰ্ত্তমানে মোৰ স্বামী কেপ্তেইন মদন বৰুৱা।'

এখন নাটকৰ যেন এটি অঙ্ক শেষ হ'ল। নতুন দৃশ্য আৰম্ভ হোৱাৰ পূৰ্বে ঐক্যতাবাদন চলাৰ দৰে বেৰেকা বৰুৱায়ো অলপ বিশ্ৰাম ললে।

মনত অস্থিৰতা থাকিলেও বেৰেকাৰ কৌতূহলপূৰ্ণ কথাবোৰ শুনি ভাস্কৰ কিছু তন্ময় হৈ পৰিছিল। হাত ঘাড়ীটোলৈ চাই দেখিলে প্ৰায় চাৰে তিনি বাজিছে। উদ্বিগ্ন হোৱাৰ কাৰণ নাই। হাতত সময় যথেষ্ট আছে।

ভাস্কৰে দেখিলে, চকু-মুখ, কথা-বতৰা সকলোতে ছোৱালীজনী বুদ্ধিমতী আৰু আত্মসচেতনা। বংশ-মৰ্য্যাদা আৰু নাৰীত্ব ৰক্ষাৰ বাবে

হঠাতে এজন অচিনাকি যুৱকক বিয়া কৰাই পেলাইছিল। এজনী নাৰীৰ বাবে ই মহৎ ত্যাগ। কালধুমুহাৰ পাকচক্ৰত মাজ সাগৰত এদিন তেওঁলোকৰ ডিঙা বুৰি গৈছিল। সাঁতুৰি-নাদুৰি অৱশেষত সাধাৰণ আশ্ৰয় এটি লাভ কৰিছিল; কিন্তু সেই আশ্ৰয়টোও বুৰো বুৰো হ'ল। নিজৰ ভাৰ লঘু কৰি পৰিয়ালটোক ৰক্ষা কৰিবলৈ এইবাৰ ছোৱালী-জনীয়ে জাপ দিলে পাৰাপাৰ নেদেখা এক মহাসাগৰত। তাই নিজেও কব নোৱাৰে এইবাৰ গৈ ক'ত উঠিবগৈ বা ক'ত উঠিছেহি।

ভাস্কৰৰ কবিসুলভ সৰল মনটো কি যেন এক কৌতূহলত ভাবা-ক্ৰান্ত হৈ পৰিল।

মিঃ শইকীয়া, আপুনি নিশ্চয় গম পাইছে যে, অণু বৰ্ত্তমানে লামডিঙৰ ৰেলওৱে হস্পিতেলত পৰি আছে?'

'হয় পাইছোঁ। আজি ৰাতিৰ মেইলত মই তালৈ যাম বুলি ঠিৰাং কৰিছোঁ।'

'বাৰু, মিঃ বৰুৱা আপোনাৰ বাল্যবন্ধু, আনফালে অণুৰ ককায়েক। অথচ আপুনি এই দুৰ্ঘটনাৰ বিষয়ে বৰুৱাক একো জনোৱা নাই। ইয়াৰ কাৰণ কি?'

এনে এটি প্ৰশ্নৰ বাবে ভাস্কৰ সাজু নাছিল।

মদনৰ দৰে পশু এটাৰ লগত এই বিষয়ে আলোচনাৰ পৰা কিবা ফল ফলিব পাৰে বুলি তেওঁৰ বিশ্বাস নাই। দুদিন আগতেইতো ভনীয়েক সম্বন্ধে কৰা উক্তিবোৰ অণুৰ পৰা তেওঁ শুনিছিল। শুনি সঁচাকৈয়ে মদনৰ প্ৰতি এটি ঘৃণা ভাব জন্মিছিল।

'বুজিছোঁ ওকালতি কৰিলেও এই প্ৰশ্নটোৰ উত্তৰ যুগুতাই লবলৈ নিশ্চয় অসুবিধাত পৰিছে।'

'কাৰণ?'

'কাৰণ আপুনি ভালদৰে জানে, অণুৰ প্ৰতি বৰুৱাৰ কোনো দৰদ নাই। ভনী বুলি নহয়, সাধাৰণ মানৱভাৱ খটিবতো।'

'আপুনি কেনেকৈ জানলে?'

'সিদিনা আপুনি অণুক গুৱাহাটী ডায়েৰীত চাহ-মিঠাই খুৱাইছিল— নিশ্চয় পাহৰা নাই।

'অ'.........।' কিবা কব খুজিও ভাস্কৰ বৈ গ'ল।

'লাজ পালে নেকি? অণুক আপুনি ভাল পায় বুলি মই জানো। আপোনাক লগ পোৱাৰ অলপ আগতেই অণুৱে সিদিনা আমাৰ কোৱা-টাৰৰ পৰা আহিছিল।'

'তেওঁ মোক কৈছিল।'

'ককায়েকে অণুক বৰ বেয়াকৈ কিবা কিবি কৈছিল। আনকি ভবিষ্যতলৈ তালৈ নাযাবলৈও সকিয়াই দিছিল।'

'সেই কথাও শুনিছোঁ।'

'সকলোবোৰ বোধকৰো শুনা নাই। অণুৱে কোৱাও নাই নিশ্চয়।'

'নকব পাৰে।'

'তেনে মই কওঁ শুনক!'

'কওক।'

'অণু আমাৰ কোৱাৰ্টাৰলৈ যোৱাৰ সময়ত ককায়েক ঘৰত নাছিল। অণুৰ সৈতে আন এগৰাকী ভদ্ৰলোকো গৈছিল। অণুক ইয়াৰ আগতে মই দেখা নাছিলোঁ। সেয়ে প্ৰথমে চিনিব পৰা নাছিলোঁ। ভদ্ৰলোক-জনে অণুক থৈ গুচি আহিল। বকৰাক লগ পাবলৈ অহা বুলি কোৱাত বাহিৰৰ কমতে বহিবলৈ দিলোঁ। কাৰণ বকৰা ওভোতাৰ সময় হৈছে। সাধাৰণ দুই এষাৰ কথা পাতি একাপ চাহ দিওঁ বুলি ভিতৰলৈ আহিলোঁ।

চাহ চেকিবলৈ লৈছোঁ। এনেতে শুনিলোঁ বাহিৰৰ কমত কথা কটা-কটি চলিছে। ভাবিলোঁ বকৰা আহিছে। তথাপি এনে উত্তপ্ত ভাবে মহিলা গৰাকীৰ লগত কি কথা-বতৰা হৈছে তাৰ গম লওঁ বুলি পৰ্দাৰ আৰঁত থিয় হলোঁগৈ।'

'তোৰ দৰে দুশ্চাৰত্ৰা ছোৱালীক মোৰ ভনী বুলি পৰিচয় দিবলৈ লাজ লাগে।' বকৰাই কৈছিল।

অণুৱে লগে লগে উত্তৰ দিছিল 'লাজ লাগে? মনত আছে, এদিন

বৰ আগ্ৰহেৰে এই অণুকেই নিজৰ ভনী বুলি পৰিচয় দি পঞ্জাৰী অফিচাৰৰ ওচৰত চাকৰি বিচাৰি গৈছিলা। আৰু সিদিনা এই ভনীয়েৰাই তোমাৰ আজিৰ এই গৰ্ববোধ কৰা চাকৰিটোৰ বিনিময়ত তাইৰ নাৰীত্বৰ যথাসৰ্বস্ব বিসৰ্জন দিব লগীয়া হৈছিল। নহলে তোমাৰ দৰে মূৰ্খ আণ্ডাৰ মেট্ৰিক এজনে আজি কেপ্টেইনৰ পদ নাপালাহেঁতেন।'

'Shut up!'

'তুমি অকৃতজ্ঞই নহয়, পশুও।'

'কি কলি ………পশু। ৰবি………'

খণ্ডতে বকৰা থিয় দিলে। অনুমান কৰিলোঁ তেওঁ এইবাৰ ভিতৰলৈ আহিব। মই পৰ্দাৰ কাষৰ পৰা আঁতৰি আহিলোঁ।

মই ভবা কথাই হ'ল। বকৰা গোঁ-গোঁৱাই ভিতৰলৈ সোমাই আহিল। দেখিলোঁ থোৰা ঠাইৰ পৰা পিষ্টলটো উলিয়াব ধৰিছে। মই প্ৰমাদ গণিলোঁ। তৎক্ষণাৎ এটা সাংঘাটিক ঘটনা ঘটি যাব পাৰে ভাবি দৌৰি গৈ 'ছেঃ কি কৰে এইবোৰ' বুলি হাতত ধৰিলোঁ। খণ্ডৰ বেগত প্ৰথমে বকৰাই মোক আজুৰি থৈ যাবলৈ চেষ্টা কৰিছিল; কিন্তু একোপধ্যেই মই এৰি নিদিলোঁ। সি যি কি নহওক, পিষ্টলটো মই হাত কৰিলোঁ। বকৰা অসম্ভৱ উত্তেজিত হৈ পৰিছিল। পুনৰ বাহিৰৰ কোঠালৈ সোমাই গ'ল। বকৰাৰ ৰঙা চকু, কথাৰ সুৰ আৰু গতি দেখি অণুৱেও হয়তো কিবা বিপদৰ আশংকা কৰিছিল।

'কি মাৰিব খোজা নেকি?'

'তই—তই এতিয়াই মোৰ কোৱাৰ্টাৰৰ পৰা ওলাই যা। আৰু যদি কেতিয়াবা এনে অশ্লীল বাক্য তোৰ মুখত শুনো তেনেহলে ভনী বুলি ক্ষমা নকৰোঁ।'

'এইখিনিয়েই যথেষ্ট নহয়, আৰু শুনিবলৈ প্ৰস্তুত হৈ থাকা। তুমি—তুমি—নহয়, মোৰ জিভাৰে এনে হীন কথা মই উচ্চাৰণ কৰিব নোৱাৰোঁ।'

খণ্ডৰ বেগত হয়তো অণুৱে বহুতো গোপন কথা প্ৰকাশ কৰি দিব

খুজিছিল ; কিন্তু কি কাৰণত কোনে যেন আহি কণ্ঠৰোধ কৰি পেলালে। কব আৰু নোৱাৰিলে।

অণুৱে হুকহুকাই কান্দি পেলালে। তাৰ পিচত নিজেই ওলাই গ'ল। মই তেওঁলোকৰ আটাইখিনি আলোচনা শুনা নাছিলোঁ। বেছি ভাগ কথাই এক প্ৰকাৰ সাংকেতিক ভাষাত চলিছিল। তথাপি তাৰ ভিতৰত কিবা এক গোপন ৰহস্য নিহিত হৈ থকাটো মই বুজি পাইছিলোঁ।

অণু যোৱাৰ পিচত মই এই সম্বন্ধে বৰুৱাক কোনো কথা সুসুধিলোঁ। তেওঁ একো মুখ্লিয়ালে।

ইঙ্গিতপূৰ্ণ হলেও অণুৰ কথাবোৰৰ মৰ্মাৰ্থ আছে বুলি ধাৰণা হ'ল। অণুক লগ পোৱাতো একান্ত দৰ্কাৰ মই অনুভৱ কৰিলোঁ।

তাৰে আধাঘণ্টামান পিচত ফুৰিবলৈ যাওঁ বুলি অকলে গাড়ীখন লৈ বাহিৰ হলোঁ। ৰাস্তাৰ দুয়ো দাঁতিয়ে অণুক নিৰীক্ষণ কৰিলোঁ কিজানি ক'ৰবাত দেখা পাওঁ।

নাপালোঁ।

উভতি আহোঁতে বাটতে এজনে বাতৰি দিলে, অণু আৰু আপুনি হেনো গুৱাহাটী ডায়েৰীত সোমাইছিল।

বেৰেকা বৰুৱাই প্ৰশ্নবোধক দৃষ্টিৰে ভাস্কৰলৈ চাই ৰ'ল। ভাস্কৰে বুজিলে বৰুৱাই পৰৱৰ্ত্তী কথাখিনি তেওঁৰ পৰা জানিবলৈ বিচাৰিছে।

ভাস্কৰে কলে 'অণুৱে সিদিনা কিবা খাবলৈ বুলি মোক অলপ পইচা খুজিছিল নিতান্ত ভিক্ষাৰীৰ দৰে। মোৰ বৰ বেয়া লাগি গৈছিল তেওঁৰ শুকান মুখখন, উখহা ৰঙা চকুযুৰিলৈ চাই।

'ককায়েকৰ লগত কাজিয়া কৰি আহিয়েই তেওঁ আপোনাক লগ পাইছিল চকুমুখত তাৰেই চিন দেখিছিল।'

'হব পাৰে। আপুনি কোৱাৰ দৰে এসময়ত অণুক মই ভাল পাইছিলোঁ ; কিন্তু মাজতে বহুদিন ধৰি সেই সম্ভাৱৰ অভাৱ ঘটিছিল।'

'কাৰণ, অণুৰ সম্বন্ধে নানাজনে নানা কথা কৈছিল ?'

'কোৱা কথাবোৰৰ অনেকখিনি সঁচা বুলি মোৰ ধাৰণা হৈছিল। দেউতাৰ চাকৰিৰ অৱসৰৰ পিচত তেওঁলোকৰ আৰ্থিক অৱস্থা শোচনীয় হয়। কিন্তু মাকে সেই অৱস্থাৰ সৈতে নিজকে খাপ খুৱাই লবলৈ আগ্ৰহশীলা নাছিল। যি কোনো প্ৰকাৰে নিজকে প্ৰতিষ্ঠা কৰাটোৱে আছিল তেওঁৰ উদ্দেশ্য।'

'অকল মাকৰে নহয়, ককায়েকৰো।'

'অণুৰ পদস্খলনৰ বাবে দায়ী মাক-পুতেক দুয়ো। এই দুৰ্বলতাৰ কাৰণেই অণু মোৰ পৰা আঁতৰি ফুৰিছিল। সিদিনা অকস্মাতে অণুক লগ পাই তেওঁৰ প্ৰতি এটি করুণা উপজিছিল। গুৱাহাটী ডায়েৰীলৈ নি কিবাকিবি খুৱাইছিলোঁ, আৰু ৰাতিটো থকাৰ বাবে হোটেল এখন ব্যৱস্থা কৰি দিছিলোঁ। অণুৰ কথাৰ পৰা অনুমান হৈছিল, দেউতাকৰ চিকিৎসাৰ বাবে অনেক টকাৰ আৱশ্যক হৈছিল। অথচ পোৱাৰ পথ নাছিল। মদনে দেউতাকক কোনো সহায় নকৰিছিল। অণুৱেহে মাজে সময়ে যি পাৰে সহায় কৰিছিল বুলি পিচত গম পাইছিলোঁ। নাজানো কোন পথেৰে তেওঁ টকা উপাৰ্জন কৰিছিল। অণুৱে ৰাতিটো হোটেলতে কটাই পুৱা লামডিঙলৈ গৈছিল; আৰু তাতেই দুৰ্ঘটনাত পতিত হয়।'

কথাৰ মাজতে ল'ৰাটোৱে দুকাপ চাহ দি গ'ল।

'চাহকাপ খাই লওক। এনে সময়ত মোৰো চাহ একাপ খোৱা অভ্যাস।' ভাস্কৰে কলে।

বেৰেকা বৰুৱাই আগৰ বাৰ চাহৰ বাবে আপত্তি কৰিছিল যদিও ইমানখিনি কথাকোৱা আৰু শুনাৰ পিচত একাপ চাহৰ অভাৱ অনুভব নকৰা নহয়।

চাহকাপ হাতত তুলি ললে।

'সঁচাকৈয়ে অণুৰ দুৰ্ভাগ্যৰ বাবে এটা অনুকম্পা জাগে। নহয় জানো মিছেছ বৰুৱা?' চাহত চোহা দি ভাস্কৰে কলে।

'মোৰ কথা এতিয়াও শেষ হোৱা নাই মিঃ শইকীয়া। মোৰ বক্তব্যৰ

বিষয়বস্ত অণু নহয়। কাৰো প্ৰতি কৰুণা বা অনুকম্পা দেখুৱাবলৈ মোৰ ধৈৰ্য্য নাই। কথা প্ৰসঙ্গতহে অণুৰ নাম ওলাইছিল। আশা কৰোঁ মোৰ মানসিক অৱস্থাৰ কথা আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে।

'মই এতিয়াও বুজি পোৱা নাই আপুনি কি কব বিচাৰিছে।'

'মোৰ কথাবোৰ শুনি আপুনি বিৰক্তি পাইছে নেকি শইকীয়া?'

'নাই পোৱা। কৈ যাওক।'

'শুনক'—

অণুক বিচাৰি নাপাই উভতি আহোঁতে সিদিনা মোৰ অলপ ৰাতি হৈছিল। গৈ দেখোঁ বৰুৱা অকলে অকলে বহি আছে—কাষত মদৰ সা-সৰঞ্জাম। সম্ভৱতঃ আবেলি বাহিৰলৈ ওলোৱা নাছিল। মন পাতলাবলৈ মদৰ আশ্ৰয় লৈছিল।

একো নামাতি মই ভিতৰ সোমাই গলোঁ।

'বহা বেৰা।' তেখেতৰ মাতত ব্যঙ্গাত্মক সুৰ।

'কাপোৰ সলাই আহিছোঁ।'

'পিচতো সলাবা। বহা।'

মই তেখেতৰ ওচৰতে বহি পৰিলোঁ। বৰুৱাই মোলৈ এখন চিঠি আগ বঢ়াই দিলে।

'পঢ়ি চোৱা।'

'কোনে লিখিছে?'

'কোনে লিখিছে সুধিব নালাগে। কি লিখিছে তাকে চোৱা।'

একো দ্বিৰুক্তি নকৰি পঢ়িব ধৰিলোঁ।

মদন,

দেউতাৰৰ অৱস্থা শোচনীয়। যদি মন কৰ, শেষবাৰলৈ সপৰিয়ালে আহি চাই যাব পাৰ। পাৰ মানে মই ইয়াকে বুজাব খুজিছোঁ যে, দেউতাৰাই তোক বিচৰা নাই। বিশ্বস্তসূত্ৰে আৰু গম পাইছোঁ, তোক হেনো ত্যজ্যপুত্ৰ কৰি তেখেতে এখন উইল কৰি থৈছে।

গাওঁৰ দুই চাৰিজন মুখিয়াল লোক ইয়াৰ লগত জড়িত আছে। ত্যজ্যপুত্ৰ কৰাৰ অৰ্থ তই নিশ্চয় বুজিছই তেখেতৰ সম্পত্তিৰ ওপৰত তোৰ আৰু কোনো দাবী নাথাকিব। অণুৰ নামত এই উইল কৰা হৈছে। যদি ইতিমধ্যে দেউতাৰ ঢুকায়ো, তথাপি উক্ত উইলৰ জোৰত অণুই সেই সম্পত্তিৰ অধিকাৰিণী হব পাৰিব। কথাটো অলপ গোপনে আছে। মোৰ বোধেৰে তই এবাৰ ঘৰলৈ আহি দেউতাৰক দেখা কৰি যা····· '

চিঠিখন মই পঢ়ি শেষ কৰিব নোৱাৰিলোঁ। এটি প্ৰবল ভূমিকম্পৰ জোকাৰণি অনুভৱ কৰিলোঁ। মূৰ তুলি চালোঁ বৰুৱাৰ মুখলৈ। তেওঁৰ চকুত মোৰ মুখৰ পৰিবৰ্ত্তন ধৰা পৰিছে।

মদৰ গিলাছটো মুখৰ পৰা নমাই বৰুৱাই এটি নিৰ্লিপ্ততাৰ হাঁহি মাৰিলে।

'পঢ়িলা ?'

'কিছু অংশ পঢ়িলোঁ।'

'কি বুজিলা ?'

'দেউতাই আপোনাক ত্যজ্যপুত্ৰ কৰিছে।'

'আৰু সম্পত্তিৰ পৰা বঞ্চিত কৰিছে।'

'কথাটো উলাই কৰা বিধৰ নহয়।'

'নিশ্চয় নহয়।'

বৰুৱাৰ মুখত বিদ্ৰূপৰ হাঁহি।

মই কি উত্তৰ দিম ভাবি নাপালোঁ। তথাপি কলোঁ—

'আপুনি বিষয়টো বৰ পাতললৈ লৈছে।'

'ইয়াত গধুৰতা কি আছে ? প্ৰথম কথা—মোক ত্যজ্যপুত্ৰ কৰিছে। মৃত্যু কালত বুঢ়াৰ মতিভ্ৰম ঘটিছে। নহলে তেওঁৰ জনা উচিত আছিল দুদিন পিচত এই পৃথিৱীখনেই তেওঁ ত্যাগ কৰিব—অৰ্থাৎ মৰিব। জীয়াই থকা কেইদিনতনো তেওঁ মোৰ হকে কিমানখিনি কাম কৰি গ'ল ? মোক ত্যজ্য কৰা বাক্যটো এটা প্ৰহসন। আৰু

সম্পত্তি ? হুঁ ! দেউতাৰ সম্পত্তিনো কিমানখিনি ? তাতকৈ গুৱাহাটীত বেছি সম্পত্তি মই কৰি ৰাখিছোঁ। বঞ্চিত নকৰিলেও মই তেওঁৰ সম্পত্তি কোনো দিনে ভোগ কৰিবলৈ নাযাওঁ। গতিকে অবাস্তৱ এনে কথাবোৰত মূৰ ঘমোৱাৰ সকাম মই নেদেখোঁ।'

'হলেও জন্মদাতা পিতৃৰ প্ৰতি……'

'ক্ষন্তেকীয়া জৈৱিক উত্তেজনাৰ এই জন্মান্তৰবাদ। তাৰ ওপৰত তোমালোকৰ দৰে ৰক্ষণশীল সমাজে নৈতিকতাৰ প্ৰলেপ সানা। আৰু মাতৃৰ কথা কৈছা ?—অৱশ্যে মাৰ কথাটো কিছু সুকীয়া ধৰণে বিবেচনা কৰিব পাৰি। মাবোৱাৰীৰ গুডামৰ দৰে দহমাহ তেওঁ মোক তেওঁৰ পেটত আশ্ৰয় দিছিল। সেই গুডাম-ভাড়া তেওঁ মোৰ পৰা দাবী কৰিব পাৰে।'

মদৰ ৰাগীত বৰুৱাই অসংলগ্ন ভাবে কথাবোৰ কৈ গৈছিল-

আধা খোৱা চাহখিনি চেঁচা হৈ পৰিছিল। বেৰেকাই তাৰে এঢোক খাই শুকাই যোৱা ডিঙিটো পৰিষ্কাৰ কৰি ললে।

ভাস্কৰে চাহৰ কথা পাহৰিয়েই গৈছিল। তেৰোঁ খালে।

'সচাঁকৈয়ে মদনে এনেকুৱা ভাষা আপোনাৰ আগত কৈছিল নে ?' ভাস্কৰে সুধিলে।

ইয়াৰ এষাৰ কথাও অতিৰঞ্জিত নহয় মিঃ শইকীয়া। মদৰ গিলাচ হাতত লৈ উপহাসৰ চলেৰে নিজৰ মাক-দেউতাকৰ ওপৰত তেখেতৰ ধাৰণাবোৰ এনে ভাবে ব্যক্ত কৰিছিল।

'যদি আপোনাৰ কথা সঁচা হয়, তেনেহলে এনে সন্তান জন্ম দিয়াতো মাক-বাপেকৰ দুৰ্ভাগ্য বুলিয়ে কব লাগিব।'

'সাধাৰণ ইতৰ শ্ৰেণীৰ মানুহেও এনে কুৎচিৎ ভাষাৰে মন্তব্য দিব পাৰে বুলি মই বিশ্বাস কৰিব পৰা নাছিলোঁ। কিন্তু বৰুৱাৰ দ্বিধাহীন উক্তি শুনি সেই বিশ্বাস মোৰ আঁতৰি গ'ল।'

'মদনে হয়তো মদ বেছিকৈ খাইছিল। ই তাৰেই প্ৰলাপ।'

'সংসাৰত প্ৰলাপ বুলি কোনো বস্তু নাই শইকীয়া। মানুহৰ

অৱচেতন মনত সঞ্চিত হৈ থকা ভাব বা চৰিত্ৰবোৰ কোনো অসতৰ্ক মুহূৰ্ত্তত প্ৰকাশ পায়। আমি তাকেই প্ৰলাপ বোলো।'

'আপুনি কৰিলে কি তাৰ পিচত?'

'খুব সংযত ভাবে বৰুৱাক কলোঁ তথাপি অন্তিম অৱস্থাত আপুনি এবাৰ দেউতাক দেখা কৰি আহক।'

'অসীম দৰদ দেখিছোঁ তোমাৰ হে। তেনেহলে তুমিয়েই চাই আহাগৈ বুঢ়াটোক। মোকতো ত্যজ্য কৰি থৈছেই। যোৱাৰ আৰু সকাম নাই।'

বৰুৱাৰ মুখৰ পৰা এনে বথাষাৰ ওলাবলৈকে মই অপেক্ষা কৰি আছিলোঁ। মই বুজি পাইছিলোঁ, তেওঁ গাওঁৰ ঘৰলৈ কেতিয়াও নাযায়। মোক যাবলৈ কোৱাত ভালেই লাগিল।

'তেনেহলে ময়েই গৈ এবাৰ আহিম নেকি?' পুনৰ অনুমতিৰ সুৰত সুধিলোঁ।

'যি খুচি কৰি থাকা—মোক আমনি নকৰিবা। লাগিলে গাড়ীখনকে লৈ যোৱা।'

দেউতাক লগ ধৰাৰ বিশেষ প্ৰয়োজন মই অনুভব কৰিছিলোঁ কেবাটাও কাৰণত। বৰুৱাৰ মৌখিক অনুমতি পাই পিচদিনা পুৱাতে গাড়ীখন উলিয়াই লৈ অকলে ওলাই গলোঁ গাওঁৰ ঘৰ বুলি।

বৰুৱাদেৱ অৰ্থাৎ মোৰ শহুৰদেউতা বিছনাত শুই আছিল। পদূলি মুখত গাড়ীখন গৈ থমাৰ লগে লগে দুই চাৰিজন মানুহে নিৰীখি চাইছিল। মদন বৰুৱা যোৱা বুলি চাইছিল হবলা। পিচে মোক দেখি হতাশ হৈছিল।

এই দ্বিতীয়বাৰ মই ঘৰলৈ আহিছোঁ। প্ৰথমবাৰ আহোঁতে মা আছিল। সৰু ল'ৰা-ছোৱালী নাথাকিলেও ঘৰ বুলি এটি গভীৰতা আছিল অলপ পৰিপাটী আছিল। এইবাৰ দেখিলোঁ যেন এখন এৰাবাৰী। মানুহ থকা ঘৰ যেন নালাগে।

মই ঘৰৰ ভিতৰলৈ সোমাই গ'লোঁ।

দেউতাৰ কাষত তেতিয়া দুজনমান মানুহ আছিল। এজন ডাক্তৰে নাড়ীৰ গতি পৰীক্ষা কৰি আছে। মই দেউতাৰ ভৰিত ধৰি এটি সেৱা জনালোঁ।

অস্পষ্ট ক্ষীণ দৃষ্টিৰে মোলৈ চাই সুধিলে 'অণু আহিছ?'

'মই অণু নহয় দেউতা, আপোনাৰ বোৱাৰী।'

'অ - বোৱাৰী···।'

'দেউতাই কিয় জানো বোৱাৰী শব্দটো শুনি চকুযোৰ মোৰ পৰা আঁতৰাই নিলে। লগতে এটি হুমুনীয়াহ কাঢ়িলে।

'মদন নাহিল নেকি?' এজনে সুধিলে।

এই জটিল প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব বুলি আগতেই আশংকা কৰিছিলোঁ। তাৰ বাবে সাজুও হৈ গৈছিলো। মই কলোঁ 'তেখেত বৰ্ত্তমানে বৰ ব্যস্ত হৈ আছে। দেউতাৰ অসুখ বেছি হোৱা বুলি শুনা নাছিল। আজিহে কাৰোবাৰ পৰা মৌখিক বাতৰিটো পালে। এঠাইলৈ যাবলৈ ওলাইছিল। গতিকে মোকে পঠিয়াই দিলে।'

'নহাটো ভালেই হৈছে।' আন এজনে মন্তব্য কৰিলে।

কথাষাৰ মোৰ কাণত শেলৰ দৰে বিন্ধি গ'ল।

সকলোৱে মোলৈ কৌতূহলী দৃষ্টিৰে চাইছিল। ময়ো নিজকে নিজে অস্বস্তি অনুভৱ কৰিছিলোঁ।

ডাক্তৰে প্ৰেচক্ৰিপচন লিখি দি যাবলৈ উঠিল। ডাক্তৰৰ পিচে পিচে ময়ো চোতাললৈ আহিলোঁ।

'কেনে দেখিলে?' মই সুধিলোঁ।

'ক'ব পৰা নাই, বুঢ়া মানুহ। তৎক্ষণাৎ কেনে গতি লয় ঠিক নাই। এটা ইঞ্জেকচন দিছোঁ। আজিলৈ অৱশ্যে ভয় নাই।

'আজিলৈ মানে? যদি আপুনি কয়—'

'কিবা কব লগা হলে কাইলৈ কম বাক। সম্প্ৰতি লিখি দিয়া দৰবখিনি খুওৱা। আৰম্ভণিৰে পৰা ঠিকমতে চিকিৎসা কৰা হলে

ৰোগ ইমান দুৰলৈ আগুৱাবলৈ সুবিধা নাপালেহেঁতেন। দৰ্কাৰ বিবেচনা কৰা, মোক বাতৰি দিবা।'

ডাক্তৰে চাইকেলখনত ঔষধৰ বেগটো বান্ধিব ধৰিলে। মই মোৰ মাণিবেগটোৰ পৰা ডাক্তৰক কিবা অলপ দিওঁ বুলি খুলিব ধৰিছোঁ। ডাক্তৰে বুজি পালে।

'মোক ফীজ দিব নালাগে। এই পইচাখিনিৰে তেখেতক পথ্য কিনি খুৱাবা।' ডাক্তৰে কলে।

'পথ্য কিনিবলৈ পইচা মই আনিছোঁ। ডাক্তৰ হিচাবে......'

'তুমি মোক চিনি নোপোৱা। বকৱাৰ বোৱাৰী হলেও ঘৰখনৰ লগততো তোমালোকৰ সম্পৰ্ক নাই। গতিকে মোৰ সম্পৰ্কে নজনাতো স্বাভাৱিক।'

লাজতে মই তলমুৰ কৰিলোঁ।

'তুমি একেবাৰে নতুন। নহলে মই কলোহেঁতেন ভিজিট যাচি তুমি মোক অপমান কৰিছা। বকৱাৰ লগত ডাক্তৰ হিচাবে মোৰ সম্পৰ্ক নহয়।'

মই বুজি পালোঁ, ডাক্তৰ আৰু দেউতাৰ সম্বন্ধ গাঢ়তম। তাৰ লগত টকা-পইচাৰ বিনিময় নচলে।

ডাক্তৰৰ কথাবোৰ অপ্ৰিয় সত্য। আৰু কিবা কয় বুলি মই মনে মনে ৰলোঁ। ডাক্তৰ গুচি গ'ল।

মই দেউতাৰ কাষতে বহি সাধাৰণভাবে পৰিচৰ্য্যাৰ ভাগ ললোঁ। কিয় জানো দেউতাৰ শান্ত সৌম্য মুখখনি দেখি মোৰ নিজৰ দেউতালৈ মনত পৰিছিল। এনেকুৱা এগৰাকী পুৰুষৰ প্ৰতি কুবচন প্ৰয়োগ কৰাৰ বাবে নিজৰ স্বামী হলেও বকৱাৰ ওপৰত এটা বিতৃষ্ণাৰ ভাব জন্মিছিল। অন্তিম কালত পিতৃ-মাতৃক অৱহেলা কৰাটো মহাপাপ। স্বামীৰ হকে মৰে সেই পাপৰ কিঞ্চিৎ হলেও প্ৰায়শ্চিত্ত কৰিবলৈ মন গ'ল।

ওচৰতে এটি চেমনীয়া বয়সৰ ল'ৰা থিয় হৈ আছিল। কাষলৈ মাতি আনি সুধিলোঁ "ভাইটি, ওচৰত কোনো ফাৰ্মাচী আছে নে নাই"?

'আছে, বেছি দূৰ নহয়'।

'তুমি এই কাগজখন লৈ যোৱা। দৰবখিনি এতিয়াই আনি দিয়া'।

মই ল'ৰাজনৰ হতুৱাই ফাৰ্মাচীৰ পৰা দৰবখিনি অনাই নিজেই দেউতাক তাৰে এপালি খুৱাই দিলোঁ।

'তুমি আইটি কিছু সময় আছা নহয়'? ওচৰতে থকা আদহীয়া লোক এজনে প্ৰশ্ন কৰিলে।

'কিছু সময়' শব্দটো মোৰ কাণত বেয়াকৈ বাজিল।

'হয় আছোঁ।'

'তেনেহলে সম্প্ৰতি আমি যাওঁ। ৰোগী শান্তই আছে।'

'ভাল, যাওক।'

ৰোগীৰ কাষত থকা লোক কিজন এজন এজনকৈ উঠি গ'ল। চোতালৰ কেইজনো যাবলৈ ধৰিলে। তেওঁলোকে কিবা কিবি আলোচনা কৰি আছিল। মই মন কৰা নাছিলোঁ।

'মদন মানুহ নহয়, কুপুত্ৰ। বোৱাৰীজনী দেখিছোঁ তাৰ প্ৰকৃতিৰ নহয়, সাক্ষাৎ দেৱী যেন। নেদেখিলানে, এইখিনি সময়তে...... ইত্যাদি। এগৰাকী বৃদ্ধাই যোৱাৰ সময়ত এনেকুৱা কিবা কিবি কৰি যোৱা মন্তব্য মোৰ কাণত পৰিল।

লগত মই অলপ ফল-মূল লৈ গৈছিলোঁ। ওভালটিন এটাও নিছিলোঁ। নিজে জুই একুৰা ধৰি একাপ ওভালটিন বনালোঁ।

'দেউতা'!

দেউতাই মোলৈ এবাৰ চাই আকৌ চকু মুদিলে।

'দেউতা!'

দেউতাই এইবাৰ এটা দীঘল হুমুনিয়াহ পেলালে।

অনুমান কৰিলোঁ, দেউতা একেবাৰে জ্ঞানহীন হোৱা নাই। বোধ কৰো মনৰ দুখত মাত দিবলৈ ইচ্ছা কৰা নাছিল।'

'মোক ক্ষমা কৰক দেউতা। স্বামীৰ হকে মই আপোনাৰ ওচৰত

ক্ষমা খুজিছোঁ। দেউতাৰ চৰণ দুখনত মুখ লুকুৱাই হুকহুককৈ মই কান্দি পেলালোঁ।'

'উঠা আইটি!' অতি ক্ষীণ মাতেৰে দেউতাই কলে।

মুখ তুলি দেখোঁ দেউতাৰ দুচকুৰে দুধাৰি লোতক বৈ আহিছে। তেখেতে হাত এখন মোলে আগবঢ়াই দিলে। বুজিলোঁ মোক কাষলৈ মাতিছে। মই কাষ চাপি বহিলোঁ। দুৰ্বল হাতখনেৰে দেউতাই মোৰ গাত হাত ফুৰাব ধৰিলে।

দেউতাই কিবা কব খুজিছিল—নকলে।

'দেউতা, মুখখন মেলি ধৰক। অকণমান ওভালটিন খাওক।'

'অ'—দিয়া বাৰু।'

মই লাহে লাহে ওভালটিন খুৱাব ধৰিলোঁ। দুচামুচমান খাই কলে আৰু নালাগে, খাবলৈ মন যোৱা নাই।'

কিছু সময় নীৰৱ। কি কম ভাবিব ধৰিলোঁ।

'আপোনাৰ ল'ৰাই আহো বুলিও আহিব নোৱাৰিলে। ঘটনা ক্ৰমে আন ঠাইলৈ যাব লগা হ'ল। ছুটি বিচাৰিছিল। জৰুৰীকালীন অৱস্থা বুলি সিও মঞ্জুৰ নহল, অগত্যা মোকেই পঠিয়াই দিলে।'

পুতেকৰ নাম উলিওৱাত দেউতাই একো মন্তব্য নিদিলে।

অলপ ফলৰ ৰসো দেউতাক চেপি খুৱালোঁ।

'তোমাৰ নামটি কি আইটি?'

'সোৰঁৰণীৰ নাম ৰেৱতী। এনেয়ে ৰেৱেকা বুলি মাতে।'

নিজৰে লাজ লাগি গ'ল। ইমান দিনৰ পিচতো ঘৰৰ কোনোৱে নামটোও জানিবলৈ নোপোৱাতো সঁচাকৈ মোৰেই দুৰ্ভাগ্য।

দেউতাই লাহে লাহে মোৰ লগত অলপ সহজ ভাবে কথা কবলৈ ধৰিলে। মোৰ আতি-গুৰি সুধিলে। মই অকপটে সকলো খুলি কলোঁ। বিয়াৰ কথাখিনি কোৱাতো সংকোচ বোধ কৰা নাছিলোঁ। তেখেতে একান্তমনে সকলো শুনি গ'ল। বোধহয় মোৰ অসহায় অৱস্থাও উপলব্ধি কৰিছিল।

কওঁতে কওঁতে মোৰ চকুপানী ওলাইছিল।

'নাকান্দিবা আইটি'। মোৰ চকু পানী মচি দি দেউতাই কলে।
সতী সাধ্বীৰ দেশ এই ভাৰতবৰ্ষ। তুমি তাৰে অংশভূতা কোনো দেৱী প্ৰতিমা।'

'মিঃ শইকীয়া, দেউতাৰ এই স্বীকৃতিয়ে মোৰ অন্তৰত কি যে এক বিপুল আনন্দৰ জোৱাৰ তুলি দিলে তাক প্ৰকাশ কৰাৰ ভাষা আজিও মই বিচাৰি নাপাওঁ। সিদিনাও পোৱা নাছিলোঁ।'

'দেউতা!'

আনন্দতে অভিভূত হৈ মই তেখেতৰ বুকুত মুখ লুকাই পেলালোঁ।

এদিনৰ সাধাৰণ কথা বতৰাতে অনুমান কৰিলোঁ, দেউতা কিমান মহান,- কিমান পিতৃবৎসল। অথচ পুতেক-জীয়েক কোনেও তেওঁক বুজি নাপালে বা বুজিব নুখুজিলে।

'আইটি⋯ .'। কিবা কবলৈ গৈ দেউতাই বৈ গ'ল।

'কওক দেউতা কি কব খুজিছে।'

'এটা কথা কওঁ বুলি ভাবিছোঁ। তোমাৰ কোমল অন্তৰেৰে তাক সহ্য কৰাত টান পাবা। —তুমি অভাগিনী।'

'জন্মৰে পৰা বহুতো দুখ-কষ্ট ভোগ কৰিছোঁ দেউতা। দুৰ্ভাগ্য মোৰ চিৰ সহচৰী।'

'তুমি এটা কথা শুনি দুখ পাবা।'

'কি দেউতা'?

'মদনক মই ত্যজ্যপুত্ৰ কৰিছোঁ।'

এই প্ৰসঙ্গটো আলোচনাত অনাটো মোৰো ইচ্ছা আছিল। দেউতাই নিজে উলিওৱাত ভালেই পালোঁ।

'তুমি যে একো নকলা?'

'মোৰ কব লগা কি আছে দেউতা?'

'কিয়, মোৰ দৰে পিতা, যাক আজিও সমাজে এগৰাকী দূৰদৰ্শী, গুণী, জ্ঞানী সাধুলোক বুলি সন্মান কৰে—সেইজনে কেনেকৈ নিজৰ

ঔৰসজাত পুত্ৰক ত্যজ্যপুত্ৰ কৰিব পাৰে? এইটো জানো এটা প্ৰশ্ন নহয়?'

'আপুনি মোৰ মনৰ কথাটো বুজিছেই দেউতা!'

'তৎক্ষণাৎ এই সিদ্ধান্তটো মই লোৱা নাই। কাৰোবাৰ প্ৰৰোচনাতো এনে কাম কৰা নাই। অনেক ভাবি-চিন্তি এনেকুৱা সিদ্ধান্তত মই উপস্থিত হৈছোঁ।'

'দেউতা, আপোনাৰ পুত্ৰ মোৰ স্বামী। তথাপি মই স্বীকাৰ কৰোঁ, পুত্ৰ হিচাপে আপোনাৰ প্ৰতি বা পৰিয়ালৰ প্ৰতি তেখেতে ইমান দিনে কোনো কৰ্ত্তব্য পালন কৰা নাই। তেখেতে তাৰ বাবে নিশ্চয় অপৰাধী।'

'তুমি কোৱা দোষৰ কথাটো মোৰ সিদ্ধান্তৰ ঘাই বস্তু নহয়।'

'তেনেহলে আন কি কাৰণ থাকিব পাৰে দেউতা?'

'এৰা কি কাৰণ? —সেই কাৰণটো আজিও মই কাৰো আগত প্ৰকাশ কৰা নাই। মদনক ত্যজ্যপুত্ৰ কৰি মোৰ সমুদায় সম্পত্তিৰ পৰা তাক বঞ্চিত কৰিলোঁ; অথচ কোনেও মোক এই প্ৰশ্নটো কৰা নাই। সকলোৱে তোমাৰ দৰে ভাবি লৈছে, মদনৰ ব্যৱহাৰত ৰমেশ বৰুৱা ক্ষুণ্ণ হৈ এনেকুৱা অবিবেচকৰ কাম কৰি পেলাইছে।'

দেউতাৰ কথা মোৰ মনত সাঁথৰ যেন লাগিল। অবুজ দৃষ্টিৰে কেৱল তেখেতলৈ চাই ৰলোঁ। কি কব খুজিছে তেখেতে বাক?

তেখেতৰ চকুহাল ঘৰৰ খুটা এটিৰ নিৰ্দ্দিষ্ট ঠাইত নিবদ্ধ হৈ পৰিল।

'সৌ খুটাটোত আজি এসপ্তাহমান আগলৈকে এখন ফটো আঁৰা আছিল। ফটোখন মদনৰ জন্মৰ এবছৰ পিচতে তোলা। মদনক কোলাত লৈ তাৰ মাক আৰু মই ফটোখনত থকা শিশু মদনক দেখুৱাই কৈছিলোঁ 'ই মোৰ দাম্পত্য জীৱনৰ প্ৰথম স্বাক্ষৰ'। আজি কিন্তু সেই ফটোখন নাই। নমাই আনি নিজ হাতে ভাঙি পেলাইছোঁ—এডাল মাৰিৰে কোবাই কোবাই ভাঙি পেলাইছোঁ। কাচবোৰ গুৰি হৈ গৈছিল - কাঠৰ ধুনীয়া ফ্ৰেমটো টুকুৰা টুকুৰ হৈ চিটিকি পৰিছিল। কিন্তু ফটোখন একোপধ্যে নোহোৱা কৰিব পৰা নাছিলোঁ—যেন ৰক্তবীজ।

অগত্যা জুইত নি জাপি দি'ছিলোঁ সকলোবোৰ। পুৰি নিঃশেষ হৈ গৈছিল মধুৰ দাম্পত্য জীৱনৰ প্ৰথম স্বাক্ষৰ।'

'কিয় তেনে কৰিলে দেউতা?'

'কিয়? ই আছিল এটা জাল স্বাক্ষৰ। মই প্ৰমাণ পালোঁ সেই স্বাক্ষৰ মোৰ নহয়।'

দেউতা অলপ উত্তেজিত হৈ পৰিছিল। পোনতে বোধহয় কথাষাৰ প্ৰকাশ কৰিবলৈ ভাষা বিচাৰি পোৱা নাছিল।

'আপুনি ভুল কৰিলে নেকি দেউতা?'

'ভুল বুলি কৈছা?

'মানুহৰ ভুল হোৱাটো অস্বাভাৱিক নহয়।'

'ধৰ্ম্মৰাজ যুধিষ্ঠিৰে পাশাখেলত ভুল কৰি হৰা নাছিল। কূট-পাশত্তিৰ বলত শকুনিয়ে যুধিষ্ঠিৰক হৰুৱাইছিল। ময়ো মানুহৰ চল-চক্ৰান্তৰ খেলত মোহিত হৈ নিজকে নিজে চিনিব পৰা নাছিলোঁ। সেই মায়া-চক্ৰক সমূলে নিপাত কৰাৰ বাবে এই নিষ্ঠুৰ সিদ্ধান্ত লোৱাৰ বাহিৰে উপায় নাছিল।'

'আপুনি তেনেহলে আইদেউৰ কথাকে কিবা কব খুজিছে নেকি?'

'তুমি বুদ্ধিমতী ছোৱালী।'

'দেউতা, শাহু আইদেউ তেনেহলে ........।'

'এডাল বিষলতা। অতি সন্তৰ্পণে মোতেই বগাই জন-সমাজত জাতিষ্কাৰ হৈ পৰিছিল।'

'আৰু · ......'

'আৰু তোমাৰ স্বামী মদন সেই বিষলতাৰে প্ৰসূত ফল। —সি নিষিদ্ধ ফল।'

সচাকৈয়ে শাহু-আই বিষলতা—পুত্ৰ অৰ্থাৎ মোৰ স্বামী মদন বৰুৱা নিষিদ্ধ ফল!! তেনেহলে—তেনেহলে—

মই আৰু ভাবিব পৰা নাছিলোঁ। সকলোখিনি জানি লবলৈ মই ব্যাকুল হৈ পৰিলোঁ। এই গুপ্ত-ৰহস্য জনাটো নিতান্ত আৱশ্যক।

'মোক কথাবোৰ পৰিষ্কাৰ ভাবে খুলি কওক দেউতা।'

'সহ্য কৰিব পাৰিবা জানো?'

'আপুনি যেনেকৈ সহ্য কৰিছে, ময়ো তেনেকৈ কৰিম দেউতা।'

'মই আজি তাৰ প্ৰায়শ্চিত্ত কৰিব খুজিছোঁ।'

'ময়ো প্ৰায়শ্চিত্ত কৰিম।'

'যদি সেই সাহস তোমাৰ আছে—এৰা আছে বুলিয়েই মোৰ বিশ্বাস হৈছে। বেয়া কাম কৰে অনেকে, কিন্তু সকলোৱে প্ৰায়শ্চিত্ত কৰিব নোৱাৰে। কিছুমানৰ সাহসৰ অভাব, কিছুমানৰ বোধৰ অভাব। অনেকে আকৌ দুৰ্বলতাক ঢাকিবলৈ নানা যুক্তিৰ অৱতাৰণা কৰি আত্ম-প্ৰত্যয় লাভ কৰিব বিচাৰে। নিজৰ দোষ আৰু দুৰ্বলতা স্বীকাৰ কৰাটোক তেওঁলোকে দুৰ্বলতা বুলি অভিহিত কৰে। মালতী অৰ্থাৎ মদনৰ মাকেও যদি সেই যুক্তিকে সাবটি লৈ আত্ম-প্ৰত্যয়ত মগ্ন নহলহেঁতেন, তেনেহলে আজি তাচৰ পাতৰ ঘৰৰ দৰে বৰুৱাৰ সংসাৰ বাগৰি নপৰিলহেঁতেন। অলপ আগতে তুমি ইয়ালৈ অহা ডাক্তৰজনক দেখিছিলা নহয়? তাৰ নাম হৰিশ কলিতা· মোৰ বাল্যবন্ধু। একেলগেই মেট্ৰিক পাছ কৰিছিলোঁ। সি ডাক্তৰী পঢ়ি আহি গাওঁতে ফাৰ্মাচী খুলিলে। মই বি, এ, পাছ কৰি আহি হাইস্কুলৰ শিক্ষক হলোঁ।'

দুয়োৰো বন্ধুত্ব আগৰদৰেই থাকিল।

তেতিয়াও দুয়ো বিয়া কৰোৱা নাছিলোঁ। অবলশৰে লগ হলে হাঁহি ধেমালি কৰোঁ—নানা খুহুতীয়া কথা উলিয়াওঁ। সময় বিশেষে ছোৱালীৰ কথাও পাতোঁ। ছোৱালী সম্বন্ধে মোতকৈ তাৰ অভিজ্ঞতা বেছি। মই শিক্ষক হোৱাৰ বাবে বাহিৰত গহীন হৈ চলিব লাগিছিল, আৰু ডাক্তৰ হিচাবে সকলো ৰকমৰ ঘটনাৰ লগত সি জড়িত হৈ পৰিছিল।'

'এই ৰমেশ, এটা বৰ ইণ্টাৰেষ্টিং কথা কম শুনিবি?' হঠাতে এদিন হৰিশে মোক সুধিলে।

'ক' কি কথা।'

'কথাটো কিছু অশ্লীল।'

'হওক, ইয়াত কোনে শুনিব?'

'যাৰ কথা কম তাৰ নামটো কিন্তু তই সুধিব নোৱাৰ। কাৰণ সেইবোৰ প্ৰকাশ কৰা আমাৰ ডাক্তৰী-শাস্ত্ৰত মানা কৰা আছে।'

'বাৰু নোসোধোঁ ক।'

'যোৱা ৰাতি প্ৰায় এঘাৰমান বজাত মোৰ ওচৰলৈ এজন ভদ্ৰলোক আহিছিল। মই ভাত খাই উঠিছিলোঁ মাত্ৰ।'

'তাৰ পিচত?'

'মোক চোতাললৈ মাতি আনিলে। ভাব হ'ল কিবা গোপনীয় কথা কব।'

'কিঁ কলে?'

'কি কলে মানে? যি কলে শুনি মোৰেই লাজ লাগি গৈছিল।'

'কথাটো নকৱ কিয়?'

'তেওঁৰ হেনো গাভৰু ছোৱালীজনী যোৱা দুমাহৰ পৰা গা-ধোৱা নাই।'

'অৰ্থাৎ অন্তঃসত্বা?'

'সাধু ভাষাত সেইটোৱেই।'

'বিয়া হৈছিল নে নাই?'

'বিয়া হলে জানো ৰাতি এঘাৰ বজাত আহে!'

'বাৰু কৈ যা।'

'অনুৰোধ কৰিলে, কান্দিলে, কাগৌ-কোকালি কৰিলে– জীয়েকৰ গা-খালাচ কৰি দিব লাগে।'

'সচাকৈয়ে ইণ্টাৰেষ্টিং কথা। তই কি কলি?'

'মইতো প্ৰথমে হতবাক। নিজৰ জীয়েকৰ কথা বাপেকে কব পাৰে কেনেকৈ? পিচত অৱশ্যে অনুভৱ কৰিলোঁ, পৰিস্থিতিয়ে অনেক সময়ত নকৰিবলগীয়া কামো কৰাবলৈ বাধ্য কৰে।'

'তই সম্মতি দিলি?'

'মই তৎক্ষণাৎ রিফিউজ কৰিলোঁ। এনে পাপ কাম মোৰ দ্বাৰা হব নোৱাৰে বিনিময়ত তেওঁ মোক যথেষ্ট টকা দিব খুজিছিল। মই কলোঁ—সেইখিনি টকা খৰচ কৰি জীয়েৰাক কাৰোবাক গতাই দিয়াগৈ।'

'তাৰ পিচত?'

'কব নোৱাৰোঁ। মই উভতি আহি দুৱাৰখন জপাই শুই পৰিলোঁ।'

ঘটনাটো যদিও ইন্টাৰেষ্টিং তথাপি মই সিমান গুৰুত্ব আৰোপ নকৰিলোঁ। তদুপৰি তাঁৰ কেইদিনমান পিচত মৰো বিয়া কৰালোঁ। ঘৰলৈ গুচি আহিলো তাৰ পৰা। সংয়ত সেইবোৰ একেবাৰে পাহৰিয়েই গলোঁ।

দীৰ্ঘ আঠাইশ বছৰ পিচত এদিন এই কথা আকৌ মনত পৰিছিল এখন চিঠিৰ পৰা। মই গম পালোঁ, ডাক্তৰ হৰিশ কলিতাৰ কাহিনীৰ নায়িকা সেই ছোৱালীজনীয়ে হ'ল তোমাৰ শাহু-আয়েৰা মালতী, আৰু সেই গৰ্ভস্থ সন্তান হ'ল মদন– তোমাৰ স্বামী।'

'দেউতা! বুলি মই চিঞৰি উঠিলোঁ। তেখেতে কৈ গ'ল 'নিজৰ আত্ম-সম্মানটোৰ বাবে এই কথা মই এতিয়াও কাৰো আগত প্ৰকাশ কৰা নাই। আজিও নকৰিলে হ'লহেঁতেন। মালতী নাই—মদনো মোৰ পৰা আঁতৰি গৈছে। অকলে সিহঁত দুজন আঁতৰি গলেইতো নহব, বংশৰ পৰম্পৰা গতিধাৰাকো চিৰদিনৰ বাবে বন্ধ কৰি দিব লাগিব। বন্ধ কৰিব নোৱাৰিলেও তাৰ গতি ভিন্নমুখী কৰি দিব লাগিব। বৰুৱাৰ পৱিত্ৰ তেজ ধাৰাত দূষিত তেজৰ মিশ্ৰণ হোৱাতো মই কেতিয়াও বাঞ্ছা নকৰোঁ—অন্ততঃ জ্ঞাতসাৰে।'

দেউতাৰ কথাবোৰ শুনি মোৰ সমস্ত দেহটোত তীব্ৰ কঁপনি এটা অনুভৱ কৰিলোঁ। আদালতত মৃত্যুদণ্ড শুনাৰ সময়তো কিজানি আচামীৰ এনে অৱস্থা নহয়। মই হিতাহিত জ্ঞান হেৰুৱাই পেলোৱাৰ উপক্ৰম কৰিলোঁ।

কথা কৈ কৈ দেউতা ভাগৰি পৰিছিল।

'দেউতা।'

তেখেতে একো নকলে, চকুহুটা মেলি মোৰ ফালে মাথো চালে।

'দেউতা, সা-সম্পত্তি নালাগে, কিন্তু সামাজিক ভাবে আপোনাৰ পুত্ৰ বুলি তেখেতক স্বীকাৰ কৰি লওক, শাহু-আইদেৱে ভুল ক'ৰিছিল, অপৰাধ কৰিছিল। সমাজত এনেকুৱা অপৰাধৰ সংখ্যা বহুতো আছে।'

'মোক অনুৰোধ নকৰিবা আইটি। মদনক মোৰ ঔৰসজাত পুত্ৰ বুলি মই স্বীকাৰ নকৰোঁ—কৰিব নোৱাৰোঁ।'

'কিন্তু মোৰ গৰ্ভত যে তেওঁৰ ঔৰসজাত সন্তান আছে দেউতা।'

'তাক গৰ্ভ ফালি মাৰি পেলাই দিয়া। বৰুৱাৰ বংশ লুপ্ত হওক ক্ষতি নাই, সেই বুলি সংক্ৰামিত হবলৈ নিদিওঁ। মই হিন্দু। হিন্দু সমাজত অবৈধ সন্তানৰ স্থান নাই। গীতাত স্পষ্টকৈ কৈছে— তিৰোতা দুষ্ট হলে বৰ্ণসঙ্কৰ সন্তান জন্মে, সেই সন্তানে ভবিষ্যতৰ সমাজ দুষিত কৰে, পিতৃপুৰুষ সকলৰ পিণ্ড লুপ্ত হয়।'

তেন্তে মোক এটা উপায় দিয়ক দেউতা। আপুনি কোৱাৰ দৰে সমাজৰ, পিতৃ-মাতৃ আৰু নিজৰ আত্ম-সম্মান অটুত ৰাখিবলৈ সকলোৰে অগোচৰে মই আপোনাৰ পুত্ৰক স্বামীৰূপে গ্ৰহণ কৰিছিলোঁ। তেওঁৰে সন্তান মই গৰ্ভত ধাৰণ কৰিছোঁ। নাৰী হোৱাৰ চৰম গৌৰৱ এই মাতৃত্বত। মনৰ মাজত কিমান আশা ভৰষা। সকলো আজি ধুলিস্যাৎ হৈ গ'ল। মোৰ জীৱনটো ধ্বংস হ'ল দেউতা—মই কি কৰোঁ —মই—

মই আৰু একো কব নোৱাৰিলোঁ। ক্ষোভ, ঘৃণা আৰু গ্লানিয়ে মোৰ কণ্ঠ ৰোধ কৰি পেলালে। হুক্ হুককৈ কান্দি পেলালোঁ।

'আপুনি অতীতৰ এই গোপন সূত্ৰটো ক'ৰ পৰা পালে মোক কোৱাত জানো বাধা আছে দেউতা।' ফেকুঁৰি ফেকুঁৰি মই দেউতাক সুধিলোঁ।

'তুমি ঠিকেই সুধিছা। বাধা একো নাই। তাক তুমি জনা উচিত। আজি এসপ্তাহমান আগতে মোৰ ইয়ালৈ এগৰাকী মহিলা আহিছিল। তেওঁৰ জৰিয়তে মই এইবোৰ গম পাইছোঁ।

'কোন সেই মহিলা ?'

'তেওঁৰ সম্পূৰ্ণ ঠিকনা মই নাজানো। অ'—তুমি এটা কাম কৰিব পাৰা। গুৱাহাটীত আমাৰ গাওঁৰে ভাস্কৰ শইকীয়া নামৰ এজন ল'ৰাই হাইকোৰ্টত ওকালতি কৰে। তাৰ হাতত এইবোৰ কাহিনী বিচাৰি পাব পাৰা। লামডিঙৰ হস্পিতেলৰ পৰা অণুৱে এখন চিঠি লিখিছিল। সেই চিঠিতেই আমাৰ পৰিয়ালটোৰ বহুতো নাটকীয় অথচ সঁচা কাহিনী থূপ খাই আছে। মদনৰ উশৃঙ্খলতা, অণুৰ দুঃখময় জীৱনৰ বেদনা আৰু মাক মালতীৰ জীৱনৰ বীভৎস স্বীকাৰোক্তি সকলোখিনি আছে। মৰণৰ আগ-মুহূৰ্ত্তত মালতীয়ে নিজৰ পাপ স্বীকাৰ কৰি গৈছিল অণুৰ আগত।

মৃত্যুৰ সময়ত মালতীয়ে বহুতো কষ্ট খাইছিল। তেওঁৰ কষ্ট দেখি আমি সকলোৱে ভগৱানৰ ওচৰত তেওঁৰ মুক্তিৰ বাবে প্ৰাৰ্থনা জনাইছিলোঁ। তুমি জানা নে নাজানা ক'ব নোৱাৰোঁ—আমাৰ অসমীয়া সমাজত এটা জন-বিশ্বাস আছে যে, মৃত্যুকালত যদি কোনো লোকৰ জীৱটো কোনো মতেই ওলাই নাযায়, তেনেহলে তেওঁৰ জীৱনত কোনো গোপন পাপ অপ্ৰকাশিত অৱস্থাত আছে। মালতীৰ ক্ষেত্ৰতো গাওঁৰ বিশেষকৈ আদহীয়া মহিলা সকলে এনেকুৱা এটা মনোভাব প্ৰকাশ কৰিছিল। আনকি এজনী বুঢ়ীয়ে আহি খোলাকৈ হেনো কিবা পাপ থাকিলে সৈ কাঢ়িবলৈ উপদেশো দিছিল। অৱশ্যে সেই মুহূৰ্ত্তত তেওঁ কোনো পাপ স্বীকাৰ কৰা নাছিল।

অৱশেষত ধৰ্মৰ ঢোল বাজিল। মালতী পৰাজিত হ'ল। এদিন ৰাতি মৰণ শয্যাৰ কাষত অণুক বহুৱাই লৈ অকপটে অতীতৰ সেই পাপৰ কথা নিজ মুখে ব্যক্ত কৰিবলৈ বাধ্য হ'ল। সিদিনা ৰাতিয়ে মালতীৰ মৃত্যু হৈছিল। মালতীৰ স্বীকাৰোক্তি অণুৱে অৱশ্যে সেই সময়ত কাৰো আগত প্ৰকাশ কৰা নাছিল।—মোৰ বিশ্বাস হৈছে, অণুও আজি সেই একে বিশ্বাস বা Superstitionৰ দ্বাৰা আক্ৰান্ত। নহলে এইবোৰ কথা তাৰো অন্ততঃ বাপেক

হিচাবে মোলৈ নিলিখিলেহেঁতেন। সুস্থ মস্তিকত বিকৃত চিন্তাবোৰ ছাপ খাই থাকে। অপুৰ সেই স্বীকাৰোক্তিবোৰ তেনে হতাশ মনৰ ব্যঞ্জনা।'

তাৰ পিচত দেউতাই কোনো কথা কোৱা নাছিল - যেন তেখেতৰ মনৰ ক্লেদবোৰ জাবি-জোকাবি পেলাবলৈ পাই অলপ সকাহ পালে; লগে লগে বহুদিনীয়া ভাগৰটোত ক্লান্ত হৈ পৰিল।

দেউতাৰ চকুহাল লাহে লাহে মুদ খাই আহিল।

দেউতা টোপনি গ'ল।

মই কি কৰিলো সঠিককৈ কব নোৱাৰো। চকুৰে ধুৱলি-কুঁৱলী দেখিলোঁ। কাকো একো নোকোৱাকৈ গাড়ীখন লৈ গুচি আহিলোঁ।

ঘৰ পাই বিছনাত পৰি পৰি পাৰো মানে কান্দিলোঁ। গাক তিতি গৈছিল, চুলি আউলি-বাউলি হৈ পৰিছিল। বকুৱা ৰাতি ক'ত আছিল, কি খাইছিল নাজানো।

ৰাতিপুৱা ন-মান বজাত মই সাৰ পালোঁ। কিছুমান নৰকৰ কীটৰ বিকৃত দংশনত মনটো বৰ ভাৰাক্ৰান্ত হৈ পৰিছিল—উঠি আহিবলৈ শক্তি হেৰুৱাই পেলাইছিলোঁ। ঘৰত কাম কৰা খাছীয়া আয়াজনীয়ে সুধিলে 'গা কেনে পাইছে আইদেউ?'

গা কেনে পাইছে! অদ্ভুত প্ৰশ্ন। মোৰ কিবা অসুখ হোৱা বুলি ভাবিছিল নেকি? উঠিলোঁ- দুৰ্বল দেহটো চোচোৰাই লৈ বাথৰুমলৈ গলোঁ। তাত এনেয়ে চকুমুখ ধুই পেলালোঁ।

'বাবুই যোৱাৰ সময়ত এইখন কাগজ দি গৈছে। কৈছে, ৰাতি নাহিবও পাৰে।' এই বুলি আয়াজনীয়ে সৰু কাগজ এখন আগবঢ়াই দিলে। মই একে উশাহতে পঢ়িব ধৰিলোঁ:

বেৱা,

যোৱা ৰাতি হেনো দেউতা ঢুকাল। গাওঁৰ পৰা দুজন লোক আহিছিল। সৎকাৰ কৰাৰ বাবে মোক জোৰকৈ লৈ গ'ল। ৰাতি উভতি নাহিবও পাৰোঁ।

তোমাৰ
মদন।

চিঠিখন টুকুৰা-টুকুৰিকৈ ফালি ওৱাষ্ট-পেপাৰ বাস্কেটলৈ দলিয়াই দিলোঁ। কি কৰোঁ একো উপায় উলিয়াব নোৱাৰিলোঁ। এনেয়ে এবাৰ নিজৰ তলপেটটোত হাত বুলালোঁ। ইয়াতে বৈ আছে অবাঞ্ছিত এটি ভ্ৰূণ। নিজৰ দেহটোৰ ওপৰতে ঘৃণা জন্মিল। সঁচাকৈয়ে এনে এটি মন গৈছিল যেন কিবা এটি দৰব খাই ভ্ৰূণটো হত্যা কৰি পেলাওঁ। —হে ঈশ্বৰ মোক উপায় দিয়া!

'কি হ'ল বাইদেউ, কি হৈছে?' আয়াজনীয়ে মোৰ গাটো জোকাৰি দি সুধিলে।

বোধহয় মই চিঞৰিছিলোঁ উপায় বিচাৰি। বলিয়াৰ দৰে চিঞৰিছিলোঁ।

পৰস্পৰ বিৰোধী চিন্তাত মগজুৱে যেতিয়া কাম নকৰা হৈ পৰে, অথবা আকস্মিক কোনো এটি আঘাত গৈ তড়িৎ-বেগে মনৰ পৰ্দাত খুন্দা মাৰে তেতিয়া মানুহ বলীয়া হয়। ভাস্কৰে সন্দেহ কৰিলে বেৰেকাও তেনে বলীয়া হ'ল নেকি? নে আকস্মিক আঘাত চম্ভালিব নোৱাৰি তাইৰ দিশহাৰা মনটোৱে পৰিত্ৰাণৰ পথ বিচাৰি খেপিয়াই ফুৰিছে। বেৰেকাৰ মনৰ অৱস্থা যেনে, যি কোনো মুহূৰ্ত্তে বলীয়া হৈ যাব পাৰে, অথবা সাংঘাটিক দুৰ্ঘটনা এটি কৰি পেলাব পাৰে। এতিয়া একমাত্ৰ পথ হৈছে তেওঁৰ মনটো ভিন্নমুখী কৰি দিয়া। ভাস্কৰে নিজৰ মনতে সূত্ৰ বিচাৰিব ধৰিলে।

'মিছেছ বৰুৱা, সম্প্ৰতি আপুনি এটা কাম কৰক।' ভাস্কৰে কলে।

'কওক।'

সাগৰত বুৰা মানুহে খেৰকুটা ভালকো আশ্ৰয়ৰূপে লব খোজাৰ দৰে কিবা এটা সহায় পোৱাৰ আশাত বেৰেকায়ো আগ্ৰহেৰে ভাস্কৰৰ মুখলৈ চালে।

'মদনক ডাইভোৰ্চ কৰাৰ আপুনি যি সংকল্প লৈছে তাত একেবাৰে বুজ্ নোহোৱা নহয়। ৰমেশ বৰুৱাই যিখন চিঠিৰ কথা আপোনাৰ আগত কৈছে, সেইখন মোৰ হাতত অৱশ্যেই আছে। আপোনাক

লেখুৱাবও পাৰোঁ। কিন্তু তাৰ পৰা আপুনি বিশেষ একো লাভবান নহব। মদনৰ জন্মৰ কথাখিনিকে সংক্ষেপে তাত লিখা আছে। তদুপৰি চিঠিখন অসম্পূৰ্ণ।

'আপোনাৰ তেনেহলে চিঠিৰ সত্যাসত্যৰ ওপৰত সন্দেহ আছে?'

'নাই। চিঠিখন অণুই লিখাটো সত্য। অণুৰ হাতৰ আখৰ মই চিনি পাওঁ। কিন্তু অণু অলপ দৈহিক ভাবেই নহয়, মানসিক দিশতো অসুস্থ। মনৰ আবেগত কথাবোৰ লিখা হৈছে। ইয়াৰ ভিতৰত কিছু ইমাজিনেচন থাকিব পাৰে। দুৰ্বল মনত এনেকুৱা তৰল যুক্তি মাজে সময়ে জন্মা আন মানুহৰ ক্ষেত্ৰতো দেখা যায়।'

'অথচ অণু আৰু দেউতাকৰ কথাত মিল আছে।'

'বকৰাই অস্থিৰ মনত জীয়েকৰ কল্পিত কাহিনী এটাকে অতীতৰ কোনো এটা সাধাৰণ কথাৰ লগত যুকিয়াই লৈও এনে মনোভাব পোষণ কৰিব পাৰে। তদুপৰি জীয়েকৰ আচৰণত তেখেতে আগৰে পৰাই সন্দিগ্ধপৰায়ণ আছিল।'

'আপুনি দুটি বিপৰীতমুখী যুক্তি দাঙি ধৰিছে।'

'আমি উকীলবিলাক সদায় যুক্তিবাদী। কবি বা দাৰ্শনিকসকলৰ দৰে আবেগৰ বশীভূত হৈ কোনো সিদ্ধান্ত লব নোখোজোঁ। দুয়োটা কাম চালি-জাৰি চোৱাটো আইনেও সমৰ্থন কৰে।'

'আপুনি কব খোজে নেকি মিঃ শইকীয়া, ডাইভোৰ্চ কৰিব লগা হলে মই সেই প্ৰমাণবোৰ সাব্যস্ত কৰিবলৈ সাক্ষী গোটাব লাগিব?'

'সেইবোৰ পিচৰ কথা। বাৰু,আপুনি আজিলৈ যাওক। দুদিন ধৈৰ্য্য ধৰক। মই অলপ পিচতে নামডিওলৈ গৈছোঁ। তাতে সুস্থিৰ ভাবে এই কথাটো অণুৰ পৰা জানি আহি আপোনাক মোৰ অভিমত জনাম।'

'আকৌ দুদিন......'

'হয়তো দুদিন নহবও পাৰে।'

* * * *

'আপুনি সচাকৈয়ে কোনো ভুল ধাৰণা পোষণ কৰা নাছিল

ভাস্কৰ ককাইদেউ। আপুনি শুদ্ধই আছিল। আপুনি ভবাতকৈ মই বেছি বেয়া ছোৱালী।' ভাস্কৰৰ হাতখন নিজৰ হাতৰ মুঠিৰ মাজত লৈ লাহে লাহে অণুৱে কৈ গৈছিল।

লামডিং ৰেলওৱে হস্পিতেল।

২নং ওৱাৰ্ডৰ ৩নং কোঠা।

কোঠাত আৰু তৃতীয় প্ৰাণী নাছিল। অণুৰ অনুৰোধ ক্ৰমে নাৰ্ছজনী আগতেই তাৰ পৰা ওলাই গৈছিল। তায়ো বুজিছিল অণু আৰু ভাস্কৰৰ সম্বন্ধটো কি? শেষৰ মিলনৰ আকাঙ্ক্ষাত সেয়ে ভেটা দিবলৈ ইচ্ছা নকৰিলে।

'তুমি অকণো বেয়া ছোৱালী নোহোৱা। অণু, ভুল ধাৰণা লৈ তুমি নিজকে সদায় বেয়া বুলি ভাবি আহিছা। সংসাৰৰ সৰহ ভাগ মানুহেই পাৰ্থিব সুখ কামনা কৰে। নিজৰ অৱস্থাক লৈ কোনো দিনে কোনেও সুখী নহয়। কামনা কৰে সামৰ্থ্যতকৈ অধিক। অথচ কামনাৰ অন্তও নাই।'

'দেউতায়ো আপুনি কোৱা কথাবোৰকে আমাক উপদেশৰ চলেৰে বুজাই আহিছিল। তেখেতে কৈছিল—উচ্চ আকাঙ্ক্ষা বেয়া নহয় যদি সি শক্তি সামৰ্থ্যৰ ভিতৰত হয়। পৰক অনুকৰণ কৰা সদায় নিন্দনীয়।'

'তেখেতে উপযুক্ত কথাকে কৈছিল। ময়ুৰ চৰাইৰ পাখি খুচি ললেও কাউৰী কোনোদিনে ময়ুৰ চৰাই হব নোৱাৰে।'

কিন্তু আমাৰ মা আছিল তেনে প্ৰকৃতিৰ মহিলা। দেউতাৰ সম্পূৰ্ণ বিপৰীতধৰ্মী আছিল তেওঁৰ চাল-চলন। ময়ুৰৰ পাখি খুচি লৈ নিজকে ময়ুৰী বোলাই চালি ধৰিবলৈ যত্ন কৰিছিল। ফলত আমাৰ গোটেই পৰিয়ালটো এটা গলিত মৰা-শ ৰূপে পৰিগণিত হ'ল।'

'অণু!'

'আপুনি মোৰ বহু কথাকে নাজানে ককাইদেউ। মদন ককাইদেউৰ চাকৰিৰ বাবে অকল পঞ্জাৰী অফিচাৰৰ কামনা-গৰালতে মোক সুমুৱাই

দিয়া হোৱা নাছিল, কত দিন, কত বাৰ এই কেঁচা দেহটোক বজাৰৰ পণ্যদ্ৰব্যৰ দৰে বিনিময় কৰি মা, মোৰ আৰু ককাইদেউৰ লাহ-বিলাসৰ খৰচ চলাইছিলোঁ। আনকি কৰলৈ লাজ নাপাওঁ, এসময়ৰ মাৰ খৰিদ্দাৰ সকলকো সময়ে সময়ে মই মন যোগাব লগীয়াত পৰিছিলোঁ। মাই জানিছিল, মই আপোনাক ভাল পাওঁ,—আপুনি মোক ভাল পায়। সেয়ে আপোনাৰ পৰা মোক আঁতৰাই ৰাখিবলৈ আপোনাক আমাৰ ঘৰলৈ যোৱাটো বন্ধ কৰি দিছিল। আপোনাৰ দৰে ময়ো প্ৰথমে আত্মপক্ষ সমৰ্থন কৰি যুক্তি দিছিলোঁ—এবাৰ যি বেয়া কাম কৰিলোঁ কৰিলোঁ আৰু নকৰোঁ। মই বুজা নাছিলোঁ, যি এবাৰ দ্বিচাৰিণী হয়, তাইৰ বহুচাৰিণী হোৱাত বেছি পলম নালাগে।'

'তুমি সিদিনা হোটেলত থাকি ৰাতিপুৱাই লামডিঙলৈ গুচি আহিলা। অথচ আগদিনা মোক একো জানিবলৈ দিয়া নাছিলা। পিচদিনা হোটেলৰ মেনেজাৰেহে কৈছিল—'

হঠাতে ভাস্কৰ বৈ গ'ল।

'কি কৈছিল মেনেজাৰে'?' অণুৱে সুধিলে।

'নাই একো নহয়। মাথোন কৈছিল -'

'মাথো কৈছিল, ৰাতিপুৱাই এজন অচিনাকি লোকৰ লগত ছোৱালীজনী ক'ৰবালৈ গুচি গৈছে; আৰু তাইৰ ৰাতিৰ হোটেলৰ ভাড়াখিনিও মানুহজনে শোধ কৰিছে।'

'সেই কথাটোত মই গুৰুত্ব দিয়া নাই।'

'কিয়, এজন অচিন পুৰুষৰ লগত অহাটো জানো এজনী গাভৰুৰ কাৰণে ভাবিবলগীয়া কথা নহয়।'

'সকলো সময়তে নিশ্চয় নহয়। শুনিছিলোঁ, তুমি হেনো কোনো ফাৰ্মত কিবা কাম কৰা। সেইবোৰ কাৰণতো কোনো লোকৰ লগত যাবলগীয়া হব পাৰে।'

'আপুনি শুনা কথাটো একেবাৰে ভুল নহয়। কলিকতাৰ এখন

কাৰ্যৰ কিছুমান বিলাসিতাপূৰ্ণ বস্তুৰ সময়ে সময়ে মই অৰ্ডাৰ সংগ্ৰহ কৰি দিছিলোঁ। তাৰ পৰ ২৫% কমিচন পাইছিলোঁ।

'সেই কমিছনেৰে মাহত কিমান টকা আয় হৈছিল ?'

'কোনো ঠিক নাই। এখন ঘৰ চলোৱাৰ উপৰিও নিজকে সুসজ্জিত কৰি ৰাখিবলৈ এইখিনি আয় যথেষ্ট নহৈাছল।'

তেনেহলে ঘৰখন কেনেকৈ চলিছিল এই কথাটো সুধিবলৈ ভাস্কৰৰ মন নগল। তথাপি অণুৱে কিবা ভাবিব পাৰে বুলি কলে 'বেয়া পালা নেকি সোধাৰ বাবে ? মই তোমাৰ পৰা কৈফিয়ৎ বিচৰা নাই।'

'নহয় সুধি ভালেই কৰিছে। আপুনিও জানি থোৱা দৰ্কাৰ। আপোনালোকৰ সাহিত্যিক সকলে উপমা দিয়ে নহয় হৰিণাৰ মাংসই বৈৰী বুলি।'

'পিচে কি হ'ল ?'

'এদল মাংসলোভী হিংস্ৰ পশু থকাৰ বাবেই এনে উপমাবোৰৰ মূল্য আছে। সাধাৰণতে নাৰীৰ ক্ষেত্ৰতহে উপমা খটুওৱা হয়। যি সকল মাংসলোভী পশুৱে সমাজৰ অগোচৰে থাকি সিহঁতৰ পাশৱিক প্ৰবৃত্তি পূৰণ কৰি যায়, সিহঁত সদায় সমালোচনাৰ আঁৰতে বৈ যায়।

সিদিনা আপুনি মোক হোটেলত থৈ অহাৰ পিচত সঁচাকৈয়ে মেনেজাৰ জনে মোক এটি সুকীয়া কোঠা থকাৰ বাবে ব্যৱস্থা কৰি দিছিল। কৈছিল 'কিবা অসুবিধা হলে জনাবা।'

এজন ঠাকুৰে কোঠালিতে মোক ভাত দি গৈছিল। বহুদিনৰ মূৰত পেটভৰাই এসাজ খাইছিলোঁ। ভাত খোৱা হলত হাতত এগিলাচ পানী লৈ আন এজন লোক সোমাই আহিল। পানী গিলাচ টেবুলতে ঢাকি থলে।'

'আৰু কিবা লাগিব নেকি বাইদেউ' ? সি সুধিলে।

'নালাগে। তুমি যোৱা'। মই কলোঁ।

সি নগল। দুৱাৰ মুখত বৈ থাকিল। কিবা যেন ক'ব খোজে।'

'কি লাগে ?'

'আপোনাক কথা এটি কব খুজিছোঁ।' কওঁ মকওঁকে সি সেপ-ঢুকি কলে।

'কোৱা। মোৰ ভাগৰ লাগিছে।' এতিয়াই শুম।'

সি যি কলে মই আপোনাক তাক নগ্ন ভাষাৰে ব্যক্ত কৰিব নোৱাৰিলোঁ। কথাটিৰ অৰ্থ—বাহিৰত দুজন লোক আছে। সিহঁতে ৰাতিটোৰ বাবে মোক বিচাৰে। আগৰে পৰা হেনো দুয়োজনে মোক চিনি পায়। এতিয়া কিমান লাগিব অৰ্থাৎ ৰাতিটোৰ বাবে মোৰ দেহটোৰ দাম কিমান জানিব বিচাৰিছে।

অতি সহজ সৰল ভাবে সি কৈ গৈছিল। প্ৰথমে সি হেনো এনেকুৱা কথা এগৰাকী ভদ্ৰ মহিলাক কব নোৱাৰে বুলি আপত্তি কৰিছিল। তেতিয়া সিহঁতে তাক টকাৰ লোভ দেখুৱাইছিল। তাতো ব্যৰ্থ হৈ শেষত ভয় দেখুৱাইছিল। লগতে সাহস দি কৈছিল 'তাই কোনো ভদ্ৰমহিলা নহয় যা। আমি জানো, তাই এনে ব্যৱসায়ত অভ্যস্ত। টকাৰ প্ৰস্তাৱ পালেই ৰাজি হৈ যাব। ভয় কৰিব লগা একো নাই।'

তাৰ কথাবোৰ শুনি মোৰ সৰ্বশৰীৰ কঁপি উঠিল। এফালে তাৰ কথাত খং, আনফালে প্ৰস্তাৱক দুজনৰ প্ৰতি ভয়। ভালকৈ সোধাত গম পালোঁ সিহঁত গুণ্ডা প্ৰকৃতিৰ লোক। মেনেজাৰেও হেনো সিহঁতক খাটিৰ কৰে। মোক হোটেলত সোমোৱা দেখি প্ৰথমে মেনেজাৰৰ জৰিয়তে চেষ্টা চলাইছিল। মেনেজাৰে অগত্যা এবাৰ নোৱাৰি কৈছিল, তোমালোকে যদি পাৰা কাম হাছিল কৰা—বাধা নিদিওঁ। কিন্তু মই নোৱাৰোঁ। এগৰাকী বন্ধুৱে বিশ্বাস কৰি ৰাখি গৈছে। মেনেজাৰৰ জৰিয়তে সুবিধা কৰিব নোৱাৰি এই নিৰীহ চাকৰজনক এজেণ্ট হিচাবে নিয়োগ কৰিলে।'

'এঘণ্টা পিচত খবৰ লবি।' তলমুৰ কৰি মই তাক কলোঁ।

সি আঁতৰি গ'ল।

সাময়িক ভাবে আঁতৰি গলেও মই জানো, এঘণ্টা পিচত সি

পুনৰ আহিব। মোৰ পৰা শেষ সিদ্ধান্ত জানিবলৈ বিচাৰিব। কিন্তু মই কি সিদ্ধান্ত দিম ভাবিবপৰা নাছিলোঁ। এই ৰাতি হোটেল এৰি পলাই যোৱাতো একোপধ্যেই সম্ভৱ নহয়। যাব পাৰিলেও নিৰাপদ নহয়। সিহঁতে নিশ্চয় মোৰ ওপৰত শেন-দৃষ্টি ৰাখি বাহিৰত খাপ পাতি বৈ আছে।

মোৰ কোঠাটোৰ অলপ আঁতৰৰ আন এটি কোঠাত এজন ভদ্ৰ লোক আছিল। মই গৈ তেওঁৰ দুৱাৰত টুকুৰিয়ালোঁ।

'ক্ষমা কৰিব, এই ৰাতিখন আমনি দিব লগা হল।'

'কি লাগে আপোনাক?' ধমকনিৰ সুৰত তেওঁ সুধিলে।

মোক কোনো অভিসাৰিকা বুলি ভাবিছিল নেকি কব নোৱাৰিলোঁ।

'এটা বৰ বিপদত পৰি আহিছোঁ।' বিনয়েৰে কলোঁ।

ভদ্ৰলোকজনে মোৰ চকু-মুখলৈ এবাৰ চালে। সম্ভৱতঃ, সন্দেহ জনক বিশেষ চিন একো দেখা নাপালে।

'ভিতৰলৈ আহক!'

মই ভিতৰলৈ সোমাই গলোঁ।

'বহক!' কাষত থকা সৰু চকীখন মোলৈ আগবঢ়াই দিলে।

মোৰ উদ্বিগ্নতা তেওঁৰ চকুত ধৰা পৰিছিল। সুধিলে কি হৈছে মোৰ। মই অতি সংক্ষেপে চাকৰজনে কোৱা কথাখিনি বিৱৰি কলোঁ। তেওঁ বেছি কথা একো নকলে। অলপ সময় কিবা চিন্তা কৰিলে।

'যদি একো নাভাবে তেনেহলে আপুনি মোৰ বিছনাতে শুই থাকক।'

'আপুনি?'

'থাকিম ক'ৰবাত। মই অনুমান কৰিছোঁ, এই সময়ত আপুনি ক'তো নিৰাপদ ঠাই নাপাব।'

মই সম্মতি জনালোঁ। তাৰ বাহিৰে উপায়ো নাছিল। যি কোনো সময়তে গুণ্ডাহঁতে মোক আক্ৰমণ কৰিব পাৰে।

অলপো পলম নকৰি ভদ্ৰলোকজনৰ বিছনাতে মই শুই পৰিলোঁ।

অলপ পিছতে গম পালোঁ। বাহিৰৰ পৰা দুৱাৰৰ তলা-বন্ধ কৰা হৈছে। এটি বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি ৰলোঁ। কেতিয়া টোপনি আহিল কৰ নোৱাৰোঁ।

এটা সময়ত সাৰ পালোঁ। চকু মেলি চালোঁ। বেছ বেলি হৈছে। আগদিনাখনৰ ক্ষোভ ক্লান্তি বহু পৰিমাণে কমি গৈছে।

এই অচিনা ভদ্ৰলোকজনৰ প্ৰতি কৃতজ্ঞতাত মন ভৰি পৰিল। কোন এই ভদ্ৰলোক?

টেবুলৰ ওপৰত এখন আলোচনী পৰি আছিল। ওপৰ পৃষ্ঠাতে লিখা আছিল কেশৱ হাজৰিকা। সম্ভৱ ভদ্ৰলোক জনৰেই নাম।

বাহিৰ ওলাই দেখোঁ অলপ আঁতৰত এখন সক চকীত আগদিনাৰ সেই ভদ্ৰ ভদ্ৰলোকজন অৰ্থাৎ হাজৰিকা বহি আছে। তেতিয়াহে মনত পৰিল ৰাতি শোৱাৰ পিচত দুৱাৰখন তলা লগাই থোৱা হৈছিল। পুৰা ভাৱ একে উমানকে নাপালোঁ। নিশ্চয় তলাটো তেখেতে খুলি নিছে।

'আপোনাৰ ৰাতি কিবা অসুবিধা হৈছিল নেকি?' মোক দেখি হাজৰিকাই সুধিলে।

'নাই, কোনো অসুবিধা হোৱা নাই। এই উপকাৰৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ।'

সঁচাকৈয়ে ৰাতি যদি তেখেতে এই সহায়খিনি আগ নবঢ়ালেহেঁতেন .. আৰু ভাবিব পৰা নাছিলোঁ।

'আপুনি মুখ-হাত ধুই আহক একেলগে চাহ খাম। আপোনাৰ বাবে মই ৰৈ আছোঁ'। হাজৰিকাই কলে।

মুখ-হাত ধুই আহি দুয়ো চাহ খাব বহিলোঁ। এটি ল'ৰাই তাতেই চাহ দি গৈছিল।

মানুহজনৰ মুখত এটি আভিজাত্যৰ ছাপ আছে। অল্পভাষী কথাবোৰ জুখি জুখি কৈছে। সাধাৰণ কথা-বতৰাৰ পৰা বুজিলোঁ, তেখেতে ডিব্ৰুগড়ৰ কোনো কলেজত অধ্যাপকৰ কাম কৰে। ককায়েক

গৰাকী এম. এল এ.। ককায়েকক লগ ধৰাৰ মানসেৰে গুৱাহাটীলৈ আহিছিল। কিন্তু আগদিনাখনেই ককায়েক ঘৰলৈ গ'ল। লগ নাপালে। আন কামো অলপ থকাত বাতিটো গুৱাহাটীতে কটাৰ লগা হ'ল।

উপযাচি মোৰ পৰিচয়টোও তেখেতক দিলোঁ। আৰু ভিতৰুৱা কোনো কথা নকলোঁ। মোৰ প্ৰতি কিবা সন্দেহৰ ভাব পোষণ কৰা বুলি ধাৰণা নহ'ল।

সংসাৰ ৰঙ্গমঞ্চত মই নিপুণা অভিনেত্ৰী হৈ পৰিছিলোঁ। সিদিনাও মোৰ অভিনয় নিখুঁত ভাবে কৰি গলোঁ।

'এতিয়া আপুনি ক'লৈ যাব? হাজৰিকাই সুধিলে।

'কিয় সুধিলে?'

'মোৰ ককাইদেউ এম. এস. এ. জানিছেই। নিশ্চয় বৰ্ত্তমানে ঘৰতে আছে। যদি মোৰ লগত যাব পাৰে, তেনেহলে তেখেতৰ হতুৱাই আপোনাক ইয়াৰে কোনো মহিলা প্ৰতিষ্ঠানত চাকৰিৰ কিবা এটা ব্যৱস্থা কৰি দিব পৰা যাব পাৰে। এই বিভাগৰ মন্ত্ৰী গৰাকী ডিব্ৰুগড়ৰ।

অভাৱনীয় ভাবে এনেকুৱা সুযোগ এটা পাবলৈ মই সাজু নাছিলোঁ। কি সমিধান দিম ঠিৰাং কৰিব নোৱাৰিলোঁ। তথাপি 'ভাবি চাওঁ' বুলি উত্তৰ দি থলোঁ। হাজৰিকাই নামাতিলে। চিগাৰেট এটি জ্বলাই লৈ হুপিব ধৰিলে।

'অলপ পিচতে এখন উজনিমুৱা ট্ৰেইন আছে। মই সেই খনতে যাম। আপুনিও ইয়াত আৰু নথকাই সমীচীন হ'ব।'

'নাই, ময়ো এতিয়াই যাম।'

তুয়ো যাবলৈ ওলাই আহিলোঁ।

হাজৰিকাই মেনেজাৰক বাতিটোৰ থকা খোৱাৰ ভাড়া বুজাই দিলে। মোৰখিনিও দিলে। মই একো নামাতিলোঁ। মেনেজাৰে অৱশ্যে মোৰ মুখলৈ এবাৰ চাইছিল কৌতুহলী দৃষ্টিৰে।

দুয়ো হোটেলৰ বাৰান্দাৰ পৰা নামি ৰাস্তাৰ কাষত থিয় হলোঁ বিস্নাৰ আশাত।

'আপুনি কি সিদ্ধান্ত কৰিলে? হাজৰিকাই আকৌ এবাৰ মোক সুধিলে।

'কিন্তু—।

'ভাল, আপুনি ভেনেহলে যাওক।'

হাজৰিকাই বিক্সা এখন মাতি আনি ষ্টেচনলৈ বাওনা হ'ল।

কিয় জানো হঠাতে মস্তো এখন বিক্সালৈ হাজৰিকাৰ পিচে পিচে যাব ধৰিলোঁ।

'আপুনিও যে আহিলে।' প্লেটফৰ্মত মোক দেখি হাজৰিকাই কৈ উঠিল।

'আপোনাৰ লগতে মস্তো যোৱাটোকে সিদ্ধান্ত কৰিলোঁ।' তলমূৰ কৰি মই কলোঁ।

অলপ ইফাল সিফাল চাই হাজৰিকাই সুধিলে আপোনাৰ 'লাগেজ' আছে নেকি?

'নাই।'

'বাৰু, আপুনি থিয় হৈ মোৰ মাল-পত্ৰখিনি ৰখি থাকক। মই টিকট লৈ আহোঁ।'

'মোৰটোও আনিব।' মই বেগটো খুলিব ধৰিলোঁ।

'এতিয়া নালাগে বাৰু।' মোক বাধা দি হাজৰিকাই কলে।

দহ বজাত ট্ৰেইন আহিল। আমি দুয়ো দ্বিতীয় শ্ৰেণীৰ কামৰা এটাত উঠি পৰিলোঁ।

বাটত আমাৰ বেছি একো কথা হোৱা নাছিল। দুই এবাৰ দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ কথা উঠিছিল। মোৰ দেউ-তাই শিক্ষকতা কৰা শুনি সহায়ুভূতিৰে কৈছিল 'এটা জাতি গঠনত সকলোতকৈ বেছি দায়িত্ব লয় শিক্ষকেই। আজিৰ ভাৰত-বৰ্ষত শিক্ষক হলে পায় চালাম, অফিচাৰ হলে চালামী। শিক্ষকৰ

ত্যাগৰ স্বীকৃতি একো নাই—কেতিয়াবা বাষ্ট্ৰৰ পুৰস্কাৰ যাচি প্ৰশংসা কৰে।

আমাৰ ট্ৰেইন লামডিং ষ্টেচনত আহি থামিছিল। ষ্টেচনটো ডাঙৰ। ট্ৰেইন অলপ বেছি সময় থামে। হাজৰিকাই নামি গৈ দুকাপ চাহ আনিলে। চাহ খাই খাই ভাবিলোঁ ভদ্ৰলোকজনৰ সততা আৰু মহানুভৱতাৰ কথা। নকলেও মোৰ অৱস্থাৰ কথা নিশ্চয় তেওঁ উপলব্ধি কৰিছে—

এনেতে আকাশ ফাটি যোৱা শব্দ কাষৰ ডবাটোত শুনিবলৈ পালোঁ। তাৰ পিচত আৰু কব নোৱাৰিলোঁ—

যেতিয়া জ্ঞান আহিল দেখিলোঁ, মই এখন হস্পিটেলৰ বিছনাত পৰি আছোঁ। চাৰিওফালে ডাক্তৰ নাৰ্চ দৌৰাদৌৰি কৰি ফুৰিছে। মই চকু মেলা দেখি কেবাজনেও ওচৰলৈ আহিছিল—কিবা কিবি প্ৰশ্ন কৰিছিল। মই আকৌ চকু মুদিলোঁ—

ইমান সময় ভাস্কৰে বিস্ময়াভূত হৈ অপূৰ্ব ৰহস্যপূৰ্ণ কথাবোৰ শুনি গৈছিল।

'ডাক্তৰ সকলে তোমাৰ নাম ঠিকনা একো সোধা নাছিল নেকি?'

'সুধিছিল। মই কৈছিলোঁ—মোৰ কোনো নাই।'

'কিয় মিছা কলা?'

'কোনো আত্মীয়লোক এই সময়ত মোৰ ওচৰলৈ আহক এই কথা মই পছন্দ কৰা নাছিলোঁ। বহুদিনৰ পৰাই মই পলাই ফুৰিছোঁ।'

'তোমাৰ লগত অহা কেশৱ হাজৰিকা নামৰ ভদ্ৰলোকজনৰ কিবা সম্বেদ পালা নে নাই?

'জ্ঞান পালেও বহু সময়লৈ কি ঘটিছে মই বুজিব পৰা নাছিলোঁ। পিচত গম পালোঁ—মোৰ লগত হাজৰিকাও আহত হৈছিল। হস্পিটেলত ভৰ্ত্তি কৰাৰ অলপ পিচতে তেখেতৰ মৃত্যু হ'ল।'

মোক শুশ্রূষা কৰা নাৰ্ছজনী বৰ মৰমিয়াল আছিল। নাম আছিল আৰতি বৰা। ঘৰ গুৱাহাটীত। ইয়াত থকা কেইদিন মোৰ বৰ যত্ন লৈছিল। ছুটীত কাম কৰিছিল। ছুটী শেষ হোৱাত পুনৰ গুৱাহাটীলৈ যাবলৈ ওলাল। তেওঁৰ হাতত দিওঁ বুলি দেউতালৈ এখন চিঠি লিখিছিলোঁ। বহু দীঘলীয়া চিঠি। তাৰ ভিতৰত আছিল মা আৰু মোৰ আনে নজনা আনকি দেউতাৰো অজ্ঞাত ছুটিমান পাপকথা। মাই মৃত্যুৰ সময়ত মোৰ আগত কৈ গৈছিল। ময়ো মৃত্যুৰ আগমুহূৰ্ত্তত সেইবোৰ স্বীকাৰ কৰি পাপৰ বোজা কিছু লাঘৱ কৰাৰ ইচ্ছা কৰিছিলোঁ। কাৰণ, মই যে এইবাৰ নাবাচোঁ এইটো নিশ্চিত। অযথাই সিপুৰীলৈ পাপবোৰ কঢ়িয়াই নিওঁৱেই বা কিয়?'

ভাস্কৰে ইয়াৰ আগেয়ে কেবাবাৰো অণুক এনেকৈ নিৰলে পাইছিল। নানা ৰং-ৰহইচ কথা কৈ আমোদ কৰিছিল। অণুৱেও কত ভাল লগা কথা কৈছিল; কিন্তু আজিৰ দৰে অন্তৰ উজাৰি কোৱা নাছিল। ভাস্কৰে অণুৰ পূৰ্বৰ সেই চকিত হৰিণীৰ দৰে চকুযুৰি, তেজাল গাল ছুখন, ৰঙচুৱা ওঠ ছুটি সকলোবোৰ বিবৰ্ণ হৈ পৰিছে। ছুৰ্ঘটনাবোৰৰ লগতে হতাশায়ো অণুক ছুৰ্বল কৰি পেলাইছে তথাপি কেঠাৰি নিচিগাকৈ কথাবোৰ কৈ গৈছিল যেন কোনো ধৰ্ম গ্ৰন্থহে পঢ়ি গৈছে, অধ্যায় শেষ নোহোৱাকৈ এবাটো অপৰাধৰ কথা। ভাস্কৰে আকৌ অনুমান কৰিছিল, কথাবোৰ কওঁতে অণু লাহে লাহে অৱশ হৈ পৰিছিল।

'মিঃ শইকীয়া আপোনালোকৰ কথাবোৰ শেষ হৈছে নিশ্চয়। নাৰ্ছজনী সোমাই আহি কলে।

এতিয়াও মোৰ বহু কথা কবলৈ বাকী আছে চিষ্টাৰ। যদি অনুগ্ৰহ কৰি—।

অণুৱে কিবা কব বিচাৰিছিল। কিন্তু নাৰ্ছজনীয়ে কলে—

'ক্ষমা কৰিব, সময় আৰু দিব পৰা নহব। মেট্ৰন আহিবৰ সময় হৈছে।'

এই বুলি তেওঁ ভাস্কৰৰ মুখলৈ চালে। ভাস্কৰে বুজি পালে পৰোক্ষভাবে তেওঁকে ওলাই যাবলৈ কোৱা হৈছে।

'মই এতিয়া যাওঁ বাৰু। আবেলি আকৌ আহিম। তুমি মনটো দুৰ্বল কৰি নাথাকিবা। মনৰ সবলতা ৰোগীৰ বাবে মহৌষধ। সোন-কালেই সুস্থ হৈ উঠিবা।'

'যাওক ককাইদেউ মোৰ আশাৰ বন্তি কেতিয়াবাই নুমাই গৈছে। জীয়াই থকাৰ বাসনা মোৰ সঁচাকৈয়ে নাই।'

'ঈশ্বৰ মঙ্গলময়। তেওঁৰ ওপৰত বিশ্বাস ৰাখা। তেওঁ যি কৰে ভালকে কৰে।'

'সঁচা ককাইদেউ। মোৰ দুৰ্ঘটনা যেন দুৰ্ঘটনা নহয়—ঈশ্বৰৰ আশীৰ্বাদ।'

'অণু!'

'ককাইদেউ!'

'অণু।'

'এবাৰ কাষ চাপি আহক ককাইদেউ।'

ভাস্কৰ ওচৰলৈ গ'ল। অণুৱে ভাস্কৰৰ মুখখন দুই হাতেৰে সাৱটি ধৰি নিজৰ মুখত লগাই দিলে। শেঁতা পৰা অণুৰ গালখনত ভাস্কৰে এটি চুমা খালে······ ।

আবেলি ভাস্কৰ পুনৰ হস্পিটেললৈ আহিল। আহি দেখে অণু থকা কোঠাটো খালী হৈ পৰি আছে। কিছু আগতে যে তাত এটা ৰোগী আছিল তাৰ চিহ্নমাত্ৰও নাই।

অণু ক'লৈ গ'ল? নে আন কোঠালৈ বদলি কৰিলে? নিজৰ মনতে প্ৰশ্ন হ'ল। এজন হাউছ চাৰ্জনক দেখা পাই সুধিলে:

'তিনি নম্বৰ ৰুমত থকা ৰোগীজনীক ক'ৰবালৈ বদলি কৰিলে নেকি?'

'কিয় সুধিলে! আপোনাৰ কোনো আত্মীয়া আছিল নেকি?'

'হয়।'

'অলপ আগতে তেওঁ ঢুকাল।'

অলি থকা চিগাৰেটটোৰ পৰা ধোঁৱা অলপ উকৰাই দি ডাক্তৰজনে উত্তৰ দিলে।

ভাস্কৰৰ ভৱি দুখনৰ পৰা পৃথিবীখন হঠাতে এৰা দি যোৱা যেন লাগিল। ইমান নিষ্ঠুৰভাবে কেনেকৈ ডাক্তৰবোৰে দুঃসংবাদ এটা উচ্চাৰণ কৰিব পাৰে। নিশ্চয় পৰিবেশে তেওঁলোকক তাৰ উপযুক্ত কৰি গঢ় দিছে।

ডাক্তৰে ভাস্কৰৰ মুখখন দেখি তেওঁৰ মনৰ গতি অনুভৱ কৰিব পাৰিছিল।

'এনেকুৱা এটি বাতৰি দিবলগীয়া হোৱাত মই বৰ দুখীত ডাঙৰীয়া।'

'কিন্তু পুৱা বেলা আহিতো ৰোগীক বেছ সুস্থ আৰু উজ্বল যেন অনুভৱ হৈছিল।'

'চাকি নুমুৱাৰ আগতে ক্ষন্তেকৰ বাবে এবাৰ জ্বলি উঠে। আপুনি যি দেখিছিল সেয়া তাৰেই আভা।'

* * * *

এই ধোঁৱাবোৰৰ দৰে অণুৰ আত্মাটোৱেও আৱৰ্জনাৰে ভৰা এই পৃথিবীখন এৰি কোনো অচিন দেশলৈ গুচি গৈছে। আজিৰ পৰা আৰু অণু নামৰ দেহোপজীৱিনী ছোৱালী জনীৰ কোনেও নাম নলয়, সমালোচনাও নকৰে কোনেও।

পোৰা চিগাৰেটৰ উৰি যোৱা ধোঁৱাৰ কুণ্ডলীবোৰলৈ উদাস দৃষ্টিৰে চাই চাই ভাস্কৰ নিজৰ বিছনাখনত ভেজা দি ভাবিলে।

'আপোনাৰ এখন জৰুৰী চিঠি আছে।' ল'ৰাটোৱে এখন চিঠি দি গ'ল।

সাধাৰণতে ভাস্কৰে চিঠিবোৰ এটা নিৰ্দ্দিষ্ট সময়ত পঢ়ে। জৰুৰী হলে লগে লগে দিবলৈ নিৰ্দেশ দি থোৱা হৈছিল।

চিঠিখন ওপৰে ওপৰে চাই দেখিলে লোকেল পোষ্ট। গুৱাহাটীৰ পৰাই পোষ্ট কৰা হৈছে। খামটোৰ ওপৰত লেখা আছে এক্সপ্ৰেছ। খুলি পেলালে চিঠিখন। চিঠিৰ তলত 'ৰেবেকা'ৰ নামটো দেখিলে।

বেৰেকাৰ কথা ভাস্কৰে আজি দুদিন ধৰি একেবাৰে পাহৰিয়ে গৈছিল। বেৰেকাক কথা দিয়া আছিল—কিন্তু অণুক সেই বিষয়ে সুধি-বলৈ বৈ গ'ল। অলপ পিচতে হয়তো বেচেৰী.য় ফোন কৰিব, তাৰ পিচত নিজে আহি ওলাব। বেৰেকাক কি উত্তৰ দিব ভাস্কৰে ভাবি নাপালে।

প্ৰিয় শইকীয়া,

নমস্কাৰ গ্ৰহণ কৰিব। আপুনি লামডিঙৰ পৰা উভতি অহালৈকে অপেক্ষা কৰিম বুলি আপোনাক দিয়া প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰি মই দুখীত। আপোনাক লগ ধৰাৰ দিনাখন ৰাতি মোৰ ভাল টোপনি অহা নাছিল। ইফালে বকৰাও নাছিল। মোৰ শৰীৰ-মন ভাগি পৰিছিল। বিছনাখনত দেহটো এৰি দি বেৰত আঁৰি থোৱা কোলাত যীশুক লৈ থকা মেৰীৰ ছবিখনলৈ চাই ৰলোঁ। অৱসন্নতাত চকু দুটা আপোনা-আপুনি মুদ খাই আহিছিল যদিও মেৰীৰ পৱিত্ৰ মুখখন মনৰ পৰ্দাত ভাহি আছিল।

কিমান সময় পাৰ হৈ গৈছে ক'ব নোৱাৰোঁ। হঠাতে মাৰ কণ্ঠ-স্বৰ শুনিবলৈ পালোঁ। লগে লগে মা সোমাই আহিল। বিয়াৰ পিচৰে পৰা মাৰ লগত দেখা দেখি হোৱা নাছিল। আনকি চিঠিপত্ৰৰ মাধ্যমেদিও কোনো যোগাযোগ ঘটা নাছিল। দেখি বৰ ভাল লাগিল। তেওঁৰ চেহেৰাত পূৰ্বৰ সেই জ্যোতি। মুখখনত গভীৰতা আৰু চকুহালি মৰমসনা। দুহাতেৰে আকোৱালি ধৰি মাই মোক কেঁচুৱাটিৰ দৰে মৰম কৰিলে। দুগালত চুমা খালে। মাৰ কাষত মোৰ নিজকে দুৰ্বল দুৰ্বল যেন লাগিল। মা-দেউতাৰ অজ্ঞাতসাৰে বকৰাৰ লগত এদিন ঘৰৰ পৰা ওলাই আহিছিলোঁ। মোৰ প্ৰতি তেওঁলোকে কি মনোভাব লৈছে আজিও কব পৰা নাই।

দেউতাৰ কথা, ঘৰৰ কথা সুধিবলৈ সাহস গোটাব পৰা নোৱাৰিলোঁ।

ক'ৰবাৰ পৰা বকৰা সোমাই আহিল। তেখেতক মাৰ লৈতে পৰিচয় কৰাই দিলোঁ। দুয়ো মাক সেৱা কৰিলোঁ। মাই আমাক আশীৰ্বাদ দিলে।

মাই এটা সক চুটকেছ খুলিছে। ভাবিলোঁ, মোৰ বাবে কিবা বস্তু আনিছে।

এখন প্লাষ্টিকৰ সক দোলনা আৰু এটি সক পুতুল— মাই উলিয়াই দিলে।

'কি কৰিম ইয়াৰে?'

একো নামাতি মা ভিতৰ সোমাই গ'ল। প্ৰশ্নবোধক দৃষ্টিৰে বৰুৱাই মোৰ মুখলৈ চালে।

লাজতে মোৰ মৰি যোৱা যেন লাগিল। মই বৰুৱাৰ বুকুত মুখ লুকুৱালোঁ।

'মাই অগ্ৰিমকৈ উপহাৰ আনিলে।' মোৰ থুতুৰিটোত ধৰি মৰমেৰে বৰুৱাই কলে।

মই মনে মনে ৰলোঁ।

'মাবাই আশা কৰিছিল এই তিনি বছৰত হয়তো নিশ্চয় জীৱন্ত-পুতলা এটি দেখিবহি।'

'আৰু পাঁচ মাহৰ পিচত আহিলে দেখিলেহেঁতেন।' লাজ সনা দুষ্টামিৰে মই উত্তৰ দিলোঁ। বৰুৱা মোৰ স্থূল উদৰটোলৈ চাই হাঁহিলে।

হাত-মুখ ধুই মা পুনৰ ওলাই আহিল।

'ল'ৰা-ছোৱালী নাথাকিলে ঘৰ বৰ উকঙা উকঙা যেন লাগে।' মাই নিজে নিজে কলে।

লাজ পাই বৰুৱা ওলাই গ'ল।

'তোৰ কিবা হৈছে নেকি?' মোৰ দেহৰ ওপৰেদি মাৰ দৃষ্টি বাগৰি গ'ল।

'বৰ্ত্তমানে পাঁচ মাহ।' তললৈমুৰকৈ কোনো ৰকমে কলোঁ।

তাকেই ইমান পৰে নকৱ কিয়? শুন, এই কেইটা দিন পবিত্ৰ ভাবে থাকিবি। পিতৃ-মাতৃৰ মনৰ ছাপ সন্তানৰ ওপৰত পৰে। কুচিন্তা কুকৰ্ম্মবোৰ সন্তানৰ ভিতৰেদি মূৰ্ত্ত হৈ উঠে। দৈহিক শুচিতাকে সতীত্ব নোবোলে। মনৰ শুচিতাও লাগে। মেৰীৰ দৈহিক প্ৰেম গৈ ভক্তিত

পৰিণত হৈছিল। ফলত লাভ কৰিব পাৰিছিল যীশুৰ দৰে পুত্ৰ—যাক ঈশ্বৰৰ পুত্ৰ বুলি কোৱা হয়।'

দেখিলোঁ কথা কোৱাৰ লগে লগে মাই আৰু মোৰ মা হৈ থকা নাই—জ্যোতিৰ্ময়ী দেৱীলৈ ৰূপান্তৰিত হৈছে। চকু-মুখত জিলিকি উঠিছে স্বৰ্গীয় জেউতি। সেই বিচ্ছুৰিত জ্যোতিকণাত মোৰ মন প্ৰাণ পুলকিত হৈ পৰিল। 'মা মা' বুলি মই মাৰ ভৰি দুখনত পৰিলোঁ গৈ।'

'বেৰেকা বেৰেকা!'

কোনোবাই বাউসী দুখনত ধৰি মোক দাঙি ধৰিছে। মূৰ তুলি চাওঁ—বকৰা।

'মা ক'লৈ গ'ল? আকুল ভাবে মই চাৰিওফালে মাক নিৰীক্ষণ কৰিব ধৰিলোঁ।'

'মা! কোন মা? কাৰ কথা কৈছা? সপোন দেখিছা নেকি?'

এৰা সপোন দেখিছিলোঁ। ভালকৈ চকু-মুখ মোহাৰি দেখোঁ ওপৰত লাইটটো জ্বলি আছে। কাষত বকৰা। তেতিয়াও তেওঁ মোৰ বাউসীতে ধৰি আছে। টোপনিতে বোধহয় মই বিছনাৰ পৰা বাগৰি পৰি গৈছিলোঁ।

মা নাই—কোনো নাই। মাথোন মাৰ কথা কেইষাৰ কাণত বাজি আছে 'মেৰীৰ দৈহিক প্ৰেম গৈ ভক্তিত পৰিণত হৈছিল; ফলত লাভ কৰিব পাৰিছিল যীশুৰ দৰে মহান পুত্ৰ, যাক ঈশ্বৰ পুত্ৰ বুলি কোৱা হয়।'

'যোৱা চকু-মুখ ধুই আহাগৈ। কথা আছে। অলপ গম্ভীৰ ভাবে বকৰাই কলে।

বকৰালৈ চাই দেখিলোঁ—মুখখন পাণ্ডুবৰ্ণ, দৃষ্টি লক্ষ্যহীন, চুলিবোৰ কক্ষ। এই মাত্ৰ গাওঁৰ পৰা আহি পাইছে। নিশ্চয় কিবা ঘটিছে। নহলে চেহেৰাৰ ইমান পৰিবৰ্ত্তন নহয়।

খিৰিকিৰ ফাকেৰে ভাহি অহা দূৰৰ ষ্ট্ৰীটলাইটটোৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি বকৰাই কলে 'মই ওলালোঁ। ক'লৈ যাওঁ কব নোৱাৰোঁ।

ঘৰ-সংসাৰ সমাজ সকলোৰে সৈতে সম্বন্ধ ত্যাগ কৰি আহিছোঁ। কালি চাকৰিটোও ইস্তফা দিম।'

'কিয় ?'

'তুমি জানো শুনা নাই।'

'শুনিছোঁ।'

'দেউতাই মোক ত্যাজ্য পুত্ৰ কৰি গৈছে।'

'মই জানো।'

'সমাজেও মোক লগত লবলৈ স্বীকাৰ কৰা নাই।'

'তাকো শুনিছো।'

বকৰা অলপ ৰ'ল। তাৰ পিচত আকৌ কৈ যাব ধৰিলে :

'জৈৱিক আকৰ্ষণ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। হব পাৰে মাৰ যৌৱনৰ এটা সাময়িক ভুল। কিন্তু তাৰ বাস্তৱতাক মানি লবলৈ, সেই ভুল সংস্কৰপূৰ্বক গ্ৰহণ কৰি লবলৈ সমাজৰ ইমান দ্বিধা কিয় ? —মোৰেই বা দোষ কি ?

অসহায় বকৰাৰ চল্‌চলীয়া চকু দুটা লাইটৰ পোহৰত উজ্বলি উঠিছিল। ইমান দৃঢ়চেতা মানুহজন হঠাতে বিহ্বল হৈ পৰাত বৰ বেয়া লাগি গ'ল। তেখেতৰ কথা কেইষাৰে সপোনতে মাই কোৱা কথালৈ মনত পেলালে।

তেনেহলে বকৰাওতো সেই একে ঈশ্বৰৰ পুত্ৰ। আৰু মোৰ গৰ্ভত থকা এই পৱিত্ৰ জীৱটি ? সিও ঈশ্বৰৰ প্ৰেৰিত দেৱদূত। তাক ধ্বংস কৰিবৰ মোৰ অধিকাৰ ক'ত ? আত্মহত্যা কৰিলে সন্তানো ধ্বংস হব। পেটৰ সন্তানৰ অনিষ্ট সাধন কৰা মহাপাপ।

মোৰ মানত বকৰা বাস্তৱ সত্য। এদিন স্বেচ্ছাই তেওঁৰ কাষত মোৰ সৰ্বস্ব দান কৰিছিলোঁ। তেখেত যিয়ে নহওক মোৰ স্বামী। মই তেখেতৰ সহধৰ্মিণী। সাবিত্ৰীৰ দৰে মৃত স্বামীক জীয়াই তুলিবলৈ মই যি কোনো পৰিস্থিতিৰ যি কোনো ত্যাগ কৰিবলৈ প্ৰস্তুত। ( তথাকথিত সমাজনীতিৰ নিষ্ঠুৰ খড়্গাঘাতত বকৰাক মই মৃত বুলিয়ে ধৰি লৈছোঁ )।

'তোমাৰ কিবা কৰলগা আছে নেকি ?'

'নাই।'

'নাই?'

'নাই।'

'মই কালিয়েই গুচি যাম।'

'ময়ো যাম।'

'ক'লৈ?'

'আপুনি য'লৈকে যায়।'

'মোৰ বাবে ক'তো ঠাই নাই।'

'এই মুকলি পৃথিবীখন আছে। ঈশ্বৰে এই বিনন্দীয়া পৃথিবীখন সৃষ্টি কৰিছে, আমাকো কৰিছে। কিয় ঠাই নহব?'

'কিন্তু মোৰ যে কোনো পৰিচয় নাই?'

'আপুনি ঈশ্বৰৰ পুত্ৰ। এয়ে জানো শ্ৰেষ্ঠ পৰিচয় নহয়? তেওঁৰ সন্তানক তেওঁ জানো আশ্ৰয় নিদিব?'

'বেৱা—'

'আপুনি পুৰুষ, মই প্ৰকৃতি—সৃষ্টিৰ আদিম উৎস। এই উৎস সমাজ-বৈষম্যৰ অনেক উৰ্দ্ধত।'

'বেৱা বেৱা' বুলি বকৱাই মোক সাবটি ধৰিছিল। মই তেখেতৰ বুকুৰ মাজত মুখখন লুকুৱাই পেলালোঁ।

'বেৱা, এদিন তোমাৰ দৈহিক সৌন্দৰ্য্যত মই ভোল গৈছিলোঁ' আজি বুজিছোঁ, তোমাৰ অন্তৰখনো সুন্দৰ। তোমাৰ কথাত আজি মোক জীয়াই থকাৰ নতুন প্ৰেৰণা যোগালে।

মোৰ দুচকুৰ পৰা নিগৰি আহিল দুধাৰি আনন্দাশ্ৰু। বকৱাই চকুলোখিনি মচি দিলে।

শইকীয়া, ক্ষন্তেকতে আমাৰ মনৰ গতি-পথ সলনি হৈ গ'ল। আত্মহত্যা কৰি মানসিক জ্বালা-যন্ত্ৰণাৰ পৰা ৰক্ষা পৰাৰ বাবে জাগি উঠা আকাঙ্ক্ষা নোহোৱা হৈ গ'ল। বাস্তৱতাক স্বীকাৰ কৰি মনৰ সংস্কাৰ সাধন কৰিব পাৰিলেই মানসিক, দৈহিক সকলোতে শান্তি আছে। এই কথা মই উপলব্ধি কৰিছোঁ। বকৱাই আজি বাতিপুৱাই

গুলাই গৈছে চাকৰি ইস্তফা দিবলৈ। তেখেত উভতি আহিলেই দুয়ো গুচি যাম। ক'লৈ যাম কব নোৱাৰোঁ। অজান পথৰ যাত্ৰী আমি।

আপোনাৰ লগত আৰু দেখা নহব। বহু ভোমোৰাৰ গুঞ্জনত কঁপি উঠা পাপৰিৰ দৰে বহু পুৰুষৰ কামনাৰ বা'ত অণুৰেও হয়তো এদিন বিব্ৰত হৈছিল; কিন্তু লেবেলি পৰা নাই—সৌৰভ মৰহি যোৱা নাই। ফুলৰ দৰে আজিও পবিত্ৰ হৈয়েই আছে। আশা কৰো পূৰ্ব্বৰ কথা সুঁৱৰি এটা পৰিয়ালৰ বাবে অণুৰ মহৎ ত্যাগক স্বীকৃতি দি তেওঁক আপুনি গ্ৰহণ কৰিব। শুভেচ্ছা থাকিল। ইতি—

আপোনাৰ 'বেৰেকা'

ভাস্কৰে উঠি গৈ হঠাতে ফোনৰ ডায়েলখন ঘূৰাব ধৰিলে।

'হেলো? অ' কৰবী! মদনহঁতৰ কিবা বাতৰি পাৱ নেকি? কি নাপাৱ? ক'লৈ গ'ল? —কব নোৱাৰ? কাকো একো কোৱা নাই— চাকৰি ইস্তফা দি গৈছে?'

সিফালৰ পৰা কৰবীয়ে আৰু কিবা কৈছিল। ভাস্কৰৰ শুনা নহল। ৰিচিভাৰটো আপোনা আপুনি নামি আহিল। হাতখন অলপ কঁপি উঠিছিল।

'চাৰ, চাহকাপ চেঁচা হৈ গ'ল।'

বহু আগতেই বান্ধনিৰ ল'ৰাটোৱে চাহকাপ দি গৈছিল। ভাস্কৰে মনকে কৰা নাছিল।

ভাস্কৰে থিয়ৈ থিয়ৈ চাহকাপ মুখলৈ বুলি তুলি লওঁতেই হঠাতে হাতৰ পৰা কাপটো পিচলি পকাৰ ওপৰত পৰি ভাঙি টুকুৰা-টুকুৰি হৈ গ'ল।

ভাস্কৰে সিঁচৰিত হৈ পৰা কাপৰ ভঙা টুকুৰাবোৰলৈ চাই থাকিল। তাৰ বগা লংপেণ্টটোত কিছু চাহ চিটিকি পৰিছে।

'চাৰ নতুন একাপ......'ভঙা কাপৰ টুকুৰাবোৰ বুটলি বুটলি ল'ৰাটোৱে সুধিলে।

'নাই নালাগে'।

দুৰ্বল বুঢ়া মানুহৰ হাতৰ দৰে ভাস্কৰৰ হাতখন তেতিয়াও কঁপি আছিল।

॥ সমাপ্ত ॥